● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত

গুৱাহাটী (০৩৬১) ২২৬১৯২৩
চাৰ্কুলেচন ঃ ম'বাইল ঃ ৮৪৮৬৯৮০২৮১
বিজ্ঞাপন ঃ ম'বাইল ঃ ৯৮৬৪৮৯৭১৭৫
যোৰহাট ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com
■ কাকত নাপালে ফোন কৰক ঃ ৯১০১২-৩৮০০৩


# দৈনিক অগ্ৰদূত

সামাজিক দায়বদ্ধতাত অবিচল

**দিগ্‌দৰ্শন**

জটিল কামবোৰ সহজ হৈ থাকোতে আৰু মহৎ কামবোৰ সৰু হৈ থাকোতেই কৰক। হেজাৰ মাইলজোৰা যাত্ৰাও এটা খোজৰ পৰাই আৰম্ভ হয়।

লাও যি
*চীনা দাৰ্শনিক*



www.dainikagradoot.in

৭ পাকিস্তানত আৰক্ষী সবাতোকৈ ভ্ৰষ্টাচাৰী
১৫ ৰোহিত শৰ্মা টীম ইণ্ডিয়াৰ নতুন কেপ্টেইন
৪ আফস্পাৰ আঁৰত কাৰ স্বাৰ্থ জড়িত

RNI-Regd No. 62953/96 ■ সপ্তবিংশতিতম বছৰ ● ৬৩তম সংখ্যা ● গুৱাহাটী ● বৃহস্পতিবাৰ ২২ আঘোণ ১৪২৮ ভাস্কৰাব্দ ৯ ডিচেম্বৰ ২০২১ চন ■ DAINIK AGRADOOT ● Guwahati ● Thursday 9 December 2021 মূল্য ঃ ৯.০০ টকা

## হেলিকপ্টাৰ দুৰ্ঘটনাত পত্নী-সহযোগী বিষয়াসহ ১৩জনৰ প্ৰাণহানি

# সেনা সৰ্বাধিনায়ক ৰাৱটৰ দেহাৱসান

■ নীলগিৰি পাহাৰৰ ৱেলিংটনলৈ যাত্ৰাপথত ভাগি পৰিল হেলিকপ্টাৰ ■ গছত খুন্দা খাই দাওদাওকৈ জ্বলি উঠিল ■ মৃতদেহ চিনাক্তৰ বাবে সম্পন্ন কৰা হ'ব ডিএনএ পৰীক্ষা ■ নীলগিৰিৰ চাহ বাগিচাৰ মাজতে লুকাই আছে অভিশপ্ত হেলিকপ্টাৰ দুৰ্ঘটনাৰ ৰহস্য ■ তদন্তৰ নিৰ্দেশ বায়ুসেনা বাহিনীৰ ■ অৱতৰণৰ সময়তে ঘটিল দুৰ্ঘটনাটো





■ নিউজ ব্যুৰ'

**নতুন দিল্লী, ৮ ডিচেম্বৰ ঃ** সেনা বাহিনীৰ এমআই-১৭-ভি-৫ হেলিকপ্টাৰ দুৰ্ঘটনাত পতিত হৈ প্ৰাণ হেৰুৱালে ভাৰতৰ প্ৰথমগৰাকী সশস্ত্ৰ বাহিনীৰ সৰ্বাধিনায়ক চীফ অৱ ডিফেন্স ষ্টাফ (চিডিএছ) জেনেৰেল বিপিন ৰাৱটে। জেনেৰেল ৰাৱট তেওঁৰ পত্নী মধুলিকা ৰাৱট, হেলিকপ্টাৰৰ চাৰিজন কৰ্মীৰ লগতে উচ্চপদস্থ বিষয়া সেনা বিষয়াৰ দলসহ মুঠ ১৪জনক কঢ়িয়াই নিয়া ভাৰতীয় সেনা বাহিনীৰ হেলিকপ্টাৰখন তামিলনাডুৰ কুন্নুৰৰ সমীপত ভয়াৱহ দুৰ্ঘটনাত পতিত হোৱাত ১৩জনেই দুৰ্ভাগ্যজনক মৃত্যুবৰণ কৰে। মাত্ৰ এজন আৰোহীৰ দৈৱক্ৰমে প্ৰাণ ৰক্ষা পৰে। কে'বাঘণ্টাজোৰা জল্পনা-কল্পনা আৰু চাঞ্চল্যৰ পাছত সন্ধিয়া বায়ুসেনা বাহিনীয়ে টুইটাৰযোগে এই মৃত্যুৰ বাতৰি নিশ্চিত কৰি কয়, 'গভীৰ অনুতাপেৰে সম্প্ৰতি এই কথা নিশ্চিত হৈছে যে জেনেৰেল বিপিন ৰাৱট, তেওঁৰ পত্নী মধুলিকা ৰাৱট আৰু হেলিকপ্টাৰত থকা আন ১১জন লোকৰ আজি এক দুৰ্ভাগ্যজনক দুৰ্ঘটনাত মৃত্যু হয়।' ইয়াৰ পূৰ্বে বায়ুসেনা *১০ পৃষ্ঠাত চাওক*

■ গাড়োৱালৰ যুঁজাৰু পৰিয়ালত জন্ম ■ বৰ্ণাঢ্য কৰ্মজীৱন ■ পাকিস্তান-ম্যানমাৰৰ 'ছাৰ্জিকেল ষ্ট্ৰাইক'ৰ নিৰীক্ষক

## সামৰিক পোছাকতে শেষ বিদায় সৰ্বাধিনায়কৰ

■ নিউজ ব্যুৰ'

**নতুন দিল্লী, ৮ ডিচেম্বৰ ঃ** প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ শাসনকালত দেশৰ প্ৰথমজন সেনা সৰ্বাধিনায়কৰূপে নিযুক্ত হয় জেনেৰেল বিপিন ৰাৱট। স্বাধীন ভাৰতৰ সামৰিক ইতিহাসত স্থল-জল-বায়ু সেনা বাহিনীৰ সৰ্বাধিনায়কৰূপে নিযুক্ত হোৱা জেনেৰেল বিপিন লক্ষণসিং ৰাৱট ইয়াৰ পূৰ্বে মোদী চৰকাৰৰ কাৰ্যকালত নিযুক্তি লাভ কৰা প্ৰথমজন সেনাপ্ৰধান আছিল। ১৯৫৮ৰ ১৬ মাৰ্চত উত্তৰাখণ্ডৰ গাড়োৱালৰ পৌৰিত জন্মগ্ৰহণ কৰা ৰাৱটৰ মৃত্যুৰ সময়ত বয়স



হৈছিল ৬৩ বছৰ। ২০২০ৰ এক জানুৱাৰীত দেশৰ প্ৰথমজন চীফ এফ ডিফেন্স ষ্টাফ (চিডিএছ) অৰ্থাৎ সৰ্বাধিনায়কৰূপে কাৰ্যভাৰ গ্ৰহণ কৰা ৰাৱটে ইয়াৰ পূৰ্বে ভাৰতীয় সেনাৰ চীফ অৱ ষ্টাফ কমিটী তথা ২৬ সংখ্যক চীফ অৱ আৰ্মী ষ্টাফৰ শেষৰজন অধ্যক্ষৰূপে সেৱা আগবঢ়াইছিল। তেওঁ চীফ অৱ ষ্টাফ কমিটীৰ ৫৭ সংখ্যক অধ্যক্ষ আছিল। ভাৰতীয় সেনাৰ চাৰি তাৰকাযুক্ত জেনেৰেল ৰাৱটৰ পৰিয়ালে কে'বা প্ৰজন্ম ধৰি ভাৰতীয় সেনাক সেৱা আগবঢ়াই আহিছে। তেওঁৰ পিতৃ লক্ষণ সিং ৰাৱটো আছিল *১০ পৃষ্ঠাত চাওক*




■ ইন্ধন বিস্ফোৰণৰ প্ৰতিৰোধ ব্যৱস্থাকো নস্যাৎ কৰি নিমিষতে জ্বলিল

## ৰাছিয়াত নিৰ্মিত উন্নত প্ৰযুক্তিৰ 'ভি-৫' 'নিৰাপদ' হেলিকপ্টাৰখনেই কাল হ'ল!

■ নিউজ ব্যুৰ'

**নতুন দিল্লী, ৮ ডিচেম্বৰ ঃ** এখন সৰ্বাধুনিক তথা উন্নততৰ প্ৰযুক্তিৰে নিৰাপত্তাৰ দিশৰ পৰা শ্ৰেষ্ঠতম এখন হেলিকপ্টাৰেই আজি কাল হ'ল ভাৰতীয় সেনাৰ সৰ্বাধিনায়ক বিপিন ৰাৱটৰ বাবে। আজি তামিলনাডুৰ কুন্নুৰত ৰাৱটৰ প্ৰাণ লোৱা হেলিকপ্টাৰখন হৈছে সেনাবাহিনীৰ এমআই-১৭-ভি-৫। ৰাছিয়াত নিৰ্মিত এই সেনা হেলিকপ্টাৰখন হৈছে এমআই-৮ৰ উন্নততৰ সংস্কৰণ। এই হেলিকপ্টাৰৰ বিশেষত্ব হৈছে ইয়াৰ ইঞ্জিন অতি শক্তিশালী। অধিক ভাৰ বহন *১০ পৃষ্ঠাত চাওক*



## আৰু কোন আছিল জেনেৰেল ৰাৱটৰ স'তে?

### হেলিকপ্টাৰৰ চালকসহ আছিল পাঁচজন কৰ্মী


■ নিউজ ব্যুৰ'

**নতুন দিল্লী, ৮ ডিচেম্বৰ ঃ** সেনা সৰ্বাধিনায়ক জেনেৰেল বিপিন ৰাৱট, তেওঁৰ পত্নী আৰু আন ১১জন লোকৰ ভাৰতীয় বায়ুসেনাৰ ভয়াৱহ হেলিকপ্টাৰ দুৰ্ঘটনাৰ ফলত কৰুণ মৃত্যু ঘটে। এইসকলৰ শৰীৰ এনেদৰে অগ্নিদগ্ধ হৈছে যে *১০ পৃষ্ঠাত চাওক*

■ ছহিদ পৰিয়ালৰ অন্যতম ভৰসা আছিল

## মধুলিকা ৰাৱটৰ অকাল মৃত্যুত দিশহাৰা হ'ল বহু জোৱানৰ বিধৱা পত্নী

■ নিউজ ব্যুৰ'




**নতুন দিল্লী, ৮ ডিচেম্বৰ ঃ** তামিলনাডুৰ কুন্নুৰত আজি সংঘটিত হেলিকপ্টাৰ দুৰ্ঘটনাত নিহত হ'ল দেশৰ সশস্ত্ৰ বাহিনীৰ সৰ্বাধিনায়ক বিপিন ৰাৱট আৰু তেওঁৰ পত্নী মধুলিকা ৰাৱট। ভাৰতীয় সেনাৰ মুৰব্বীৰ পত্নীৰ লগতে মধুলিকাৰ আছিল আন এক পৰিচয়। সমাজসেৱিকাৰূপেও তেওঁ আছিল বিখ্যাত। আজি মধুলিকাৰ মৃত্যুত দিশহাৰা হৈ পৰিছে সৈনিক *১০ পৃষ্ঠাত চাওক*

■ মোদীৰ অধ্যক্ষতাত জৰুৰী কেবিনেট বৈঠক অনুষ্ঠিত ■ সেনা সৰ্বাধিনায়কলৈ গভীৰ শ্ৰদ্ধাঞ্জলি, মৌন প্ৰাৰ্থনা ■ পৰিস্থিতিৰ পৰ্যবেক্ষণ

## কোন হ'ব জেনেৰেল ৰাৱটৰ উত্তৰসূৰী

■ নিউজ ব্যুৰ'

**নতুন দিল্লী, ৮ ডিচেম্বৰ ঃ** দেশৰ সেনা সৰ্বাধিনায়ক জেনেৰেল বিপিন ৰাৱট, তেওঁৰ পত্নী মধুলিকা ৰাৱট আৰু আন ১১জনৰ শোকাৱহ মৃত্যুত গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ জৰুৰীকালীন কেবিনেট বৈঠকে। আজি নিশা অনুষ্ঠিত মোদী কেবিনেটৰ নিৰাপত্তা সম্পৰ্কীয় কমিটীৰ এক জৰুৰীকালীন চমু বৈঠকত জেনেৰেল ৰাৱটলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপনৰ লগতে এক মিনিট *১০ পৃষ্ঠাত চাওক*



■ অতি সংকটজনক অৱস্থাত চিকিৎসাধীন

## ধ্বংসপ্ৰাপ্ত হেলিকপ্টাৰত একমাত্ৰ জীৱিত ব্যক্তি গ্ৰুপ কেপ্টেইন বৰুণ সিং

■ নিউজ ব্যুৰ'

**নতুন দিল্লী, ৮ ডিচেম্বৰ ঃ** দেশৰ সেনা সৰ্বাধিনায়ক জেনেৰেল বিপিন ৰাৱট, তেওঁৰ পত্নী মধুলিকাসহ ১৩জনৰ মৃত্যুৰ শোকাৱহ দুৰ্ঘটনাটোৰ একমাত্ৰ জীৱিতজন হৈছে গ্ৰুপ কেপ্টেইন বৰুণ সিং। তেওঁ তামিলনাডুৰ ৱেলিংটন সেনা হাস্পতালত অতি সংকটজনক *১০ পৃষ্ঠাত চাওক*



■ দ্বিতীয়বাৰলৈ ভাগ্য সুপ্ৰসন্ন নহ'ল সেনাৰ সৰ্বাধিনায়কৰ ■ ২০১৫ত নগালেণ্ডৰ ডিমাপুৰত কথমপি প্ৰাণৰক্ষা ■ সংগী আছিল দুই বিষয়া

## ছবছৰৰ পূৰ্বেও দুৰ্ঘটনাত পতিত হৈ ভাগি পৰিছিল ৰাৱটৰ হেলিকপ্টাৰ

■ নিউজ ব্যুৰ'

**নতুন দিল্লী, ৮ ডিচেম্বৰ ঃ** দুবাৰকৈ হেলিকপ্টাৰ দুৰ্ঘটনাত পতিত হোৱা ভাৰতীয় সেনাৰ সৰ্বাধিনায়ক বিপিন ৰাৱটৰ ভাগ্য দ্বিতীয়বাৰলৈ সুপ্ৰসন্ন নহ'ল। আজি তামিলনাডুৰ কুন্নুৰত সংঘটিত হেলিকপ্টাৰ দুৰ্ঘটনাত নিহত হ'ল ভাৰতীয় সেনাৰ সৰ্বাধিনায়কজন। তেওঁৰ লগতে মৃত্যু হয় পত্নীসহ আন ১২জনৰ।



অৱশ্যে ছবছৰৰ পূৰ্বে নগালেণ্ডত সংঘটিত এক হেলিকপ্টাৰ দুৰ্ঘটনাত ৰাৱট সৌভাগ্যক্ৰমে ৰক্ষা পৰিছিল। আজিৰ দুৰ্ঘটনাতো শীৰ্ষ সেনা বিষয়াজন ঘটনাস্থলীতে নিহত হোৱা নাছিল। বৰঞ্চ তেওঁক গুৰুতৰভাৱে আহত অৱস্থাত উদ্ধাৰ কৰা হৈছিল যদিও এইবাৰ তেওঁক ভাগ্য লগ নিদিলে। দুৰ্ঘটনাৰ কিছু *১০ পৃষ্ঠাত চাওক*

| তাপমাত্ৰা | সৰ্বোচ্চ | সৰ্বনিম্ন |
|---|---|---|
| গুৱাহাটী | ২৭° | ১৭° |
| ডিব্ৰুগড় | ২৭° | ১৫° |
| দিল্লী | ২৩° | ১১° |
| কলকাতা | ২৮° | ২০° |
| মুম্বাই | ৩৩° | ২৩° |
| চেন্নাই | ৩১° | ২৬° |
| বাংগালুৰু | ২৪° | ১৯° |
| শ্বিলং | ১৮° | ০৯° |

*৮ ডিচেম্বৰ, ২০২১*

## নদীত সন্ধানহীন গোলাঘাটৰ অভিযন্তাৰ মৃতদেহ উদ্ধাৰ

**বিশেষ সংবাদদাতা**

**গোলাঘাট, ৮ ডিচেম্বৰ ঃ** চাৰিদিনৰ মূৰত উদ্ধাৰ হ'ল ধনশিৰি নদীৰ পানীত উটি যোৱা গোলাঘাটৰ অভিযন্তা ৰক্তিম বৰুৱাৰ মৃতদেহ। যোৱা দেওবাৰে বনভোজ খাবলৈ যাওঁতে *১০ পৃষ্ঠাত চাওক*

দক্ষিণ শালমাৰাৰ ৯৪জন গাঁওবুঢ়া নিযুক্তি কেলেংকাৰিৰ তদন্ত

## উৎকোচৰ বিনিময়ত গাঁওবুঢ়া নিযুক্তি সমগ্ৰ প্ৰক্ৰিয়া শীঘ্ৰে বাতিলৰ সম্ভাৱনা

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ৮ ডিচেম্বৰ ঃ** দক্ষিণ শালমাৰা-মানকাচৰ জিলাত ২০১৮ত অনুষ্ঠিত হোৱা ৯৪টা পদৰ গাঁওবুঢ়া বাছনি প্ৰক্ৰিয়াত সংঘটিত বৃহৎ কেলেংকাৰিৰ গোচৰত তিনিজন এচিএছ বিষয়া গ্ৰেপ্তাৰ হোৱাৰ পাছতে এই সমগ্ৰ নিযুক্তি প্ৰক্ৰিয়া বাতিলৰ সম্ভাৱনা প্ৰকট হৈছে। উল্লেখ্য যে মুখ্যমন্ত্ৰীৰ বিশেষ তদাৰকী কোষে এই বাছনি সমিতিৰ সদস্য তথা তিনিজনকৈ এচিএছ বিষয়া ক্ৰমে ছইবৰ ৰহমান, বিক্ৰম আদিত্য বৰা আৰু এ কে ইলিয়াছ নচিম আহমেদক গ্ৰেপ্তাৰ কৰাৰ পাছতে বক্ৰপথেৰে চাকৰি ক্ৰয় কৰা অৰ্ধ-শতাধিক গাঁওবুঢ়া, তালিকা প্ৰস্তুত কৰা ৰাজনৈতিক নেতা, লাট মণ্ডলৰ গ্ৰেপ্তাৰৰ সম্ভাৱনা প্ৰকট হৈ পৰাৰ লগতে আৰু এজন *১০ পৃষ্ঠাত চাওক*

## মুখ্যমন্ত্ৰী শৰ্মা আজি কহিমাত উপস্থিত হোৱাৰ সম্ভাৱনা

### পৰিস্থিতিৰ বুজ ল'ব

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ৮ ডিচেম্বৰ ঃ** নগালেণ্ডৰ মন জিলাত অসম ৰাইফলছৰ হাতত ১৪ জন সাধাৰণ লোক নিহত হোৱা ঘটনাক লৈ ৰাজ্যখনত অব্যাহত থকা জটিল পৰিস্থিতিৰ বুজ লবলৈ অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক *১০ পৃষ্ঠাত চাওক*

■ যোৰহাট বিমানকোঠতে বাধাদান আৰক্ষীৰ

## পৰিস্থিতিৰ বুজ ল'বলৈ নগালেণ্ডলৈ যোৱাত বাধা, ধৰ্ণাত বহিল কংগ্ৰেছ নেতা



**অগ্ৰদূত বাৰ্তা**

**পশ্চিম যোৰহাট, ৮ ডিচেম্বৰ ঃ** নগালেণ্ডলৈ যাবলৈ বাধা দিয়াত ধৰ্ণাত বহিল সাংসদ গৌৰৱ গগৈকে ধৰি কে'বাজনো কংগ্ৰেছ নেতা। নগালেণ্ডৰ শেহতীয়া অগ্নিগৰ্ভা পৰিস্থিতিত নিহত লোকসকলৰ পৰিয়ালৰ কাষত থিয় দিয়াৰ বাবে কংগ্ৰেছৰ প্ৰতিনিধি *১০ পৃষ্ঠাত চাওক*

**চেঙা তেল**



*তোমাৰ-মোৰ কাৰণেহে কৰ'না! সেইসকলে চাৰ্টাৰ্ড প্লেন লৈও বিদেশ যাত্ৰা কৰি আছে!*

## কাইলৈৰ পৰা 'লাগজাৰী' ব্ৰেণ্ডৰ সুৰাৰ মূল্য বাঢ়িব

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ৮ ডিচেম্বৰ ঃ** অহা ১০ ডিচেম্বৰৰ পৰা অসমৰ 'লাগজাৰী' সুৰাৰ মূল্য ১৫ শতাংশ বৃদ্ধি পাব। আবকাৰী মন্ত্ৰী পৰিমল শুক্লবৈদ্যই সদৰী কৰা অনুসৰি, যিবোৰ ক্ষেত্ৰত ৰাজহ বৃদ্ধিৰ *১০ পৃষ্ঠাত চাওক*

পিতৃ-মাতৃ, শাহু-শহুৰৰ লগত সময় কটাবলৈ চৰকাৰৰ কৰ্মচাৰীক দুদিন ছুটী ঘোষণা

## ছয়ৰ পৰা ন জানুৱাৰীলৈ স্তব্ধ হ'ব চৰকাৰী কাম

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ৮ ডিচেম্বৰ ঃ** কেবিনেট বৈঠকৰ সিদ্ধান্তৰ আধাৰত অসম চৰকাৰৰ কৰ্মচাৰীসকলে অহা ছয় আৰু সাত জানুৱাৰীত পিতৃ-মাতৃ, শাহু-শহুৰৰ লগত সময় কটাবলৈ ছুটী লাভ কৰিব। চৰকাৰৰ সাধাৰণ প্ৰশাসন বিভাগে জাননীযোগে এই কথা সদৰী কৰিছে। বিভাগৰ আয়ুক্ত সচিব এম এছ মণিৱন্নন স্বাক্ষৰিত জাননীত লগতে *১০ পৃষ্ঠাত চাওক*

ব্যক্তিগত খণ্ডৰ স্কুলৰ পৰা আহি ১৮ ছাত্ৰ-ছাত্ৰীৰ নামভৰ্তি শুকেকুছি প্ৰাথমিক বিদ্যালয়ত

## নলবাৰীৰ এখন ব্যতিক্ৰমী চৰকাৰী বিদ্যালয়



**বিশেষ সাংবাদদাতা**

**নলবাৰী, ৮ ডিচেম্বৰ ঃ** যি সময়ত চৰকাৰী খণ্ডৰ অধিকাংশ বিদ্যালয়ৰ শৈক্ষিক পৰিৱেশ নোহোৱাৰ অভিযোগ বহু চৰ্চিত হৈ অহাৰ লগতে একাংশ অভিভাৱক আৰু স্বয়ং চৰকাৰী খণ্ডৰ বিদ্যালয়ত কৰ্মৰত শিক্ষকেও সন্তানক ব্যক্তিগত বিদ্যালয়ত নামভৰ্তি কৰোৱাৰ প্ৰৱণতা বৃদ্ধি পাইছে, তেনে সময়তে নলবাৰীৰ এখন প্ৰাথমিক বিদ্যালয়ে দেখুৱাইছে ব্যতিক্ৰমী নিদৰ্শন। উক্ত স্কুলখন হৈছে পশ্চিম নলবাৰী শিক্ষাখণ্ডৰ অন্তৰ্গত চামতাৰ সমীপৰ শুকেকুছিস্থিত শুকেকুছি প্ৰাথমিক বিদ্যালয়। ৰাজ্যৰ শিক্ষাখণ্ডৰ শেহতীয়া তথাকথিত পৰম্পৰাৰ বিপৰীতে এইখন বিদ্যালয়লৈ ব্যক্তিগত শিক্ষানুষ্ঠানৰ পৰা আহি ১৮গৰাকীকৈ শিক্ষাৰ্থীয়ে নামভৰ্তি কৰিছে। যাৰ ফলত বিদ্যালয় পৰিচালনা সমিতি, স্থানীয় অভিভাৱক আনকি প্ৰাথমিক *১০ পৃষ্ঠাত চাওক*

দৈনিক অগ্রদূত
গুৱাহাটী, ৯ ডিচেম্বৰ, ২০২১ বৃহস্পতিবাৰ পৃষ্ঠা তিনি

## ৰংজুলিৰ কুশধোৱা-দেউলগুৰীত বন্যহস্তীৰ আক্ৰমণত নিহত দুই

**হাতী-মানুহৰ সংঘাতে তীব্ৰ ৰূপ ধাৰণ কৰিছে ৰংজুলিত**

**অগ্রদূত বার্তা,**
**দুধনৈ, ৮ ডিচেম্বৰ ঃ** গোৱালপাৰা জিলাত যেন তীব্ৰৰ পৰা তীব্ৰতৰ ৰূপ ধাৰণ কৰিছে হাতী-মানুহৰ সংঘাতে। বনৰীয়া হাতীৰ উপদ্ৰৱে দুৰ্বিসহ কৰি তুলিছে গ্ৰামাঞ্চলৰ জনজীৱন। আজি পুৱাও ৰংজুলি আৰক্ষী থানাৰ অন্তৰ্গত কুশধোৱা দেউলগুৰীত বন্যহস্তীৰ আক্ৰমণত নিহত হয় দুগৰাকী লোক। আজি পুৱা প্ৰায় ৪-৪৫ বজাত দুটা ছয় পৃষ্ঠাত চাওক



## বকোত শ শ কৃষিভূমিৰ অনিষ্ট সাধন

**পশ্চিম কামৰূপ বন সংমণ্ডলত চোৰাং বেপাৰীৰ দপ্‌দপনি**

**অগ্রদূত বার্তা**
**বকো, ৮ ডিচেম্বৰ ঃ** পশ্চিম কামৰূপ বনসংমণ্ডল প্ৰাধিকাৰী বিষয়া কাৰ্যালয়ৰ অধীনৰ সেউজভূমি ক্ৰমাৎ সংকুচিত হৈ আহিছে। এফালৰ পৰা সেউজভূমিৰ ওপৰত একাংশ চোৰাং কাঠ বেপাৰীৰ কুঠাৰাঘাত চলিছে। দিনে-নিশাই বকো সমষ্টিৰ লগতে ছয়গাঁও সমষ্টিৰ পাহাৰৰ পৰা চহৰাঞ্চললৈ সৰবৰাহ হৈছে কাঠৰ কুণ্ডা, ফলা কাঠ। দিনে নিশাই অব্যাহত আছে চোৰাং কাঠৰ সৰবৰাহ। বনবিভাগৰ একাংশ বিষয়া-কৰ্মচাৰীৰ স'তে গোপন বুজাবুজিৰে নিতৌ ১৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথেৰে সৰবৰাহ হৈ আছে চোৰাং কাঠৰ বেহা। বনসংমণ্ডল প্ৰাধিকাৰী বিষয়াৰ কাৰ্যালয়ৰ অধীনৰ শিংৰা সংৰক্ষিত বনাঞ্চল, দিলিঙা সংৰক্ষিত বনাঞ্চল, বন্দাপাৰা সংৰক্ষিত বনাঞ্চল, লাম্পী অঞ্চল, জাৰিহাট, মীডদাংগোপ, মজাইমাৰি, বামুণীগাঁও সংৰক্ষিত বনাঞ্চলৰ পৈণত অপৈণত গছ-গছনি নিঃশেষ হোৱাৰ পথত। ফলত খাদ্যৰ সন্ধানত জাকে জাকে বন্যহস্তী পাহাৰৰ পৰা ভৈয়ামলৈ নামি আহি খেতিপথাৰ, ঘৰ-বাৰী অনিষ্ট সাধন কৰিছে। ছয় পৃষ্ঠাত চাওক

■ আটক কৰি নি জিলাৰ সীমা পাৰ কৰি দিলে আৰক্ষীয়ে

## বিতৰ্কিত হিন্দুত্ববাদী নেতা সত্যৰঞ্জন বৰাক বিধায়ক আমিনুলৰ ঘৰলৈ যোৱাত বাধা

**বিশেষ সংবাদদাতা**
**নগাঁও, ৮ ডিচেম্বৰ ঃ** বহু বিতৰ্কিত হিন্দুত্ববাদী নেতা সত্যৰঞ্জন বৰাক আজি ধিং বিধানসভা সমষ্টিৰ বিধায়ক আমিনুল ইছলামৰ আলিটাঙনিৰ বাসগৃহলৈ যোৱাৰ পথত নগাঁও আৰক্ষীয়ে বাধা প্ৰদান কৰে। আজি বিয়লি ধিং সমষ্টিৰ আলিটাঙনি অভিমুখে গৈ থকা অৱস্থাত হিন্দুত্ববাদী নেতাজনক ছয় পৃষ্ঠাত চাওক






■ শোণিতপুৰত তৎপৰ প্ৰশাসন ■ ২১ হেজাৰ ৫১৫ জনক ভূমিপট্টা দিয়াৰ যোজা

# বন্যপ্ৰাণী সংৰক্ষিত অঞ্চলতো ভূমিপট্টা




*আফস্পা বাতিলৰ দাবীত অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ অৱস্থান ধৰ্মঘট, মহানগৰীত বুধবাৰে।*

**অগ্রদূত বার্তা**
**তেজপুৰ, ৮ ডিচেম্বৰ ঃ** বনবাসীসকলক ভূমি পট্টা দিয়াৰ নামত ৰাজ্য চৰকাৰে সম্প্ৰতি বনাঞ্চলৰ ভূমিত বসবাস কৰা লোকক ভূমি পট্টা দিয়াৰ বাবে সাজু হোৱাৰ সময়ত শীঘ্ৰেই শোণিতপুৰত বনাঞ্চলৰ মাটিৰ পট্টা প্ৰদান কৰিবলৈ তৎপৰ হৈছে। উল্লেখ্য যে বিগত সময়ছোৱাত শোণিতপুৰত প্ৰথম অৱস্থাত বনাঞ্চলৰ ভূমিত ম্যাদী পট্টা বিচাৰি ১৮ হেজাৰ ৯২৮খন ব্যক্তিগত আৱেদন জমা হোৱাৰ উপৰি ৰাজহুৱা অনুষ্ঠানৰ বাবে এহেজাৰ ২৯৭খন আৱেদন দাখিল হৈছিল। ইয়াৰে ভিতৰত এহেজাৰ ৩৬১খন আবেদন বন বিভাগে গ্ৰাহ্য কৰিছিল। কিন্তু পৰৱৰ্তী সময়ত এনে আবেদনৰ সংখ্যা অধিক বৃদ্ধি পায়। বৰ্তমান জিলাখনৰ বনাঞ্চলৰ ভূমিত ২১ হেজাৰ ৫১৫ জনক ভূমিপট্টা দিয়াৰ যোজা চলিছে। ইয়াৰে ভিতৰত আনকি চাৰি হেজাৰ লোকক সোণাই-ৰূপাই বন্যপ্ৰাণী অভয়াৰণ্যৰ ভিতৰৰ ভূমি আৱন্টন দিবলৈ তৎপৰ হৈছে চৰকাৰ তথা শোণিতপুৰ প্ৰশাসন। উল্লেখ্য যে কেৱল ভূমিপুত্ৰৰ নামতে শোণিতপুৰত বন্যপ্ৰাণীৰ আৱাসস্থলী আৰু বন বিভাগৰ অধীনস্থ অৰণ্যত হোৱা বেদখলক ৰাজনৈতিক লাভালাভৰ বাবেই দীৰ্ঘদিন ধৰি প্ৰশ্ৰয় দি অহা হৈছে। পৰিণতিত সোণাই-ৰূপাই, বালিপৰা, চাৰিদুৱাৰ, নদুৱাৰ, শিঙৰী, ছেঙেলিমৰা আদি বনাঞ্চল নিঃশেষ হৈ পৰাৰ দৰেই হৈছে। উল্লেখ্য যে অবিভক্ত শোণিতপুৰত সোণাই-ৰূপাইৰ পৰা গহপুৰ পৰ্যন্ত মুঠ ১২শ বৰ্গ কিলোমিটাৰ বনাঞ্চলৰ ভিতৰত ইতিমধ্যেই আঠশ বৰ্গ কিলোমিটাৰ বনাঞ্চল নিঃশেষ হৈছে। সম্প্ৰতি মাত্ৰ চাৰিশ বৰ্গ কিলোমিটাৰ বনাঞ্চলহে বাকী আছেগৈ বন বিভাগৰ অধীনত। তদুপৰি, বন্যপ্ৰাণী সংৰক্ষিত বনাঞ্চলৰ ভূমিতো ব্যাপক ৰূপত বেদখল হৈছে। ছয় বছৰ আগলৈকে হোৱা এনে বেদখলৰ বিপৰীতেও সম্প্ৰতি একাংশ ৰাজনীতিকৰ ৰাজনৈতিক স্বাৰ্থ পূৰণৰ বাবে এনে বেদখলকাৰীকো বনাঞ্চলত ভূমি পট্টা দিবলৈ তৎপৰ হৈ উঠিছে শোণিতপুৰ প্ৰশাসন। সম্প্ৰতি ৰাজনৈতিক আশিস লাভৰে নিজা কৰ্মজীৱনৰ উন্নতিৰ পথ সুগম কৰিবলৈ জৈৱ বৈচিত্ৰ্যতাৰে ভৰা জিলাখনৰ বনভূমি বেদখল চলোৱাসকলক পুৰস্কৃত কৰিবলৈ উঠিপৰি লগা জিলাখনৰ একাংশ বিষয়াই বন বিভাগৰ ছয় পৃষ্ঠাত চাওক

## বিধায়ক তেৰছ গোৱালাক ৰেলত আক্ৰমণত জড়িতক গ্ৰেপ্তাৰ

**অগ্রদূত বার্তা**
**হোজাই, ৮ ডিচেম্বৰ ঃ** চলন্ত ৰেলত কালি বিজেপিৰ বিধায়কক আক্ৰমণ কৰে সহযাত্ৰীয়ে। নিশা ২০৫০৪ নম্বৰ দিল্লী-ডিব্ৰুগড় ৰাজধানী এক্সপ্ৰেছত দুলীয়াজানৰ বিধায়ক তেৰছ গোৱালা, পত্নী আৰু সন্তানে ডিব্ৰুগড়লৈ গুৱাহাটীৰ পৰা যাত্ৰা কৰিছিল। সাধাৰণ যাত্ৰীৰ দৰে আন সকলো যাত্ৰীৰ লগত দুলীয়াজানৰ বিধায়কজন গৈ থকাৰ সময়তে এ-৩ দবাটোৰ ভিতৰতে একেলগে ওচৰতে বহি আহিছিল লামডিঙৰ এজন যাত্ৰী। লামডিঙৰ সেই যাত্ৰীজনে চলন্ত ৰেলৰ ভিতৰতে আক্ৰমণৰ লক্ষ্য কৰাৰ অভিযোগ উত্থাপন কৰিছে দুলীয়াজান সমষ্টিৰ ছয় পৃষ্ঠাত চাওক

## স্বাধীনতা সংগ্ৰামী নবীন শৰ্মাৰ মৃত্যু



**অগ্রদূত বার্তা**
**কনিহা, ৮ ডিচেম্বৰ ঃ** ৰঙিয়া মহকুমাৰ অন্তৰ্গত নিজ বড়িগোগ ডোঙাপাৰ চুবুৰি নিবাসী বিশিষ্ট সমাজকৰ্মী তথা স্বাধীনতা আন্দোলনৰ অগ্ৰণী সেনানী নবীন চন্দ্ৰ শৰ্মা (৯৮)ৰ বাৰ্ধক্যত কাৰণত কালি বিয়লি নিজ গৃহত মৃত্যু হয়।১৯২৪ত মধ্যবিত্ত ব্ৰাহ্মণ পৰিয়ালত জন্মগ্ৰহণ কৰা এইজন সমাজকৰ্মীয়ে বিভিন্ন অভাৱ-অনাটনৰ বাবে আধাতে শিক্ষা জীৱন সমাপ্ত কৰি একান্ত মনে ব্যৱসায়ত আত্মনিয়োগ কৰি পৰৱৰ্তী সময়ত ব্যৱসায়ী হিচাপে প্ৰতিষ্ঠা লাভ কৰিবলৈ সক্ষম হয়। স্বাধীনতা ছয় পৃষ্ঠাত চাওক

## ভৱানীপুৰৰ প্ৰাক্তন অধ্যক্ষ দেৱেশ্বৰ দাসৰ বিয়োগ



**অগ্রদূত বার্তা**
**সৰুপেটা, ৮ ডিচেম্বৰ ঃ** ভৱানীপুৰৰ গলিয়া ৰাজহ গাঁৱৰ অন্তৰ্গত কঠালৰতাৰী গাঁৱৰ বাসিন্দা প্ৰাক্তন অধ্যক্ষ দেৱেশ্বৰ দাসৰ যোৱা নিশা ন বজাত গুৱাহাটীৰ এখন চিকিৎসালয়ত চিকিৎসাধীন অৱস্থাত মৃত্যু হয়। উল্লেখ্য যে হৃদৰোগত ভুগি থকা প্ৰাক্তন অধ্যক্ষজনক পৰিয়ালৰ লোকে উন্নত চিকিৎসাৰ বাবে এসপ্তাহ পূৰ্বে উক্ত চিকিৎসালয়খনত ভৰ্তি কৰাইছিল। ছয় পৃষ্ঠাত চাওক

## লামপাৰাত পথ দুৰ্ঘটনাত নিহত এক

**অগ্রদূত বার্তা**
**বকো, ৮ ডিচেম্বৰ ঃ** দিনক দিনে ভয়াবহ পথ দুৰ্ঘটনাই বকোবাসীক চিন্তিত কৰিছে। ইয়াৰ মাজতে পুনৰ ছয়গাঁও সমষ্টিৰ বকো আৰক্ষী থানাৰ অন্তৰ্গত লামপাৰা ১৭ নম্বৰ ঘাইপথত পথ দুৰ্ঘটনা সংঘটিত হৈছে। এখন বাহনে নিয়ন্ত্ৰণ হেৰুৱাই পথৰ দাঁতিৰ গছ এডালত প্ৰচণ্ড জোৰে খুন্দা মাৰে। গুৱাহাটীৰ পৰা ছাটাবাৰী ঔদ্যোগিক বিকাশ কেন্দ্ৰলৈ গৈ থকা এএছ-০১ এমচি-০৪৮৪ নম্বৰৰ বাহনখন দুৰ্ঘটনাগ্ৰস্ত হয়। উক্ত পথ দুৰ্ঘটনাত বাহনখনৰ এজন লোকৰ থিতাতে মৃত্যু ছয় পৃষ্ঠাত চাওক

■ শ্ৰমিক আইন বিৰোধী চুক্তিৰে শোষণ বহিঃৰাজ্যৰ চাহ কোম্পানীৰ ■ ৯১৪ টা চাহ শ্ৰমিক পৰিয়ালৰ জীৱনক লৈ হেতালি

## অবৈধভাৱে নিলাম হ'ল কলিয়াবৰৰ চিকনি চাহ বাগিচা

**বিশেষ সংবাদদাতা**
**নগাঁও, ৮ ডিচেম্বৰ ঃ** নগাঁও জিলাৰ কলিয়াবৰ ৰাজহ চক্ৰৰ অন্তৰ্গত চিকনি চাহ বাগিচাৰ ৯১৪টা চাহ শ্ৰমিক পৰিয়ালৰ জীৱনলৈ নামি আহিছে ঘোৰ অমানিশা। পূৰ্বৰ বাগিচা কৰ্তৃপক্ষই অসম চাহ ভৱিষ্যত নিধিক দীৰ্ঘদিন ধৰি পৰিশোধ কৰিবলৈ বাকী থকা ৫.৫৪ কোটি টকা পৰিশোধ নকৰাত ২০১৬ৰ ১৫ ডিচেম্বৰত চিকনি চাহ বাগিচা অসম চাহ শ্ৰমিক ভৱিষ্যত নিধি সংস্থাই বাজেয়াপ্ত (এটাষ্ট) কৰি ৰাখিছিল। একেদৰে বেংকত ৩.৭৫ কোটি টকা চিকনি চাহ বাগিচাৰ বেংকক অনাদায়ী থকাৰ বাবে যোৱা পাঁচ ফেব্ৰুৱাৰীত বেংক কৰ্তৃপক্ষই ডি আৰ টিৰ ছয় পৃষ্ঠাত চাওক



## নগাঁও জিলা পৰিবহণ বিষয়াৰ কাৰ্যালয়ত দালালৰ দৌৰাত্ম্য

**■ ভাৰাতীয়া ব্যক্তিৰে কাম কৰাৰ অভিযোগ ■ যান-বাহনৰ সক্ষমতাৰ প্ৰমাণপত্ৰৰ নামতো অবাধ লুণ্ঠন**

**বিশেষ সংবাদদাতা**
**নগাঁও, ৮ ডিচেম্বৰ ঃ** সীমাহীন দুৰ্নীতি-অনিয়মে ছানি ধৰিছে নগাঁও জিলা পৰিবহণ বিষয়াৰ কাৰ্যালয়ক। কাৰ্যালয়টোত এতিয়া দুৰ্নীতিয়েই নীতি আৰু অনিয়মেই নিয়মত পৰিণত হৈছে। বিজেপি নেতৃত্বাধীন ৰাজ্য চৰকাৰে দুৰ্নীতিৰ ক্ষেত্ৰত শূন্য সহনশীল নীতি কাৰ্যতঃ এই কাৰ্যালয়টোত অসাৰ হৈছে। আনকি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই দালালৰাজ বন্ধ কৰাৰ বাবে কঠোৰ পদক্ষেপ গ্ৰহণ কৰাৰ সময়ত নগাঁও জিলা পৰিবহণ বিষয়াৰ কাৰ্যালয়ত এতিয়াও দালালৰ দপ্‌দপনি অব্যাহত আছে। বিভিন্নজনে অভিযোগ উত্থাপিত কৰা মতে, ধনৰ বিনিময় নকৰিলে কাৰ্যালয়টোত কাগজৰ পাত এখিলাও নলৰে। কাৰ্যালয়টোত চৰকাৰে এম ভি আই, জ্যেষ্ঠ সহায়ক, কনিষ্ঠ সহায়কসহ একাধিক কৰ্মচাৰীক নিযুক্তি দি থৈছে যদিও চৰকাৰে নিযুক্তি নিদিয়া আন ছজন লোকেও চৰকাৰী কৰ্মচাৰীৰ নিচিনাকৈয়ে কাম কৰি আছে। নিজৰ কৰ্মত ফাকি দিয়া, কাৰ্যালয়ত দুৰ্নীতিৰ পোহাৰ মেলা কেইজনমান বিষয়া-কৰ্মচাৰীয়ে কাৰ্যালয়টোত এওঁলোকক নিয়োজিত কৰি ৰাখিছে। এওঁলোকৰক কামত খতুৱাই ৰখাৰ বাবদ দুৰ্নীতিগ্ৰস্ত বিষয়া-কৰ্মচাৰীয়ে মাহিলি বেতন পৰ্যন্ত আদায় দিয়ে। ছয় পৃষ্ঠাত চাওক

## সাহিত্যিক পেন্সনৰ পৰা বঞ্চিত হ'ল ৰাভা ভাষাৰ সাহিত্যিক ঃ ক্ষোভ

**অগ্রদূত বার্তা**
**দুধনৈ, ৮ ডিচেম্বৰ ঃ** সদ্য ঘোষিত অসম চৰকাৰৰ সাহিত্যিক পেন্সনৰ তালিকাত এজনো ৰাভা সাহিত্যিকে স্থান নোপোৱাত ক্ষুব্ধ হৈছে বেবাক ৰাভা ক্ৰৌবাং ৰুনচুম অৰ্থাৎ নিখিল ৰাভা সাহিত্য সভা। যি সময়ত বৰ্তমান ভাৰতবৰ্ষৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী নেতৃত্বাধীন কেন্দ্ৰীয় চৰকাৰে পলমকৈ হ'লেও ভাৰতবৰ্ষত বসবাস কৰা প্ৰতিটো জাতি, জনগোষ্ঠীয় ভাষাৰ সংৰক্ষণ আৰু উত্তৰণৰ প্ৰতি চিন্তা কৰিছে আৰু সন্মান সহকাৰে সকলোৱে যাতে নিজৰ নিজৰ মাতৃভাষাত শিক্ষা গ্ৰহণ কৰিব পাৰে তাৰ বাবে নতুন ৰাষ্ট্ৰীয় শিক্ষানীতি, ২০২০ অনুসৰি নিশ্চিতি প্ৰদান কৰিছে। সেই অনুসৰি, প্ৰাথমিক বিদ্যালয়ত পঞ্চম শ্ৰেণীলৈ সকলোৱে নিজ নিজ মাতৃভাষাত শিক্ষা গ্ৰহণ কৰাটো বাধ্যতামূলক কৰা হৈছে। ইপিনে, বিজেপি নেতৃত্বাধীন অসম চৰকাৰেও সকলো জনগোষ্ঠী, জনজাতি সকলৰ ভাষা সাহিত্যক আগবঢ়াই নিয়াৰ ক্ষেত্ৰত অসম ভাষা গৌৰৱ, ২০১৯ৰ দৰে এক অভিলাষী আঁচনি আৰু অসমৰ শিক্ষা ব্যৱস্থাত আমূল পৰিৱৰ্তন ঘটাই উক্ত নতুন ৰাষ্ট্ৰীয় শিক্ষানীতি, ২০২০ শীঘ্ৰে প্ৰৱৰ্তন কৰাৰ পণ গ্ৰহণ কৰিছে। এনে সময়ত ৰাভা ভাষাৰ সাহিত্যিকক এই ধৰণৰ কৰা ব্যৱহাৰ অকল বৈষম্যমূলকে নহয়, ৰাভা ভাষাৰ প্ৰতি চৰম অপমান আৰু অৱহেলাৰ জ্বলন্ত প্ৰতিচ্ছবি বুলি ক্ষোভ উজাৰিছে নিখিল ৰাভা সাহিত্য সভাই। আজি এক বিবৃতিত নিখিল ৰাভা সাহিত্য সভাৰ প্ৰধান সম্পাদক ৰাজকুমাৰ ৰাভাই উল্লেখ কৰে- ৰাভা ভাষাৰ বিভিন্ন গ্ৰন্থ, গল্প, কবিতা, নাটক আজি প্ৰকাশ ছয় পৃষ্ঠাত চাওক

## খাৰিজা বিজনীৰ চুক্ৰুংবাৰীত বনৰীয়া হাতীৰ উপদ্ৰৱ


**■পাচলি খেতিৰ ব্যাপক ক্ষতিসাধন**

**অগ্রদূত বার্তা**
**শালবাৰী, ৮ ডিচেম্বৰ ঃ** মানাহ ৰাষ্ট্ৰীয় উদ্যানৰ কাষৰীয়া তথা বাগ্‌সাৰ শালবাৰী মহকুমাৰ খাৰিজা বিজনীৰ অন্তৰ্গত চুক্ৰুংবাৰীত মানাহ ৰাষ্ট্ৰীয় উদ্যানৰ পৰা ওলাই অহা এটা বৃহৎ হাতীৰ জাকে খেতি পথাৰত নিশা প্ৰৱেশ কৰি বিস্তীৰ্ণ কৃষিভূমিৰ ক্ষতিসাধন কৰে। মানাহ ৰাষ্ট্ৰীয় উদ্যানৰ কাহিতামা বনাঞ্চলিক কাৰ্যালয়ৰ গাতে লাগি থকা অঞ্চলটোত প্ৰতিনিশা বনৰীয়া হাতীৰ জাকে খেতি পথাৰত প্ৰৱেশ কৰি খেতি-বাতি তহিলং কৰে। যোৱা নিশাও ৪০ টা হাতী থকা এটা জাকে খেতিপথাৰত প্ৰৱেশ কৰি বিলাহী, ছয় পৃষ্ঠাত চাওক




## বাগ্‌সাৰ বকুৱাত যাতায়াতৰ নামত ৰাইজৰ দুৰ্ভোগ

**ডেকাদং নৈৰ ওপৰত নিৰ্মাণ নহ'ল পকী দলং**



**অগ্রদূত বার্তা**
**মুছলপুৰ, ৮ ডিচেম্বৰ ঃ** বাগ্‌সা জিলাৰ বকুৱাত ডেকাদং নদীৰ ওপৰত এখন পকী দলং নথকাৰ বাবে জৰাজীৰ্ণ বাঁহৰ সাঁকোৰে বিপদসংকুলভাৱে যাতায়াত কৰিবলগীয়া হৈছে কণ-কণ ছাত্ৰ-ছাত্ৰীসকলে। বিটিআৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়ো আৰু মন্ত্ৰী ইউ জি ব্ৰহ্মৰ সমষ্টিতে যাতায়াতৰ নামত ৰাইজে এই দুৰ্ভোগ ভুগিছে। কোকলাবাৰী পৰিষদীয় সমষ্টি আৰু ছাপাগুৰি বিধানসভা সমষ্টিৰ অন্তৰ্গত বকুৱাৰ পৰা জালাহ সংযোগী গড়কাপ্তানী পথৰ ডেকাদং নৈৰ ওপৰৰ বাঁহৰ সাঁকোখনৰ পৰিৱৰ্তে এখন পকী দলং নিৰ্মাণৰ দাবী দীৰ্ঘদিন ধৰি ৰাইজে দাবী জনাই আহিছে। অতি শীঘ্ৰে এখন পকী দলং নিৰ্মাণ কৰি দিয়াৰ দাবী উত্থাপন কৰিছে স্থানীয় ৰাইজে। বাৰিষা ডেকাদং নৈৰ জলপৃষ্ঠ বৃদ্ধি হ'লে পানীৰ সোঁতে বাঁহৰ সাঁকোখন উটুৱাই নিয়াৰ ফলত ৰাইজৰ যাতায়াত ব্যৱস্থা ব্যাহত হৈ পৰে। বিভিন্ন সমস্যাৰে জৰ্জৰিত বকুৱাবাসী ৰাইজৰ সমস্যা সমাধান কৰিবলৈ এই দুয়োজন স্থানীয় জনপ্ৰতিনিধিয়ে ব্যৱস্থা গ্ৰহণ নকৰাৰ অভিযোগ উঠিছে। দক্ষিণ বকুৱাৰ নেতৃস্থানীয় ব্যক্তি বাবুল দাস, প্ৰবীণ দাস, মামনি দাসে কয় যে তেওঁলোকে স্বাধীনতাৰ ৭০ বছৰ পাছতো ছয় পৃষ্ঠাত চাওক

দৈনিক অগ্ৰদূত

গুৱাহাটী বৃহস্পতিবাৰ ২২ আঘোণ ১৪২৮ভাস্কৰাব্দ ৯ ডিচেম্বৰ ২০২১

## অস্ত্ৰ প্ৰতিযোগিতা

ক'ভিড মহামাৰীৰ আতংক সমগ্ৰ বিশ্বতে অব্যাহত থকাৰ সময়তে বিশ্বজুৰি পুনৰ আৰম্ভ হৈছে অস্ত্ৰ প্ৰতিযোগিতা। আশংকা হৈছে যে পুনৰ শীতল যুদ্ধ আৰম্ভ হোৱাৰ ইংগিত এয়া। উল্লেখ্য যে ৰাছিয়া (পূৰ্বৰ ছোভিয়েট ইউনিয়ন) আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ মাজত যোৱা শতিকাৰ শেষ ভাগলৈকে শীতল যুদ্ধ অব্যাহত আছিল। পাছত ছোভিয়েট ইউনিয়ন ভংগ হোৱাৰ লগে লগে দীৰ্ঘকাল ধৰি চলি থকা শীতল যুদ্ধৰো অৱসান ঘটে। সেয়ে একবিংশ শতিকা শীতল যুদ্ধৰ পৰা মুক্ত হ'ল আৰু আমেৰিকা যুক্তৰাষ্ট্ৰ হৈ পৰিল বিশ্বৰ মহাশক্তি (ছুপাৰ পাৱাৰ)। পূৰ্বৰ 'বাই প'লাৰ' বা দ্বিমেৰু বিভক্ত পৃথিৱী 'ইউনিপ'লাৰ' বা এটা মেৰুৰ পৃথিৱীলৈ পৰিৱৰ্তিত হ'ল। অৰ্থাৎ আমেৰিকাকেন্দ্ৰিক এটা মহাশক্তিহে থাকিল; কিন্তু এছিয়াৰ মহাশক্তি চীনৰ উত্থানে আমেৰিকাক বিশ্বৰ একমাত্ৰ মহাশক্তি হৈ থাকিবলৈ দিয়া নাই। ইতিমধ্যে চীন দেশে আমেৰিকাক চেৰ পেলাই বিশ্বৰ আটাইতকৈ চহকী দেশৰ স্থান দখল কৰিছে। কেৱল ইয়াতেই চীন দেশ ৰৈ থকা নাই। চীনে সামৰিক ক্ষেত্ৰতো আমেৰিকাক অতিক্ৰম কৰাৰ ভাবুকি দিবলৈ সক্ষম হৈছে। সমুদ্ৰত চীনৰ যুদ্ধ জাহাজৰ সংখ্যা সৰ্বাধিক হৈছে আৰু অত্যাধুনিক যুদ্ধ বিমান তথা শেহতীয়া হাইপাৰছ'নিক ক্ষেপণাস্ত্ৰৰ সফল পৰীক্ষণে আকাশমাৰ্গতো আমেৰিকাক প্ৰত্যাহ্বান জনাবলৈ সক্ষম হৈছে। হাইপাৰছ'নিক ক্ষেপণাস্ত্ৰ নিৰ্মাণৰ ক্ষেত্ৰত চীন আমেৰিকাতকৈ এখোজ আগবাঢ়ি গ'ল বুলি আমেৰিকান যুদ্ধ বিশেষজ্ঞসকলেই মত ব্যক্ত কৰিছে। এই বিশেষজ্ঞসকলে চীনৰ এই সফলতাক 'স্পুটনিক মুহূৰ্ত' নাম দিছে। স্পুটনিক মুহূৰ্ত বুলি কোৱাৰ অৰ্থ হ'ল যেতিয়া ছোভিয়েট ৰাছিয়াই আমেৰিকাতকৈ প্ৰথমে মহাকাশ যান স্পুটনিক প্ৰেৰণ কৰিছিল, তেতিয়া আমেৰিকাৰ দৰ্প চূৰ্ণ হৈছিল আৰু সেই মুহূৰ্তক 'স্পুটনিক মুহূৰ্ত' আখ্যা দিছিল। অৰ্থাৎ আমেৰিকাই ভবাও নাছিল আৰু আশাও কৰা নাছিল যে ছোভিয়েট ৰাছিয়াই আমেৰিকাতকৈ আগেয়ে মহাকাশলৈ কৃত্ৰিম উপগ্ৰহ প্ৰেৰণ কৰিব; কিন্তু আমেৰিকাৰ সেই ভুল ভাঙি দিছিল ছোভিয়েট ৰাছিয়াই। এতিয়া চীনে আমেৰিকাতকৈ আগেয়ে হাইপাৰছ'নিক ক্ষেপণাস্ত্ৰৰ সফল পৰীক্ষা কৰাত ইয়াক আমেৰিকান বিশেষজ্ঞসকলে স্পুটনিক মুহূৰ্ত আখ্যা দিছে। আমেৰিকাৰ মতে এই ক্ষেপণাস্ত্ৰ এতিয়ালৈকে কোনো দেশেই নিৰ্মাণ কৰা নাই। শব্দৰ গতিবেগতকৈ এই ক্ষেপণাস্ত্ৰ পাঁচগুণ অধিক গতিবেগত যাব পাৰে আৰু সেয়ে ইয়াক কোনো অত্যাধুনিক শক্তিশালী ৰাডাৰেও ধৰা পেলাব নোৱাৰে। শত্ৰু পক্ষৰ যুদ্ধ বিমান তথা ক্ষেপণাস্ত্ৰক ই সহজেই ধ্বংস কৰিবলৈ সক্ষম। আমেৰিকাৰ সকলো ধৰণৰ যুদ্ধ বিমান তথা ক্ষেপণাস্ত্ৰৰ বাবে চীনৰ হাইপাৰছ'নি ক্ষেপণাস্ত্ৰ ভাবুকি হৈ পৰিছে। এই ক্ষেপণাস্ত্ৰ ৰকেটৰ সহায়ত মহাকাশলৈ নিক্ষেপ কৰা হয় আৰু শব্দতকৈ পাঁচগুণ অধিক গতিবেগত গৈ ই যিকোনো লক্ষ্য ধ্বংস কৰিব পাৰিব। চীনৰ এই ক্ষেপণাস্ত্ৰই ৰাছিয়া, আমেৰিকা আৰু চীনৰ মাজত নতুন অস্ত্ৰ প্ৰতিযোগিতাৰ সূচনা কৰিব বুলি মাৰ্কিন বিশেষজ্ঞসকলে সকীয়াই দিছে। স্বাভাৱিকতে আমেৰিকা চিন্তিত হৈছে আৰু আমেৰিকায়ো নিজা হাইপাৰছ'নিক ক্ষেপণাস্ত্ৰ নিৰ্মাণৰ বাবে তৎপৰ হৈ পৰিছে। আনহাতে, ৰাছিয়ায়ো ২০১৫তেই 'হাইপাৰছ'নিক মিছাইল' নামৰ এবিধ ক্ষেপণাত্ৰ সফলতাৰে পৰীক্ষা কৰা বুলি ৰাষ্ট্ৰপতি ভ্লাদিমিৰ পুটিনে ঘোষণা কৰিছিল। আমেৰিকাৰ বুশ্ব প্ৰশাসনে ২০০১ত ৰাছিয়াৰ স'তে স্বাক্ষৰিত বেলিষ্টিক মিছাইল প্ৰতিৰোধক ক্ষেপণাস্ত্ৰ চুক্তি পৰিহাৰ কৰা বাবে আত্মৰক্ষাৰ কাৰণে ৰাছিয়াই 'হাইপাৰছ'নিক মিছাইল' নিৰ্মাণ কৰা বুলি সদৰী কৰিছিল। অৰ্থাৎ যোৱা ১৫ বছৰ পূৰ্বেই ৰাছিয়া-আমেৰিকা আৰু চীনৰ মাজত অস্ত্ৰ প্ৰতিযোগিতা আৰম্ভ হৈছিল। এই প্ৰতিযোগিতাত চীন দেশে শেহতীয়াকৈ অধিক ক্ষিপ্ৰতাৰে নামি পৰাত ভাৰত তথা আৰব দেশসমূহেও প্ৰতিযোগিতাত নামিবলৈ বাধ্য হৈছে।

ভাৰতেও নিজাকৈ হাইপাৰছ'নিক ক্ষেপণাস্ত্ৰ নিৰ্মাণৰ বাবে প্ৰস্তুতি আৰম্ভ কৰিছে বুলি প্ৰকাশ পাইছে। ভাৰতে ৰাছিয়াৰ পৰা এছ ৪০০ ক্ষেপণাস্ত্ৰ ক্ৰয়ৰ চুক্তিত স্বাক্ষৰ কৰিছে আৰু আমেৰিকাৰ বিৰোধিতা সত্ত্বেও ভাৰতে এই ক্ষেপণাস্ত্ৰ ক্ৰয়ৰ বাবে সংকল্পবদ্ধ হৈছে। ৰাছিয়াৰ এছ ৪০০ ক্ষেপণাস্ত্ৰৰ গতিবেগ প্ৰতি ছেকেণ্ডত ৪.৮ কিলোমিটাৰ। ইয়াৰ বিপৰীতে বৰ্তমান আমেৰিকাৰ অত্যাধুনিক যুদ্ধ বিমান-ক্ষেপণাস্ত্ৰ বিধ্বংসী ক্ষেপণাস্ত্ৰ পেট্ৰিয়টৰ গতিবেগ প্ৰতি ছেকেণ্ডত ১.৩৮ কিলোমিটাৰ। এছ ৪০০ মাত্ৰ পাঁচ মিনিটত নিক্ষেপ কৰিব পাৰি; কিন্তু পেট্ৰিয়টক সময় লাগে ২৫ মিনিট। ৰাছিয়াৰ পৰা ভাৰতে ক্ৰয় কৰা এই ক্ষেপণাস্ত্ৰই একে সময়তে কে'বাটাও লক্ষ্যত আঘাত কৰিব পাৰে। ই প্ৰতি ছেকেণ্ডত ৪.৮ কিলোমিটাৰ গতিবেগেৰে ৬০০ কিলোমিটাৰ দূৰত থকা শত্ৰুৰ যুদ্ধ বিমান বা ক্ষেপণাস্ত্ৰ মুহূৰ্ততে ধ্বংস কৰিবলৈ সক্ষম। ভাৰতে ক্ৰয় কৰা এছ ৪০০ৰ পাঁচ ইউনিটত মুঠ এহেজাৰটা ক্ষেপণাস্ত্ৰ থাকিব। বিশ্বৰ সামৰিক বিশেষজ্ঞসকলৰ মতে ইয়েই বৰ্তমান বিশ্বৰ সৰ্বোত্তম ক্ষেপণাস্ত্ৰ। উল্লেখ্য যে চীনেও ২০১৪তে চুক্তিত স্বাক্ষৰ কৰি ২০১৮ত ৰাছিয়াৰ এছ ৪০০ ক্ৰয় কৰিছিল; কিন্তু চীনক দিয়া এই ক্ষেপণাস্ত্ৰই ৪০ কিলোমিটাৰ, ১২০ কিলোমিটাৰ আৰু ২৫০ কিলোমিটাৰলৈকেহে আঘাত হানিব পাৰিব। ভাৰতে লাভ কৰা ক্ষেপণাস্ত্ৰই ৬০০ কিলোমিটাৰ দূৰত্বত আঘাত হানিব পাৰিব। ৰাছিয়াৰ পৰা ক্ৰয় কৰা এছ ৪০০ ক্ষেপণাস্ত্ৰই যে ভাৰতৰ প্ৰতিৰক্ষাৰ ক্ষেত্ৰত অভেদ্য দেৱাল হিচাপে থিয় হৈ থাকিব, সেই বিষয়ত সন্দেহ নাই। ভাৰতে শক্তিশালী চীনৰ আগ্ৰাসন ৰোধ কৰিবলৈকে অত্যাধুনিক অস্ত্ৰ-শস্ত্ৰ ক্ৰয় কৰিবলগীয়া হৈছে। যোৱা সোমবাৰে ৰাছিয়াৰ ৰাষ্ট্ৰপতি পুটিনৰ উপস্থিতিত ভাৰত-ৰাছিয়াৰ মাজত প্ৰধানকৈ প্ৰতিৰক্ষামূলক চুক্তিয়ে অধিক গুৰুত্ব পাইছিল। ভাৰতে এছ ৪০০ ক্ৰয় কৰাৰ উপৰি ৰাছিয়াৰ পৰা অত্যাধুনিক এ কে ২০৩ এছাল্ট ৰাইফল ক্ৰয় কৰিছে। ভাৰতে কে'বা লাখ এ কে ২০৩ ক্ৰয় কৰিছে আৰু উত্তৰ প্ৰদেশত ইয়াৰ এটা নিৰ্মাণ কাৰখানা ৰাছিয়াৰ সাহায্যত স্থাপনৰ প্ৰস্তুতি চলাইছে। ভাৰতে আমেৰিকা, ইজৰাইল আৰু ফ্ৰান্সৰ পৰাও বিধে বিধে অত্যাধুনিক অস্ত্ৰ ক্ৰয় কৰিছে। আত্মৰক্ষাৰ বাবেই ভাৰতো অস্ত্ৰ প্ৰতিযোগিতাত নামিবলৈ বাধ্য হৈছে।

## খোলা মঞ্চ

### অসমীয়া বৰ্ণাঢ্য সাজপাৰ হেৰাই যাব নেকি?



**অসমীয়া** বৰ্ণাঢ্য সাজ-পাৰ হেৰাই যাব দিলে কৃষ্টি-সংস্কৃতিৰে ভৰপূৰ ভাৰতৰ পূৰ্বদেশত থকা অসম দেশৰ অস্তিত্ব নাথাকিব। যুগ সলনি হৈছে বুলিয়েই আমাৰ পৰম্পৰা ৰক্ষা কৰিব নালাগে বুলি মানি ল'ব নোৱাৰি। নানা জনগোষ্ঠীৰে ভৰা অসমৰ সাজ-পোছাকে বিশ্বত চিনাকি দি আহিছে। তেনে ক্ষেত্ৰত 'অল্প বিদ্যা ভয়ংকৰ'ৰ দৰে অসমৰ মানুহে পাশ্চাত্যক অনুসৰণ কৰিবলৈ গৈ নিজকে ধোৱা তুলসীৰ পাত হেন কৰিছে। ভাবি আচৰিত হৈছো— কি যে যুগ আহিল? নাৰী দেহটো ভৰিৰ পৰা বুকুলৈ সন্মানীয়। নিতম্ব, পেট আৰু বক্ষ যুগল যিকোনো উপায়েৰে আবৃত কৰি ৰাখিব লাগে। পশ্চিমীয়া সংস্কৃতিৰ লগত খাপ খাবলৈ আমাৰেই বাই-ভনীসকলৰ ভাবধাৰাৰে এই যে মডেলিঙৰ ব্যৱস্থা কৰা হ'ল, লগতে ডাঙৰ ডাঙৰ হোটেলবিলাকত নৃত্য-গীতৰ আয়োজন কৰি নানা অঘটন ঘটাৰ সুবিধা কৰিছে, তাক মোৰ ভাৱধাৰাত ই এটা অসমৰ লগতে অসমীয়া সাজ-পাৰত ক্ষতিকাৰক, পৰাপক্ষত এই ব্যৱস্থাত উদ্যোক্তাসকলে মন কৰিব লাগে। সচেতন মহলে মাত মতাও যুক্তিসংগত।

**অঞ্জনা দাস হাজৰিকা,** *লেখিকা*

অসমীয়াৰ সেই 'ছাঁতে শুকুৱা মুঠিতে লুকুৱা' কাপোৰৰ সন্মান/মৰম/আদৰ আমাৰ সমাজ ব্যৱস্থাই নাইকিয়া কৰিবলৈ লোৱা যেন অনুভৱ হয়। অসমীয়াৰ পাট-মুগাৰ কাপোৰযোৰে অসমীয়া জাতিৰ কৃষ্টি-সংস্কৃতিৰ দিশ বুলি আপুনি-মই ভাবিলেও আমাৰ এই সমাজ ব্যৱস্থাই মানিব নোখোজে। ই কিন্তু এটা ডাঙৰ সমস্যা হিচাপে আমাৰ মাজত থিয় দিছে। গতিকে ইয়াৰ এটা বহল আলোচনা হ'ব লাগে আৰু অনতি পলমে ইয়াক ৰোধিবলৈ অসমবাসী সাজু হ'ব লাগে। *ফোন ঃ ৯৪৩৫৩৪৫৪০১*

## প্ৰত্যাহাৰৰ দাবী পূৰণ হ'ব বুলি ধাৰণা নহয়

# আফস্পাৰ আঁৰত কাৰ স্বাৰ্থ জড়িত

**দেৱানন্দ মেদক**

যোৱা চাৰি ডিচেম্বৰত নগালেণ্ডৰ মন জিলাত অসম ৰাইফলছে ১৪ জনকৈ নিৰীহ নগা লোকক হত্যা কৰা ঘটনাই ভাৰত ত্যাগ আন্দোলন মথিমূৰ কৰাৰ উদ্দেশ্যে ঔপনিৱেশিক ব্ৰিটিছ শাসকে প্ৰণয়ন কৰা সশস্ত্ৰ বাহিনী (বিশেষ ক্ষমতা) আইন সাধাৰণ জনতাৰ বাবে কিমান ভয়াৱহ আৰু গণতন্ত্ৰৰ পৰিপন্থী তাক পুনৰ উত্তৰ-পূববাসীক সহজ ভাষাত বুজাই দিলে। ফলস্বৰূপে আইনখন পুনৰ বিতৰ্কত সাঙোৰ খাই পৰিল।

উক্ত নৃশংস ঘটনাই আন তিনিটা ধাৰণা স্পষ্ট কৰি দিলে।

১) প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু গৃহমন্ত্ৰী অমিত শ্বাহৰ আইন-শৃংখলা উন্নত হোৱাৰ দাবী, বিশেষকৈ উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহত মিথ্যা প্ৰমাণিত হৈছে। যোৱা কিছুদিন ধৰি ধাৰাবাহিকভাৱে অসম-মিজোৰাম, অসম-নগালেণ্ড, অসম-মেঘালয়, অসম-অৰুণাচল প্ৰদেশৰ আন্তঃৰাজ্যিক সীমান্তত ঘটি যোৱা সংঘাতকে ধৰি ত্ৰিপুৰাৰ শেহতীয়া সাম্প্ৰদায়িক সংঘৰ্ষও এই বিফলতাৰে প্ৰমাণ।

২) কেন্দ্ৰীয় চৰকাৰ আৰু এন এছ চি এন (আই-এম)ৰ মাজৰ বহুচৰ্চিত শান্তি আলোচনাই নগা পাহাৰত শান্তি আৰু সুস্থিৰতাৰ পৰিৱেশ ঘূৰাই আনিছে বুলি কৰা দাবী যে ভুৱা, বৰঞ্চ ভিতৰি ভিতৰি এই সংঘাত যে বৃদ্ধি পোৱাৰ লক্ষণ, সেয়া স্পষ্ট হৈছে।

৩) আটাইতকৈ গুৰুত্বপূৰ্ণ আৰু উদ্বেগজনক বিষয়টো হ'ল ২০১৪ৰ পৰাই বহুল প্ৰচাৰিত আৰু প্ৰত্যাশাৰে ভৰা 'এক্ট ইষ্ট পলিচী' যে কেৱল বিজ্ঞাপনৰ মাজতে সীমাবদ্ধ, ইয়াৰ কোনো বাস্তৱ ৰূপায়ণ সহজ নহয়, শেহতীয়া নগালেণ্ডৰ হত্যাকাণ্ড তাৰেই প্ৰমাণ। কিয়নো, অপ্ৰিয় হ'লেও সত্য যে নগাক বিশ্বাসঘাতকতা কৰা, অৰ্থাৎ হত্যা, হিংসা আৰু দমন নীতিৰে নগাৰ লগত শত্ৰুতা বৃদ্ধি কৰা মানেই 'এক্ট ইষ্ট পলিচী'ৰ বাস্তৱ ৰূপায়ণ বাধাগ্ৰস্ত কৰা। তাৰ কাৰণ বহুতো আৰু তাক নীতি প্ৰস্তুতকাৰীৰ পৰা আৰম্ভ কৰি শাসক পক্ষলৈ নজনা নহয়। গতিকে চাৰি ডিচেম্বৰৰ মন জিলাত সংঘটিত হত্যাৰ পাছত উত্থাপিত হোৱা প্ৰশ্নটো হ'ল— নগাৰ স'তে সংঘাত সৃষ্টি কৰি ভাৰতে দক্ষিণ-পূব এছিয়াৰ বজাৰত প্ৰৱেশ কৰিব কোন বাটে?

উল্লেখ্য যে অশান্ত অঞ্চল আখ্যাৰে বলৱৎ কৰা আইনখন সম্প্ৰতি অসম, নগালেণ্ড, মণিপুৰ (ইম্ফল পৌৰ পৰিষদ অঞ্চল বাদ দি) অৰুণাচল প্ৰদেশৰ চাংলাং, লংডিং, টিৰাপ আৰু অসমৰ সীমাৰ লগত সংলগ্ন হৈ থকা আঠখন আৰক্ষী থানাৰ অধীনৰ অঞ্চলত বলৱৎ হৈ আছে। অৰ্থাৎ এইবোৰ অঞ্চলত 'আফস্পা'ৰ অধীনত সেনাবাহিনীয়ে বিশেষ ক্ষমতা প্ৰয়োগৰ অধিকাৰ আছে।

আচলতে আফস্পা বলৱৎ হৈ থকা 'অশান্ত' অঞ্চলসমূহৰ বেছিভাগেই ভাৰত-ম্যানমাৰ আন্তঃৰাষ্ট্ৰীয় সীমান্ত অথবা আন্তঃৰাজ্যিক সীমান্ত অঞ্চল। এনে দুৰ্গম অঞ্চলত স্থানীয় সংবাদদাতা নথকা হেতুকে আৰু চহৰীয়া সাংবাদিকসকলৰ বাবেও সহজতে গৈ পোৱা সম্ভৱ নহয় হেতুকে সকলো সময়তে সেই অঞ্চলসমূহৰ জ্বলন্ত সমস্যাসমূহে সংবাদ মাধ্যমৰ প্ৰচাৰ নাপায়। সেই অঞ্চলসমূহৰ বাতৰি মানেই হত্যা, হিংসা অথবা চোৰাং সৰবৰাহ। বাতৰিসমূহে বিশেষকৈ সশস্ত্ৰ বাহিনী অথবা আৰক্ষীৰ বিবৃতিৰ ৰূপত আহে হেতুকে সাধাৰণ সীমান্তবাসী ৰাইজৰ দুখ, দুৰ্দশা চহৰীয়া সমাজলৈ গৈ নাপায়। গতিকে সেই অঞ্চলসমূহৰ প্ৰতি থকা আমাৰ চিন্তাধাৰাও সেনা-আৰক্ষীৰ দৃষ্টিভংগীৰ দ্বাৰাই পৰিচালিত হোৱাটো অস্বাভাৱিক নহয়। সেয়েহে 'আফস্পা' বলৱৎ হৈ থকা সীমান্ত অঞ্চলসমূহৰ আৰ্থ-সামাজিক, সাংস্কৃতিক আৰু ৰাজনৈতিক পৰিস্থিতি সাধাৰণ লোকে বুজি পোৱাত কিছু জটিল হোৱাটোৱে স্বাভাৱিক। এনে প্ৰেক্ষাপটত চমুকৈ কিছু কথা লিখাৰ প্ৰয়োজন অনুভৱ কৰিছো।

অৰুণাচল প্ৰদেশৰ পূব প্ৰান্তৰ তিনিখন জিলা— টিৰাপ, চাংলাং আৰু লংডিং। মূলতঃ ভাৰত-ম্যানমাৰ সীমান্তৰ সেই তিনিওখন জিলাত বাস কৰা চিংফৌসকলক বাদ দিলে, নক্টে, ৰাংচু, টাংচা, অল্ল আদি সকলোবোৰ বৃহত্তৰ নগা জনগোষ্ঠীৰ লোক। তদুপৰি পশ্চিমে নগালেণ্ড আৰু দক্ষিণে ম্যানমাৰ সীমান্ত অঞ্চলতো নগা অধ্যুষিত গাঁও। দ্বিতীয় বিশ্বযুদ্ধৰ সময়তে নিৰ্মাণ কৰা ষ্টীলৱেল পথ যাতায়াতৰ বাবে মুকলি কৰাৰ বহু যুগ পূৰ্বৰে পৰা নগাসকলে চাংলাং জিলাৰ পাংচপাছ, টিৰাপ জিলাৰ লাজু আৰু লংডিং জিলাৰ ৰাক্কা সীমান্তইদি উৎসৱ-পাৰ্বণ, বেপাৰ-বাণিজ্য, বিশেষকৈ বিনিময় প্ৰথাৰে কৰি অহাৰ উপৰি বিবাহপাশতো আৱদ্ধ হৈ আহিছে। সীমান্তৰ দুয়োপাৰে আত্মীয়স্বজন থকাৰ লগতে অৰ্থনৈতিকভাৱে পৰস্পৰৰ ওপৰত নিৰ্ভৰশীল। চাংলাং জিলাৰ নামপঙত আয়োজন কৰা বছৰেকীয়া আন্তঃৰাষ্ট্ৰীয় পাংচপাছ উৎসৱ এই প্ৰেক্ষাপটতে সৃষ্টি হোৱা মিলনৰ উৎসৱ; কিন্তু আফস্পা বলৱৎ হোৱা দিন ধৰি সেই অহা-যোৱা, মত-বিনিময়, পৰস্পৰৰ ওপৰত নিৰ্ভৰশীলতা, বিয়া-বাৰু, মিলনৰ উৎসৱ-পাৰ্বণ আদি সকলোবোৰ আইন আৰু সংবিধানৰ দৃষ্টিত অপৰাধ আৰু মানুহবোৰ হৈ পৰিল দেশৰ আভ্যন্তৰীণ আইন-শৃংখলাৰ প্ৰতি ভাবুকিস্বৰূপ। নগাসকলৰ দুখ তাতেই। নগাসকলে দেশৰ ভৌগোলিক অখণ্ডতাক তেওঁলোকে অসন্মান নকৰে, দেশৰ আন্তঃৰাষ্ট্ৰীয় সীমাক উলংঘা নকৰে, দেশৰ সংবিধানক অশ্ৰদ্ধা নকৰে; কিন্তু জাতিৰ স্বাৰ্থ, পিতৃ-পুৰুষৰ সম্পৰ্ক, পৰম্পৰা, ইতিহাস বিসৰ্জন দি ইংৰাজে জাপি দিয়া ৰাজনৈতিক সীমাৰ ভিতৰত আৱদ্ধ হৈ জাতিটোৰ এক নতুন ইতিহাস ৰচিবলৈও প্ৰস্তুত নহয়। লাগে এক চলন্ত ইতিহাস, গতিশীল সমাজ ব্যৱস্থা, এক বিশ্বাসযোগ্য শাসক।

মণিপুৰৰ ক্ষেত্ৰতো কথাটো একেই। উখ্ৰুল, চাণ্ডেল, কামজং আদি জিলাৰ নগাৰ বসতি স্থান আৰু ভাৰত-ম্যানমাৰ সীমান্তৰ অঞ্চল গ্ৰীহাং, ফাইকট, উইমিন থানা, শ্বেলন, বেইহাং, খেনমান, জাউপি আদি



অঞ্চলো আজি আফস্পাৰ কবলত পৰি একপ্ৰকাৰ মৰিশালি সদৃশ পৰিৱেশলৈ ৰূপান্তৰিত হৈছে। ভাৰত চৰকাৰে নিজৰ সুবিধা অনুসৰি মৰে-টামুক সংযোগ কৰি সংহত তালাচী চকী অৰ্থাৎ আন্তঃৰাষ্ট্ৰীয় বজাৰ স্থাপন কৰিছে যদিও মণিপুৰৰ নগাকে ধৰি অন্যান্য ক্ষুদ্ৰ ক্ষুদ্ৰ জনজাতীয় লোকসকলে ইতিহাসে ঢুকি নোপোৱা দিনৰে পৰা পৰম্পৰাগতভাৱে ব্যৱহাৰ কৰি অহা পথসমূহ নিষিদ্ধ কৰি সামাজিক, অৰ্থনৈতিক আৰু সাংস্কৃতিকভাৱে পংগু কৰি পেলাইছে। একালত বেপাৰে-বণিজে, খেতিয়ে-বাতিয়ে, উৎসৱে-পাৰ্বণে নন্দন-বন্দন মানুহবোৰ এতিয়া দুৰ্গম অঞ্চলৰ বাসিন্দা, সশস্ত্ৰ বাহিনীৰ দৃষ্টিত অপৰাধী, উগ্ৰপন্থীৰ পৃষ্ঠপোষক অথবা বহু সময়ত উগ্ৰপন্থী। পূৰ্বে শান্তিপূৰ্ণভাৱে আৰু মুকলিকৈ আন্তঃৰাষ্ট্ৰীয় সীমা পাৰ কৰি ব্যৱসায় কৰা সীমান্তৰ জনজাতীয় লোকসকল এতিয়া চৰকাৰৰ দৃষ্টিত, আইনৰ দৃষ্টিত আন্তঃৰাষ্ট্ৰীয় চক্ৰৰ লগত জড়িত চোৰাং সৰবৰাহকাৰী। এয়াও নগা জাতিৰ আন এক ৰাজনৈতিক বিড়ম্বনা আৰু অসন্তুষ্টি।

নগালেণ্ডৰ মন জিলাৰ লংৱা, নোকপাল জিলাৰ নিউ বাংছা আৰু খিপিৰে জিলাৰ আভাংকু অঞ্চলত আন্তঃৰাষ্ট্ৰীয় বাণিজ্যিক কেন্দ্ৰসমূহ বহু কোটি টকা খৰচ কৰি নিৰ্মাণ কৰা হ'ল যদিও আভ্যন্তৰীণ নিৰাপত্তাৰ অজুহাতত পাছত এৰাবাৰীত পৰিণত কৰা হ'ল। ফলত নগাসকলৰ গাঁৱৰ সিপাৰে থকা বজাৰখন পৰিত্যাগ কৰি গুৱাহাটী ফাঁচীবজাৰ অথবা ডিমাপুৰৰ আলু-পিঁয়াজ, চাউলৰ ওপৰত নিৰ্ভৰ কৰিব লগা হ'ল।

ব্ৰিটিছে নিৰ্মাণ কৰি থৈ যোৱা ষ্টীলৱেল পথটো ভাৰত চৰকাৰে আজি পৰ্যন্ত নিৰাপত্তাৰ প্ৰতি থকা প্ৰত্যাহ্বান আৰু ভাবুকিৰ কাৰণ দেখুৱাই পুনৰ যাতায়াতৰ বাবে মুকলি কৰিবলৈ অপাৰগতা প্ৰকাশ কৰাটো গ্ৰহণযোগ্য যদিও দশক পূৰ্বে নিৰ্মাণ সম্পূৰ্ণ হৈ উঠা 'পাংচপাছ'ৰ আন্তঃৰাষ্ট্ৰীয় 'বৰ্ডাৰ হাট'খন কিয় আৰু কি কাৰণে আজি পৰ্যন্ত সীমান্তবাসীৰ কাৰণে মুকলি কৰিব নোৱাৰিলে, সেয়াহে লক্ষ্যণীয়। সীমান্তত বাস কৰা নগাসকলে, ভাৰত চৰকাৰে নগাসকলক দেশ আৰু ৰাজ্য বিভাজনৰ সময়ত বিচ্ছিন্ন কৰাতে ক্ষান্ত নাথাকি 'আফস্পা'ৰ জৰিয়তে আজি পৰ্যন্ত সংঘাতত লিপ্ত কৰাই বিচ্ছিন্নতাৰ ধাৰা নিৰৱচ্ছিন্নভাৱে চলাই আহিছে বুলিও অভিযোগ কৰা দেখা যায়।

উত্তৰ-পূবৰ ৰাজ্যসমূহত, বিশেষকৈ ভাৰত-ম্যানমাৰ সীমান্তত আসাম ৰাইফলছে যিমানে সক্ৰিয়তা প্ৰদৰ্শন নকৰকপাহাৰীয়া নগাসকলকে ধৰি জনজাতীয় লোকসকল জীৱন-জীৱিকাৰ স্বাৰ্থত বিভিন্ন অঞ্চলত আন্তৰাষ্ট্ৰীয় সীমা পাৰ কৰিবলৈ বাধ্য আৰু পাৰ কৰিয়েই আছে। ম্যানমাৰৰ পিনৰ পৰাও ভাৰতীয় গাঁৱলৈ প্ৰৱেশ কৰিবলৈ বাধ্য আৰু কৰি আছে।

উদাহৰণ স্বৰূপে মণিপুৰৰ কামজং জিলাৰ উইমিন থানা গাঁৱৰ বাসিন্দাসকল ম্যানমাৰৰ কাষৰীয়া নামবিছা গাঁৱৰ দোকান, বজাৰ, কৃষি উৎপাদন আদিৰ ওপৰত নিৰ্ভৰশীল। কাৰণ, কাষৰীয়া ম্যানমাৰৰ গাঁওসমূহত বিস্তীৰ্ণ কৃষিভূমি আৰু মণিপুৰৰ সেই উইমিন থানা গাঁওখন ঘন জংঘলৰ সোঁমাজত অৱস্থিত। তদুপৰি ভাৰতীয় উইমিন থানা আৰু ম্যানমাৰৰ নামবিছা গাঁৱৰ মাজৰ দূৰত্ব মাথোঁ ২০ মিটাৰ, এটি সৰু সুঁতিৰ ইপাৰ-সিপাৰ। কিন্তু সীমান্ত পাৰ নহৈ উইমিন থানাৰ লোকসকল গৃহৰাজ্যৰ আটাইতকৈ কাষত থকা চহৰ, উখ্ৰুল সদৰলৈ নামি আহিবলৈ হ'লে সম্পূৰ্ণ এদিনৰ বাট। তাতে আকৌ সদায় যাতায়াতৰ বাবে গাড়ীৰ ব্যৱস্থাও নাথাকে। আটাইতকৈ আমোদজনক কথাটো হ'ল, উইমিন থানাৰ প্ৰায় ১০ কিলোমিটাৰ আঁতৰতহে আছাম ৰাইফলছৰ শিবিৰ অৱস্থিত। আৰক্ষীৰ কোনো অস্তিত্বই নাই। গতিকে ভাৰত-ম্যানমাৰ সীমান্তৰ প্ৰকৃত পহৰাদাৰী আৰু নায়ক কোন জনাই জানে।

অৰুণাচল প্ৰদেশৰ টিৰাপ জিলাৰ 'লাজু'ৰ ছবিও মণিপুৰৰ সম্পূৰ্ণ ওলোটা। ম্যানমাৰৰ পিনৰ নগা গাঁওসমূহত কোনো দোকান বজাৰ অথবা শস্য উৎপাদনৰ আৰ্দ্ৰ ভূমি নাই। সেয়েহে সীমান্ত পাৰ কৰি লাজুলৈ নামি আহে। তিনি ঘন্টাৰ বাট। বিপৰীতে নিজ দেশৰ কাষৰীয়া 'চেনলুম' অথবা 'ঙমলাম' বজাৰলৈ তিনিদিনৰ বাট। নাই কোনো যাতায়াতৰ ব্যৱস্থা। গতিকে লাজুলৈ পাহাৰ বগাই নামি আহি চাউল, নিমখ, তেল আদি প্ৰয়োজনীয় খাদ্য সামগ্ৰী আৰু কাপোৰ ইত্যাদি সংগ্ৰহ কৰে। নামি আহোতে গাহৰি, কুকুৰা, শুকান বনৰীয়া জন্তুৰ মাংস কঢ়িয়াই আনে আৰু লাজুৰ চুবুৰীয়া গাঁওসমূহত বিক্ৰী কৰি প্ৰয়োজনীয় সামগ্ৰী কিনি লৈ যায়। পৰিতাপৰ কথা, এই যাত্ৰাত কেৱল নাৰীসকলেহে আহে। কিয়নো পুৰুষ দেখিলেই উগ্ৰপন্থীৰ সন্দেহত আছাম ৰাইফলছে আটক কৰে। এয়াও 'আফস্পা'ৰ আন এক বিড়ম্বনা। প্ৰয়োজনীয় সামগ্ৰী কঢ়িয়াবলৈ অহা মহিলাসকলৰ মাজত পাঁচ বছৰীয়া জীয়ৰীৰ পৰা আৰম্ভ কৰি ৭০ বছৰীয়া বৃদ্ধালৈকে থাকে। আফস্পাৰ দৃষ্টিত সীমান্তৰ পুৰুষ মানেই যেন উগ্ৰপন্থী। দুৰ্ভাগ্যজনক ভাৱে আছাম ৰাইফলছৰ ভয়ত সীমান্তৰ বহু গাঁৱত পুৰুষসকলে খেতি-পথাৰত যাবলৈও এৰিছে। জম্মু-কাশ্মীৰক বাদ দিলে তুলনামূলকভাৱে 'আফস্পা'ৰ কুফল আটাইতকৈ বেছি নগাসকলেই ভোগ কৰি আহিছে। কাৰণ নগাসকল উত্তৰ-পূবৰ ছিকিম, ত্ৰিপুৰা আৰু মেঘালয়ক বাদ দিলে, বাকী সকলো ৰাজ্যৰ আন্তঃৰাজ্যিক আৰু আন্তঃৰাষ্ট্ৰীয় সীমান্তত বিস্তৃত হৈ আছে। তাৰেই পৰিণতিত, ভাৰত ৰাষ্ট্ৰৰ বিৰুদ্ধে নগা সকলেই আটাইতকৈ দীঘলীয়া সশস্ত্ৰ আৰু ৰক্তাক্ত পৰিক্ৰমা চলাই আহিছে।

আন এটা প্ৰসংগ উল্লেখ কৰাটো অতি দৰকাৰী অনুভৱ কৰিছো। আফস্পা বলৱতৰ সুযোগ যে উত্তৰ-পূৰ্বাঞ্চলত কেৱল আছাম ৰাইফলছে গ্ৰহণ কৰি আহিছে তেনে নহয়। সম্প্ৰতি আন্তঃৰাষ্ট্ৰীয়, আন্তঃৰাজ্যিক সীমান্ত অঞ্চলসমূহত উন্নয়নৰ ধাৰা প্ৰায় স্তব্ধ। তাৰ অৰ্থ এইটো নহয় যে পুঁজিৰ আবন্টন নহয়। কেন্দ্ৰ অথবা ৰাজ্য চৰকাৰসমূহৰ পৰা বিভিন্ন আঁচনিৰ নামত পুঁজিৰ যোগান কোনো কাৰণতে কম নহয়, কিন্তু সেইবোৰৰ ৰূপায়ণৰ নামত ঠিকাদাৰ, আমোলা, স্থানীয় বিধায়ক, সাংসদসকলৰ পৰা আৰম্ভ কৰি উগ্ৰপন্থী সংগঠনলৈ পুঁজিৰ সমবিতৰণ হয়। স্থানীয় সীমান্তবাসীৰ অভিযোগ, কাম নকৰাকৈ কোটি কোটি টকা আত্মসাৎ কৰা প্ৰকল্পৰ সম্পৰ্কত অভিযোগ দি সংশ্লিষ্ট কৰ্তৃপক্ষক পৰ্যবেক্ষণৰ অনুৰোধ জনালে উত্তৰ লাভ কৰে নিৰাপত্তাৰ অভাৱ। উগ্ৰপন্থীৰ ভয়। অশান্ত অঞ্চল। আছাম ৰাইফলছেও নিৰাপত্তা দিব নোৱাৰে ইত্যাদি ইত্যাদি। গতিকে সীমান্ত অঞ্চল উন্নয়ন আঁচনিসমূহো বগাহাতীত পৰিণত হয়। কেন্দ্ৰীয় তথা ৰাজ্য চৰকাৰৰ আঁচনিৰ ৰূপায়ণ কাগজত আৰু পুঁজি জেপত। এসময়ত অৰুণাচল চৰকাৰে কেৱল সীমান্ত অঞ্চল উন্নয়নৰ স্বাৰ্থত টিৰাপ, চাংলাং, আৰু লংডিঙৰ বাবে সুকীয়া উন্নয়ন বিভাগেই খুলি লৈছিল যাক চমুকৈ 'ডি অ' টি চি এল' নামকৰণ কৰা হৈছিল।

অৱশ্যে সেই প্ৰচেষ্টাও আজি পংগু বুলি ক'লেও ভুল নহ'ব। গতিকে আফস্পাৰ অপপ্ৰয়োগ কেৱল আছাম ৰাইফলছেই কৰি আহিছে তেনে নহয়, স্থানীয় ঠিকাদাৰ, বিধায়ক, আমোলাকে ধৰি শাসক পক্ষৰ লগত জড়িতসকলেও দশকৰ পাছত দশক ধৰি আৰ্থিকভাৱে সীমান্তবাসীসকলৰ জীৱন-জীৱিকা আৰু ভৱিষ্যৎ নিঃশেষ কৰি আহিছে। এই কথা দোহৰাৰ প্ৰয়োজন নাই যে উত্তৰ-পূৰ্বাঞ্চলৰ বিভিন্ন উগ্ৰপন্থী দলসমূহৰ বাবেও চৰকাৰী আঁচনিৰ ধন, তেওঁলোকৰ পুঁজি সংগ্ৰহৰ অন্যতম উৎস।


গতিকে এটা কথা স্পষ্ট যে ভাৰত-ম্যানমাৰ সীমান্ত পূবৰ পৰা পশ্চিমলৈ বিস্তৃত হৈ থকা নগাসকলক বিশ্বাসত ল'ব নোৱাৰিলে 'এক্ট ইষ্ট পলিচী' ৰূপায়ণৰ ক্ষেত্ৰত ভাৰত চৰকাৰে যথেষ্ট নিৰাপত্তাজনিত প্ৰত্যাহ্বানৰ সন্মুখীন হ'ব লাগিব। কিন্তু এই মুহূৰ্তত তাতোকৈ ডাঙৰ প্ৰশ্নটো হ'ল— যোৱা চাৰি ডিচেম্বৰৰ ঘটনাৰ পাছত আফস্পা বাতিলৰ বাবে ঐক্যবদ্ধ দাবী উত্থাপন হ'বনে? এই দাবীয়ে কেন্দ্ৰীয় চৰকাৰক সৈমান কৰিবলৈ সক্ষম হ'বনে? আমাৰ সন্দেহ, বিফল হ'ব। কিয়নো আফস্পা বলৱৎ হোৱাৰ অন্তৰালত কেৱল কেন্দ্ৰীয় চৰকাৰৰে স্বাৰ্থ জড়িত হৈ থকা নাই; জড়িত হৈ আছে উগ্ৰপন্থীৰ পুঁজি সংগ্ৰহৰ স্বাৰ্থ, ঠিকাদাৰ, আমোলা, স্থানীয় বিধায়ক, সাংসদ আদিৰ দুৰ্নীতিৰ স্বাৰ্থ।

*ফোন ঃ ৬৯০১১১৬৯৪০*

# চৰণেহে জানে মৰণৰ ঠাই

## দৃষ্টান্তমূলক শাস্তিৰ জৰিয়তে অপৰাধ ৰোধিবলৈ চৰকাৰী পক্ষ অধিক সতৰ্ক হোৱাৰ লগতে সামাজিক বাতাবৰণো শুদ্ধ হ'ব লাগিব

**অৱলোকন**



**চাইৰা ইছলাম বড়া**

**মৃত্যু** এতিয়া ইমানেই সহজলভ্য যে ক'ত কেতিয়া কোনে মৃত্যুক আঁকোৱালি ল'বলগীয়া হয় তাৰ কোনো নিশ্চয়তা নোহোৱা হৈছে। ঘৰৰ পৰা ওলাই যোৱাজন সোঁশৰীৰে উভতি আহিব নে নাই, সেয়াও বৰ্তমান শংকাৰ কাৰণ। যোৱাটো মাহত মোৰ বৰদেউতাৰ ল'ৰা দাদা এজন ভুৱনেশ্বৰত কৰ্মসূত্ৰে থকা পুত্ৰৰ খবৰ লোৱাৰ উপৰি বাহিৰৰ ঠাইত কিছুদিন ফুৰাৰ উদ্দেশ্যৰে গৈছিল; কিন্তু বিধিৰ কি বিধান সম্পূৰ্ণ সুস্থ শৰীৰে ঘৰৰ পৰা ওলাই যোৱা দাদাজন ক'ভিডত আক্ৰান্ত হৈ এটা মাহ মৃত্যুৰ স'তে যুঁজ দি অৱশেষত ভেলৰৰ এখন হাস্পতালত শেষ নিশ্বাস ত্যাগ কৰিবলগীয়া হ'ল। মাথোঁ দুটা বছৰৰ আগতে অসমৰ এটা গুৰুত্বপূৰ্ণ বিভাগৰ মুখ্য অভিযন্তা পদৰ গধুৰ দায়িত্বৰ পৰা অৱসৰ লোৱাৰ পাছত পৰিয়ালসহিতে দাদাৰ বাবে এই ভ্ৰমণ খুবেই আশাব্যঞ্জক আৰু আনন্দৰ আছিল। আশা আছিল একঘেয়ামী দৈনন্দিন জীৱনৰ পৰা কিছু সময় মুকলিকৈ অতিবাহিত কৰাৰ; কিন্তু নিষ্ঠুৰ সময়ে নিৰ্দয়ভাৱে আশাবোৰ থান-বান কৰি এখন ঘৰৰ সপোনবোৰ আধৰুৱা কৰি পেলালে। যোৰহাটৰ আপোন ঘৰখনৰ পৰা ভুৱনেশ্বৰ অভিমুখে ওলাই যোৱাৰ সময়ত কাৰো মনলৈ অহা নাছিল যে এয়াই শেষ যাত্ৰা হ'ব বুলি। সেই সময়ত ক'ভিড প্ৰট'কলৰ বিধি-বিধান ৰক্ষা কৰি যোৰহাটৰ ঘৰখনলৈ মৃতদেহ অনাৰ পৰিৱৰ্তে উপায়ান্তৰ হৈ একমাত্ৰ পুত্ৰ সন্তান আৰু কিছু শুভাকাংক্ষীৰ উপস্থিতিত ভেলৰতে শেষকৃত্য সম্পন্ন কৰা হ'ল। পৰিয়ালৰ লোকসকলে অকালতে চিৰবিদায় লোৱা দাদাৰ শেষ দৰ্শনৰ পৰাও দুৰ্ভাগ্যজনকভাৱে বঞ্চিত হ'বলগীয়া হ'ল। জ্যেষ্ঠসকলে কোৱা এষাৰ কথা মনত পৰে যাৰ যি ঠাইত মৃত্যু আছে সেই ঠাইলৈ মৃত্যুয়ে অজানিতে হাতবাউলি মাতে, সঁচাকৈয়ে চৰণেহে জানে মৰণৰ ঠাই। দাদাৰ ভাগ্যতো হয়তো তেনেধৰণৰ আকস্মিক ঘটনায়েই ঘটি গ'ল। মহামাৰীৰ কবলত পৰি এনেদৰেই আৰু কিমান পৰিয়ালৰ যে সপোনবোৰ থান-বান হৈ গ'ল, সেই নিৰ্মম বেদনাৰ যন্ত্ৰণাদায়ক ঘাবোৰ আপোনজনৰ হৃদয়ত সদায়েই কেঁচা হৈয়েই ৰ'ব। অশুভ সময়ৰ কুটিল আহ্বানত ক'ভিডৰ বাবেই আপোনজনক হেৰুৱাই বহু পৰিয়ালৰ জীৱন কাললৈ বুকু সুদা হৈ ৰ'ল। শত সহস্ৰজন লোকক মহামাৰীত চিৰকাললৈ হেৰুওৱাৰ বেজাৰে অন্তৰ দহি থকাৰ সময়তে উপৰ্যুপৰি অসমত হোৱা জঘন্য অপৰাধবোৰে জনসাধাৰণক যেন নিৰাপত্তাৰ শংকাত বাৰুকৈয়ে ভোগাইছে।



মানুহৰ জীৱনৰ এতিয়া নিৰাপত্তা নোহোৱা হৈছে। অনাকাংক্ষিত কিছুমান অদ্ভুত ঘটনাই আমাক ভাবিবলৈ বাধ্য কৰিছে অসমখন এতিয়া অপৰাধীৰ মুকলি বিচৰণৰ ৰম্যভূমিলৈ পৰিণত হৈছে নেকি! দিনৰ পোহৰতে যদি মানুহৰ নিৰাপত্তা নাই, নিশাৰ আন্ধাৰত আমি কিমানদূৰ নিৰাপদ। সৌসিদিনা নৰপিশাচৰ এটা দলে উন্মাদ হৈ খেদি খেদি এজন যুৱকৰ ওপৰত জঁপিয়াই পৰিল। যুৱকজনৰ প্ৰাণ কাঢ়িবলৈ উদ্যত হৈ পৰা উন্মাদৰ দলটোৱে কাতৰ কাকুতি-মিনতিকো ভ্ৰূক্ষেপ নকৰিলে। পথৰ মাজত সংঘটিত হোৱা নাৰকীয় দৃশ্যটো দেখি পথৰুৱাই ঠাইতে তবধ মানিলে। বুকু কঁপি উঠা দৃশ্যটোৱে প্ৰত্যক্ষদৰ্শীসকলক যেন সকীয়াই গ'ল আগবাঢ়িলেই নিৰ্ঘাত মৃত্যু। উন্মাদনাৰ চৰম নিসংগতাৰ সাক্ষী হৈ ৰ'ল এচাম বাকৰুদ্ধ জনতা। চকুৰ পচাৰতে এজন উদ্যমী যুৱকৰ নিঠৰ দেহ মাথোঁ নীৰৱে প্ৰত্যক্ষ কৰি ৰ'ল মনৰ মাজত হেজাৰটা উত্তৰবিহীন প্ৰশ্ন লৈ। এই শিহৰণকাৰী চাক্ষুষ অভিজ্ঞতা তেওঁলোকে হয়তো আমৃত্যু বুকুত কঢ়িয়াই লৈ বিবেক দংশনত ভুগিব। মানুহৰ আক্ৰোশৰ বলি হৈ দিন দুপৰতে ৰাজপথত মৰিয়াই মৰিয়াই এজন সুঠাম যুৱকক মৃত্যু মুখলৈ ঠেলি দিয়া ঘটনা পৃথিৱীতেই বিৰল। এই বৰ্বৰোচিত হত্যাকাণ্ডই বিশ্ববাসীৰ আগত অসমখনকেই লজ্জানত কৰিলে। এই নিৰ্মম ঘটনাৰ ভয়াবহতাই কাললৈ নজিৰ ৰাখি গ'ল। বন্য উলাহত মত্ত হোৱা নৰপিশাচকেইটাৰ আইনগত উচিত বিচাৰৰ আশাত জনসাধাৰণ অপেক্ষাত ৰ'ব।

বৰ্তমানৰ বহুমূলীয়া প্ৰশ্নটোৱেই হ'ল অসমৰ বাতাবৰণ কলুষিত কৰা বৰ্বৰোচিত ঘটনাবোৰৰ কেতিয়া অন্ত পৰিব। অনিমেষ হত্যাৰ শিহৰণকাৰী ঘটনাৰ ভয়ানক নিষ্ঠুৰতাৰ দৃশ্যৰাজিয়ে সকলোৰে অন্তৰাত্মা কঁপাই তুলিলে, মৰ্মান্তিক ঘটনাটো সহিব নোৱাৰি সমস্বৰে দোষীকেইটাক অভিশাপ দিলে। ৰাইজৰ অভিশাপ অথলে নাযায়, পাপৰ প্ৰায়শ্চিত্ত হ'বই। অগা-পিছাকৈ সময় সকলোৰে আহে, ভগৱানৰ আদালতত কোনো সাৰি নাযায়, আৰ্জিলে ফল ভুঞ্জিব লাগিব। ইতিমধ্যে অপৰাধীকেইটাৰ মুখ্যজনে কৰ্মফল ভুগিছে। জীৱনত প্ৰথমবাৰৰ বাবে পৰিলক্ষিত হ'ল অপৰাধী এটাৰ তাৎক্ষণিক মৃত্যুত জনসাধাৰণৰ মনত দুখৰ মাজতো সুখৰ ধল বোৱাই সকলোকে ক্ষণিক আনন্দ দিয়াৰ লগতে কিছু হ'লেও সকাহ দিলে। জঘন্য অপৰাধমূলক নিকৃষ্ট ঘটনাবোৰে আমাৰ সমাজ ব্যৱস্থাৰ ওপৰত বিৰূপ প্ৰভাৱ পেলায় বাতাবৰণ কলুষিত কৰে। অসহিষ্ণু স্বভাৱৰ যুৱ মানসিকতাত উদগনি যোগায়, পাৰিপাৰ্শ্বিক পৰিৱেশ বিনষ্ট কৰে। সেয়ে দৃষ্টান্তমূলক শাস্তিৰ জৰিয়তে এনেবোৰ অপৰাধ ৰোধিবলৈ চৰকাৰী পক্ষ অধিক সতৰ্ক হোৱাৰ লগতে সামাজিক বাতাবৰণো শুদ্ধ হ'ব লাগিব।

মানৱ সমাজৰ বাবে আটাইতকৈ যন্ত্ৰণাদায়ক সত্যটোৱেই হ'ল মানুহৰ মৃত্যু। তেনেস্থলত এজন লোকৰ গণ প্ৰহাৰত তিল তিলকৈ মৃত্যু হোৱা ঘটনাৰাজিয়ে সভ্য সমাজত দুখৰ খলকনি তুলিলে। জীৱন কালত এনে অকল্পনীয় দৃশ্যৰ সন্মুখীন হ'বলৈ মানসিকভাৱে কোনো প্ৰস্তুত নাথাকে; কিন্তু কঠিন সময়ে নৰ পিশাচৰ বৰ্বৰতাৰ বীভৎস ছবি এখন চাবলৈ সকলোকে বাধ্য কৰিলে। জীৱনৰ এনেবোৰ স্পৰ্শকাতৰ সময়ত উপনীত হৈ এনেভাৱে ক্ৰিয়া কৰে যে ক্ৰমান্বয়ে আমি ব্যস্ততাৰ ধামখুমিয়াত মনৰ কোমলতাখিনি হেৰুৱাই পেলাই ৰুক্ষ হৈ পৰিছো। অকাল মৃত্যুৰ খবৰবোৰ এতিয়া নিত্যনৈমিত্তিক খবৰলৈ পৰ্যবসিত হৈ বহুক্ষেত্ৰত মানুহৰ আবেগ-অনুভূতিবোৰো যেন কোনোবাখিনিত ম্লান হৈ পৰিছে।

বৰ্তমান সময়ত জীৱশ্ৰেষ্ঠ মানুহৰ মুকলি বিচৰণতকৈ গভীৰ অৰণ্যত মুক্ত মনে বিচৰণ কৰি থকা পশু-পক্ষীবোৰেই যেন অধিক নিৰাপদ। মৃত্যু বিভীষিকাৰ উপৰি দিন দুপৰতে দুষ্টলোকে মহিলাৰ ডিঙিৰ পৰা সোণৰ চেইন আঁজুৰি নিয়া, কোনোবা অসহায় নাৰী ভদ্ৰলোকৰ মুখা পিন্ধা এচাম কামুক, লম্পট চৰিত্ৰৰ কামনাৰ বলি হোৱা, বাটে-পথে অকলশৰীয়া যুৱতী-মহিলাক অভব্য আচৰণ কৰা বৰ্তমান সহজলভ্য বাতৰি হৈ পৰিছে। আজিৰ দিনত বেছিভাগ নেতিবাচক বাতৰিৰ খবৰেহে সংবাদ জগতৰ শিৰোনামা দখল কৰে। পুৱাতেই পোৱা অমংগলীয়া খবৰবোৰে দিনটোৰ উদ্যমেই সেমেকা কৰি তোলে। মানৱ জীৱনৰ ৰংগমঞ্চত অভিনয় কৰি কৰি জীৱন নাটৰ যৱনিকা কেতিয়া পৰিব ততকে ধৰিব নোৱাৰি। হঠাতে জীৱনলৈ অমানিশা নামি আহি সপোনবোৰ আধৰুৱা হৈ পৰিলে অতৃপ্ত মনবোৰে যেন চিৎকাৰ কৰি উঠে। উম্ম উশাহ-নিশাহবোৰ চেঁচা পৰি কেতিয়ানো শৰীৰটো নিঠৰ দেহ হৈ পৰিব পাৰে, তাৰ কোনো নিশ্চয়তা নোহোৱা হ'ল। মৃত্যু চিৰন্তন সত্য হ'লেও কাৰোৰেই কাম্য নহয়। অকাল মৃত্যু তীব্ৰ যন্ত্ৰণাদায়ক, অসহনীয়। ভুক্তভোগী পৰিয়ালৰ লোকসকলেহে অনুভৱ কৰে আপোনজনক হেৰুৱাবলগীয়া হোৱাৰ মৰ্মান্তিক বেদনা। বৰ্তমান পৰিস্থিতিত মৃত্যু তেনেই সহজলভ্য। আমাৰ চৌদিশে যেন মৃত্যুৰ কিৰীলি। নিৰাপত্তাজনিত অজান আশংকাত বুকু দুৰু দুৰু কঁপে। অসম মুলুকতে সঘনাই সংঘটিত হ'ব ধৰা অমানৱীয় বীভৎস ঘটনাবোৰে কেনে ভৱিষ্যতৰ ইংগিত বহন কৰিছে! নিৰপৰাধী লোক এজনক দিনদুপৰতে অজস্ৰ প্ৰত্যক্ষদৰ্শীৰ চকুৰ আগতে ৰাজপথত মৰিয়াই হত্যা কৰা ঘটনাৰাজিয়ে অৱশ্যেই ভদ্ৰ সমাজৰ প্ৰতি ভাবুকি কঢ়িয়াই আনিছে। এজন সুঠাম ডেকাই যদি এনেদৰে পাশৱিক অত্যাচাৰৰ বলি হৈ অকাল মৃত্যুক সাবটি ল'বলগীয়া অসহায় অৱস্থা হয়, তেন্তে সাধাৰণ মানুহৰ জীৱনৰ ভৰসা ক'ত? কোনে ক'ত কেতিয়া অকাল মৃত্যুক সাবটি ল'বলগীয়া হয় কোনেও নাজানে। মৃত্যু আছে বাবেই জীৱনৰ প্ৰতি মোহ বেছি।। সকলোৰে মনত এতিয়া এটায়ে প্ৰশ্ন— মহামাৰীতকৈও ভয়াবহ এই গণ উন্মাদনাৰ শেষ ক'ত আৰু কিমান পৰিয়ালৰ বুকু সুদা হ'বলৈ বাকী আছে। ভয়াবহ মহামাৰীৰ অক্টোপাছৰ পৰা নিজকে বিপদমুক্ত কৰি ৰাখি নৃশংসভাৱে গণ উন্মাদনাৰ বলি হৈ মৃত্যুবৰণ কৰিবলগীয়া হোৱাটো কোনো কাৰণতেই মানি ল'ব নোৱাৰি। ধিক্ এই পশুতুল্য পাষণ্ডবোৰ। সময় এতিয়া বৰ কঠিন, মানুহৰ মাজতেই মানুহৰ নিৰাপত্তা নাই। খোজে প্ৰতি যেন মৃত্যু ভয়ে খেদি ফুৰে। উপকাৰীক অজগৰে খোৱাৰ দৰে আনক বিপদৰ পৰা উদ্ধাৰ কৰিবলৈ গ'লেও নিজৰেই বিপদৰ আশংকা বেছি। ইমানৰ পিছতো আমি সকলোৱে সতৰ্ক নহ'লে অনাকাংক্ষিত বিপদৰ বলি হোৱাৰ সম্ভাৱনাই অধিক। আমি আশা কৰিম এনেধৰণৰ গণ উন্মাদনাৰ বলি যাতে আৰু দ্বিতীয় এজন অনিমেষ নহওক। এই চেগতে অনিমেষৰ আত্মাৰ সদ্গতি কামনাৰে একাঁজলি পুষ্পাঞ্জলি অৰ্পণ কৰিলো।

ফোন ঃ ৯১০১৫১৭৮৪৭

দৈনিক অগ্ৰদূত
গুৱাহাটী, ৯ ডিচেম্বৰ বৃহস্পতিবাৰ, ২০২১ পৃষ্ঠা ৫



# ধৰ্ম, সংখ্যালঘু আৰু বিভেদ

## ছানিয়াৰা খান

**এইটো** এটা বৰ জটিল আৰু চাবলৈ গ'লে বৰ সহজ প্ৰশ্নও হ'ব পাৰে যে ধৰ্ম মানুহৰ ভিতৰত বাস কৰে নে বাহিৰত? এই প্ৰশ্নৰ লগতেই আৰু এটা প্ৰশ্ন উঠে যে ধৰ্মই মানুহক বনায় নে মানুহে ধৰ্মক বনায়। কিছু সময়ৰ আগতে ছ'চিয়েল মিডিয়াত এটা কাহিনী পঢ়িলো। সুন্দৰ সাক্ষাৎকাৰৰ কাহিনী। এই কাহিনীৰ বিষয়ে জনাটো এইবাবেও দৰকাৰী যে ইয়াৰ দ্বাৰাই উক্ত প্ৰশ্নবোৰৰ উত্তৰ হয়তো বিচাৰি পোৱা যাব পাৰে। এগৰাকী বৌদ্ধ সন্তক কোনোবা এজন সাংবাদিকে প্ৰশ্ন কৰিলে যে যদি কোনোবাই তেওঁলোকৰ পৱিত্ৰ ধৰ্মগ্ৰন্থ ট্ৰিপিটকক ফালি শৌচালয়ৰ কম'ডত পেলাই দিয়ে, তেনেহ'লে তেওঁ কি কৰিব? সন্তগৰাকীয়ে উত্তৰ দিলে যে তেওঁ অতি সোনকালে এজন প্লাম্বাৰক ফোন কৰিব। শৌচালয়ৰ পাইপ-চাফা নকৰিলে দিগদাৰী হ'ব। অপ্ৰত্যাশিত উত্তৰ শুনি সাংবাদিকজনে হাঁহি দিলে। তেওঁ দ্বিতীয় প্ৰশ্ন কৰিলে যে বামিয়ানত বৌদ্ধ প্ৰতিমা নষ্ট কৰি দিয়া হৈছে। এই বিষয় লৈ তেওঁ কিবা ক'ব বিচাৰে নেকি? এইবাৰ সন্তগৰাকীয়ে উত্তৰ দিলে যে প্ৰতিমা আৰু গ্ৰন্থৰ ভিতৰত ধৰ্ম নাথাকে। ধৰ্ম আমাৰ অন্তৰত আৰু ব্যৱহাৰতহে থাকে। সঁচা কথা। ধৰ্মৰ দ্বাৰা অন্তৰাত্মাক শুদ্ধ ৰাখিব পৰা মানুহে প্ৰতিমা আৰু গ্ৰন্থৰ লগত ধৰ্মক কেতিয়াও এনেদৰে জড়িত নকৰে যে ধৰ্মক বচাবৰ নামত হত্যাৰ সহায় লয়। অন্তৰত ধৰ্মৰ বাস হ'লে গ্ৰন্থ আৰু প্ৰতিমাক নষ্ট কৰিও কোনেও ধৰ্মক নষ্ট কৰিব নোৱাৰে। ধৰ্ম তেতিয়াহে নষ্ট হয় যেতিয়া ধৰ্মৰ নামত ঘৃণা আৰু হত্যাৰ খেল আৰম্ভ হয়। ধাৰ্মিক চিহ্নবিলাকেই ধৰ্ম বুলি মানি চলিলে এনেকুৱা ভুল হয়। সেই বৌদ্ধ সন্ত আৰু সাংবাদিকজনৰ সাক্ষাৎকাৰে সঁচাকৈ সকলো ধৰ্মৰ মানুহক এটা কথা বুজাবৰ চেষ্টা কৰিলে যে যিদিনা প্ৰতিটো সমাজে ধৰ্মক বাহ্যিক আবৰণ নাভাবি অন্তৰাত্মাৰ গভীৰৰ পৰা ওলোৱা এটা বিশেষ শক্তি বুলি মানিব, সিদিনাৰ পৰাই দুষ্ট কোনো মানুহে মন্দিৰত গো-মাংস আৰু মছজিদত গাহৰিৰ মাংস নাৰাখিব। কোৰান, বাইবেল, গীত আৰু গুৰুগ্ৰন্থৰো অপমান কৰা নহ'ব। যিদিনা সমাজে ধাৰ্মিক চিনৰূপী বস্তুবোৰ আৰু ধৰ্মৰ

> **যিদিনা সমাজে ধাৰ্মিক চিনৰূপী বস্তুবোৰ আৰু ধৰ্মৰ মাজৰ পাৰ্থক্যক দ' কৈ বুজি পাব, সিদিনাৰ পৰাই অশান্তিপ্ৰেমী মানুহৰ ছলনাও নচলিব। আৰু তেতিয়া তেওঁলোকৰ দ্বাৰা বিভেদকামী দল আৰু ৰাজনীতিয়েও মুনাফা লুটিব নোৱাৰিব**

মাজৰ পাৰ্থক্যক দ' কৈ বুজি পাব, সিদিনাৰ পৰাই অশান্তিপ্ৰেমী মানুহৰ ছলনাও নচলিব। আৰু তেতিয়া তেওঁলোকৰ দ্বাৰা বিভেদকামী দল আৰু ৰাজনীতিয়েও মুনাফা লুটিব নোৱাৰিব।

বেছিভাগ দেশতেই বিভেদ ভৰা মানসিকতাই সংখ্যালঘুসকলক অপমান কৰিবৰ বাবে বিভিন্ন ধৰণৰ পৰিকল্পনা কৰে। বাংলাদেশত এজন মুছলমানেই হিংসা আৰম্ভ কৰিবৰ উদ্দেশ্যে লৈ পূজাৰ মণ্ডপত কোৰান থৈ দিছিল। কিছুদিনৰ আগতে নিসংগ শিখ বৰ্গৰ কিছুমান মানুহে এজন মানুহক পাশৱিক ধৰণে হত্যা কৰিছিল। তেওঁলোকৰ অভিযোগ আছিল যে সেই মানুহজনে তেওঁলোকৰ ধৰ্মগ্ৰন্থ আৰু গুৰুক অপমান কৰিছিল। ফ্ৰাঞ্চৰ 'চাৰ্লি হেব্দো' পত্ৰিকাই এবাৰ ইছলাম ধৰ্মৰ ওপৰত কাৰ্টুন বনাই সন্ত্ৰাসবাদী আক্ৰমণৰ সন্মুখীন হৈছিল। তাৰ পাছত কৰ'না কালত হিন্দু ধৰ্মৰ দেৱী- দেৱতাক লৈও ব্যংগ কৰিছিল। কিন্তু এই কথা প্ৰত্যেক ধৰ্মই বুজায় যে প্ৰকৃত ধৰ্মক কোনেও অপমান কৰিবই নোৱাৰে। কেৱল ধৰ্মই নহয়, জাতি, সম্প্ৰদায়, লিংগ আৰু ৰঙৰ সংখ্যালঘু শ্ৰেণীৰ লগতো সমাজৰ বহু সংখ্যক বৰ্গৰ লগতো সমাজৰ বহু সংখ্যক বৰ্গৰ অত্যাচাৰ চলে। অলিম্পিক খেলৰ সময়তো হাৰি যোৱাৰ পাছতো আমাৰ মহিলা হকী খেলুৱৈ বন্দনা কাটাৰিয়াৰ ঘৰৰ সন্মুখত গৈ কিছুমান মানুহে অপশব্দ ব্যৱহাৰ কৰি কৈছিল যে নীচ জাতিৰ খেলুৱৈ দলত আছে বাবেই দল হাৰিছে। এই মানুহবোৰে এই কথাও কৈছিল যে সকলো ধৰণৰ খেলত কোনো দলিত আৰু বঞ্চিত জাতিৰ খেলুৱৈক লোৱাটো উচিত নহ'ব। আৰু এটা খবৰে আমাক ভয় খুৱায় যে লাভলীনা বৰগোহাঁই যেতিয়া দেশৰ বাবে পদক জয়ৰ বাবে খেলি আছিল, তেতিয়া বহুতেই গুগলত তেওঁৰ জাতিৰ বিষয়ে জানিবৰ চেষ্টা কৰি আছিল। এইটো সঁচাকৈ ভয় খাবলগীয়া কথা যে আজিও আমি জাতি ধৰ্মৰ বাহিৰে একো নাভাবো। এই বাবেইতো আমাৰ দেশ আৰু পাকিস্তানৰ মাজত হোৱা এখন ক্ৰিকেট খেলতো কিছুমান বিকৃত মানসিকতাৰ মানুহে ধৰ্মক টানি আনিবৰ চেষ্টা কৰি ক্ৰিকেটৰ ছামিক গদ্দাৰ আৰু পাকিস্তানী বুলি কৈ কটাক্ষ কৰিছিল। এয়া গণতন্ত্ৰ নহয়। হাৰি যোৱাৰ পাছত আমাৰ বিৰাট কোহলিয়ে পাকিস্তানী কেপ্টেইনৰ লগত যি ধৰণে ব্যৱহাৰ কৰিলে, সেই ব্যৱহাৰহে গণতন্ত্ৰৰ প্ৰকৃত পৰিচয়।

চৌদিশে ইমান ঘৃণা দেখাৰ পাছতো আমি হতাশ নহৈ আশা ৰাখি চলিব লাগিব। আমাৰ মনত আশাৰ উদয় হোৱাৰ কাৰণো আছে। বাংলাদেশত সংখ্যালঘুৰ ওপৰত হোৱা অত্যাচাৰৰ বাবে সংখ্যাগৰিষ্ঠ শ্ৰেণীৰ যুৱ-ছাত্ৰ আৰু অন্য বহুতো মানুহে সংখ্যালঘুসকলক সহায় কৰিবলৈ আগবাঢ়ি আহিছে। ভাৰততো বহুতো মানুহে এনেকুৱা অন্যায়ৰ বিৰুদ্ধে মাত মাতে। আজি আফগানিস্তানতো তালিবানী অন্যায়ৰ মুখামুখি হৈ আফগানিস্তানৰেই বহুতো মহিলাই মাত মাতিবৰ সাহস কৰি আছে আৰু মৰিও আছে। আমেৰিকাতো যেতিয়া কৃষ্ণ বৰ্ণৰ ওপৰত অন্যায় হয়, তেতিয়া কৃষ্ণবৰ্ণৰ লগত অসংখ্য শ্বেতাংগ মানুহেও বাটত ওলাই আহি আন্দোলন কৰে। এয়াইতো মানৱতা। প্ৰকৃত মানৱতাই জাতি, ধৰ্ম, ৰং আদিৰ বিবিধতাক লৈ আগ্ৰাসী নহয়, বৰঞ্চ এই বিবিতাক পাৰস্পৰিক মৰমেৰে জীৱিত ৰাখিবৰ বাবে কাম কৰে। এই কথাষাৰ আমি সদায় মনত ৰাখিব লাগিব যে প্ৰত্যেক ধৰ্মৰ ঘৃণাৰ পথত চলা মানুহবোৰে ৰক্ত পছন্দ কৰে আৰু শান্তিৰ পথত চলা মানুহবোৰে মানৱতাক পছন্দ কৰে।

*ফোন : ৯৯২৬১৪৮৩৮৫*

# হত্যা-হিংসা-অসহিষ্ণুতাৰ মাজত বন্দী আজি মানৱতা

## উৎপত্তিস্থল হ'ল আমাৰ ঘৰ, সমাজ, সমাজত প্ৰচলিত নীতি-পৰম্পৰা আৰু পৰিৱেশ

কিমান নৃশংস হ'লে এজন মানুহে আন এজনক মৰিয়াই মৰিয়াই হত্যা কৰিব পাৰে? এই নৃশংসতাৰ শেষ কেতিয়া হ'ব? হিংসা-হত্যা আৰু নিষ্ঠুৰতাৰ অন্ত পৰি কেতিয়া? নাৰী নিৰ্যাতন, শোষণ আৰু ধৰ্ষণ কেতিয়া বন্ধ হ'ব? নে কেতিয়াও বন্ধ নহ'ব?

এনেকুৱা প্ৰশ্ন সময়ে সময়ে সকলো সমাজতে সততে উত্থাপিত হৈ আহিছে যদিও ইয়াৰ সদুত্তৰ কাৰো হাতত নাই। নাই এই কাৰণেই যে সকলো দেশৰে সকলো সমাজতে দুষ্ট চক্ৰ এটা সদায় সক্ৰিয় হৈ থাকে। এই দুষ্ট চক্ৰটোক পোহপাল দিয়ে ৰাজনৈতিক নেতাবোৰে। তেওঁলোকক উৎসাহ-উদ্দীপনা দি থাকে ধৰ্মীয় গুৰুসকলে নিজৰ স্বাৰ্থৰ খাতিৰত। আন এটা অপৰাধী শক্তি আছে যিটো বিকাৰগ্ৰস্ত ঘৰ বা সমাজ এখনতে সাৰ পানী পাই ডাঙৰ দীঘল হয়, যিবোৰক কৈশোৰ কালতে অপৰাধ শক্তি আছে যিটো বিকাৰগ্ৰস্ত ঘৰ বা সমাজ এখনতে সাৰ-পানী পাই ডাঙৰ-দীঘল হয়, যিবোৰক কৈশোৰ কালতে অপৰাধ প্ৰৱণতাই হেঁচা মাৰি ধৰে।

এটা কথা নক'লেও হয় যে বীজৰ বাবে ৰখা গুটিবোৰ যদি ভাল নহয় তাৰ পৰা উৎপন্ন হোৱা শস্য ভাল হ'ব ক'ৰ পৰা? এখন ঘৰ, এটা পৰিয়াল বা এখন সমাজ যদি হয় কু-সংস্কাৰাচ্ছন্ন, অন্ধবিশ্বাসী আৰু মানসিকভাৱে বিকাৰগ্ৰস্ত সেই পৰিয়াল বা সমাজৰ লোকবোৰো তেনেকুৱাই হ'ব। যি পৰিৱেশত ল'ৰা-ছোৱালী ডাঙৰ-দীঘল হয় সেই পৰিৱেশৰ প্ৰভাৱ তেওঁলোকৰ ওপৰত পৰিবই নিশ্চয়। মানুহৰ অন্তৰ আৰু মন-মগজুত জীৱনকাল থাকি যাব তাৰ সু বা কু-প্ৰভাৱ।

অৱশ্যে সকলো কাৰ্যৰ কাৰণ থাকে। হিংসা, হত্যা, ধৰ্ষণ, নৃশংসতা, অসহিষ্ণুতা আদিৰো কাৰণ থাকিবই। এই কাৰণবোৰৰ উৎপত্তিস্থল হ'ল আমাৰ ঘৰ, সমাজ, সমাজত প্ৰচলিত নীতি-পৰম্পৰা আৰু পৰিৱেশ। এনেকুৱা পৰিৱেশত থাকি কোনো মানুহৰ অন্তৰত যদি মানৱীয় গুণ সঞ্চিত নহয় নতুবা তাৰ অনুশীলন নকৰে তেন্তে নৃশংসতা তেওঁৰ কাৰণে সাধাৰণ কথা হৈ পৰে। মানৱতীয়তা, সহৃদয়তা আৰু প্ৰেমভাৱ যদি হৃদয়ত সৰু কালতে সংস্থাপিত নহয় তেতিয়া হিংসা, ঈৰ্ষা, নিষ্ঠুৰতাকে আশ্ৰয় কৰি লয় বহুতে। তাৰ দ্বাৰা কিছুমানে বিকৃত আনন্দ উপভোগো কৰে, কাৰণ তেজৰ নিচাই মানুহক আদিম যুগৰ পৰা আমি পৰ্যন্ত লগ এৰা নাই। আমি নিজেও সেই নিচাক মনৰ পৰা দূৰ কৰিব খোজা নাই। নাই এই কাৰণেই যে মানৱীয় মূল্যবোধক আমি অকণো মূল্য দিব খোজা নাই।

সততা, সাধুতা, ন্যায়-নিষ্ঠা আদিক আজিৰ ভোগবাদী অৰ্থনীতিত অভ্যস্ত প্ৰায়বোৰ মানুহে প্ৰশ্ৰয় দিব নোখোজে। সেইবোৰক মানুহৰ দুৰ্বলতা বুলিহে জ্ঞান কৰে এটা বৃহৎ চামে। আন এটা চামে ভাৱে হিংসা হতএগ, নিষ্ঠুৰতাৰ দ্বাৰা আহে ক্ষমতা। ৰাজনৈতিক ক্ষমতা অৰ্জন কৰিব পৰাটোহে প্ৰকৃত বীৰত্বৰ কথা। বীৰৰ গুণ নৃশংসততে ফুটি উঠে বুলি অশিক্ষা-অজ্ঞানীয়ে জ্ঞান কৰি আহিছে ৰাজনৈতিক নেতাৰ কৰ্ম-কাণ্ড আৰু উত্থান লক্ষ্য কৰি।

হিটলাৰৰ বীৰত্ব ইহুদি নিধনত। জাৰ্মান চেঞ্চেলাৰ বিছমাৰ্কৰ বীৰত্ব জীৱনজোৰা যুদ্ধ-বিগ্ৰহ আৰু নৰহত্যাত। লক্ষ লক্ষ নিৰপৰাধীক হত্যা কৰা ষ্টেলিনৰ বীৰত্ব আছিল তেজৰ খেল খেলাত। তেনেদৰে আলফা, আইছিছ, তালিবান আদিয়ে বীৰত্ব দেখুৱাই আহিছে নৰসংহাৰেৰে। হিংসা-হত্যা আৰু ধ্বংসাত্মক কাৰ্য সাধিত কৰাই হৈছে তেওঁলোকৰ কৰ্ম, ধৰ্ম আৰু পেছা। তাতেই নিচা। ক্ষমতা, অৰ্থ আৰু সুন্দৰী ৰমণী লাভৰ নিচাত সকলো মাতাল।

এটা কথা ক'বই লাগিব যে স্বাৰ্থপৰতা, ক্ৰূৰতা আৰু নিষ্ঠুৰতাই দিনৰ পোহৰক অন্ধকাৰত পৰিণত কৰে। ক্ৰুদ্ধ লোকৰ আক্ৰোশ, হতাশা আৰু হীনমন্যতাক হিংসা-হত্যা বা প্ৰতিশোধৰ দ্বাৰা দূৰ কৰিব খোজা হয়। ক'ব গ'লে নিষ্ঠুৰতা এক ধৰণৰ প্ৰবৃত্তি। জিঘাংসা প্ৰবৃত্তি মানুহৰ অন্তৰত থকাৰ কাৰণে আনৰ দুখ, বিপৰ্যয় আৰু শোচনীয় অৱস্থা দেখিলে মানুহে দুখ পোৱাৰ পৰিবৰ্তে আনন্দহে পাই বুলি ৰুছোৱে কৈয়ে গৈছে।

আৱেগৰ উন্মাদনা, ধৰ্মীয় উন্মাদনা, ৰাজনৈতিক উন্মাদনা, ক্ষমতা লাভৰ উন্মাদনা আদিৰ প্ৰতি মানুহে অতি সহজে নতি স্বীকাৰ কৰাটো মানুহৰ সহজাত প্ৰবৃত্তি। এই সুযোগ গ্ৰহণ কৰি কামত লগাই ধৰ্মীয় আৰু ৰাজনৈতিক নেতাই। ৰাজনৈতিক নেতাবোৰৰ এটা প্ৰধান উদ্দেশ্য হ'ল সমাজৰ অতি নিম্নখাপৰ লোক বা শ্ৰেণীটোক সদায় চৰকাৰ বা দল নিৰ্ভৰশীল কৰি ৰখা। নিচাযুক্ত দ্ৰব্য, কানি, মদ-ভাং, ড্ৰাগছ আদিত



### আছুতীয়া চিন্তা
### জয়কান্ত শৰ্মা (কনিষ্ঠ)

সদায় আসক্ত কৰি দুৰ্বলচেতীয়া আৰু সোৰোপা শ্ৰেণী এটা সমাজত বৰ্তাই ৰাখি ভোট বেংক মজবুত কৰা। নিচাগ্ৰস্ত এই শ্ৰেণীটোৰ বিচাৰ-বিবেচনা, জ্ঞান-বুদ্ধি ক্ৰমে লোপ পাই আহে। তেওঁলোকে অতি সাধাৰণ কথাতে কাজিয়াত লিপ্ত হয়। হত্যা-ধৰ্ষণ কিম্বা নৃশংস হ'বলৈ কুণ্ঠাবোধ নকৰে স্নায়বিক উত্তেজনাৰ তাড়নাতে। মানুহৰ পৰা অৱনমিত হৈ ইতৰ পৰ্যায় পোৱা তেনে লোকৰ সংযমতা, বিচাৰ-বিবেচনা বুলি কোনো কথা নাথাকে। সাধাৰণ শু-সূত্ৰ এটা পালেই তাৰ ওপৰত জঁপিয়াই পৰে।

এনেকুৱা ইতৰ পৰ্যায় পোৱা লোকবোৰে আন মানুহ, জীৱ-জন্তু আনকি নিজৰ পিতৃ-মাতৃৰো মূল্য অলপো নুবুজে। আনৰ মূল্য বা গুৰুত্ব বুজা জোখাৰে তেওঁলোকৰো নিজৰ মূল্য আৰু সমাজত গুৰুত্ব নাথাকে। সেই কাৰণেই আন মানুহৰ মূল্যাংকন কৰাত বাবে বাবে ব্যৰ্থ হয় আৰু অঘটন ঘটায়।

স্বামী বিবেকানন্দই কৈছে যে আন মানুহৰ সুখ-দুখ, বিষাদ-বেদনা আৰু লাভ-লোকচানক যিয়ে নিজৰ বুলি চিন্তা কৰিব পাৰে তেওঁকেই মানুহ বোলা হয়। স্বামীজীৰ মানুহৰ সংজ্ঞা অনুসৰণ কৰি ছমাহ ধৰি ঘূৰি ফুৰি ছখন ৰাজ্য চলাথ কৰিলেও সম্ভৱত এজনো আচল মানুহ আমি বিপচাৰি নাপাম। পালেও তাৰ সংখ্যাটো হ'ব তেনেই ক্ষুদ্ৰ।



আকৌ ক'ব খুজিছো যে যিটো পৰিয়াল বা যিখন সমাজ তেনেই পয়ালগা, ক্ষয়িষ্ণু আৰু ধ্বংসমুখী, শিক্ষা-সংস্কৃতিৰ পোহৰ নপৰা তেনে পৰিয়াল বা সমাজৰ পৰা ওলাই অহা লোক এজনে জ্ঞানীজনক সন্মান কৰাৰ পৰিৱৰ্তে ঠাট্টা-মস্কৰাহে কৰিব। তেনে লোকে গুণীৰ গুণ-গান কৰিবতো নোৱাৰেই বৰং সমালাচনাৰ চুৰিৰে হানি-খুঁচি মাৰিবহে খোজে তেওঁক। উপকাৰীৰ উপকাৰত কৃতজ্ঞতা প্ৰকাশ কৰাৰ মানসিকতা দুষ্ট বুদ্ধিৰ নাথাকে। অকৃতজ্ঞ, খাই পাত চিৰা লোক তেনে সমাজত থাকে বহুত। ঠগ-প্ৰৱঞ্চক, চল-চাতুৰি কৰা মানুহ পোৱা হ'ব অনেক। অনেক থাকিব চোৰ-ডকাইত, হত্যাকাৰী, পকেটমাৰ আৰু বহুত।

এখন চিন্তাৰ বিকাৰগ্ৰস্ত সমাজৰ বিষাক্ত বাতাবৰণত ডাঙৰ দীঘল হোৱা মানুহৰ মন-মগজু বিকাৰগ্ৰস্ত হোৱাই স্বাভাৱিক। চিন্তাৰ বিকাৰগ্ৰস্ত, বিচাৰ-বিবেকহীন লোক এজনৰ ভাল-বেয়া, শুভাশুভ জ্ঞান থাকিব পাৰে বুলি ভবাটোৱেই অবান্তৰ। তেওঁক শিকাই-বুজাই বা শিক্ষা-জ্ঞান প্ৰদান কৰিব খোজা প্ৰচেষ্টাও হ'ব পাৰে অমূলক, কাৰণ যি মানুহৰ অনুভৱ শক্তি নাই আৰু অনুতাপত দগ্ধ নহয় বা হ'ব নোৱাৰে তেনে মানুহৰ শিক্ষা ক্ষমতা শূন্যৰ ঘৰত থাকে। শিক্ষা-জ্ঞান-অভিজ্ঞতা আয়ত্ব কৰাৰ বাবে তেওঁৰ মতলবো নাথাকে। মইমতালি, মতলবি আৰু আঁকোৰগোজ ধৰণৰ লোকে দোষ বা অপৰাধ কৰিও তাক স্বীকাৰ নকৰে। কাকো কেৰেপ নকৰা বিধৰ হয় গোৱাৰ গোবিন্দ।

আচলতে অপৰাধী বিবেকৰ চাবুকৰ কোব খাই বিবেকবান ব্যক্তিয়েহে। যিবোৰ মানুহ সকলো সময়তে— উন্মাদ-উন্মত্ত হৈ থাকে; বিচাৰ-বিবেচনাৰ কোনো দিন কচৰৎ নকৰে; মানৱতা বুলি কোনো ভাৱ-অনুভূতি তেওঁৰ অন্তৰত অনুভূত নহয় তেনে ব্যক্তিয়ে বিবেকৰ চাবুকৰ কোব খোৱাৰ প্ৰশ্নই উঠিব নোৱাৰে।

প্ৰথমে নিজক ভাল পোৱা। নিজক ভাল পোৱা মানুহে আনক দুখ-কষ্ট দিব নোৱাৰে। বুদ্ধদেৱৰ এই মহান বাণীয়ে হৈছে মানৱতাৰ কাৰণে সোণৰ খনি। মদাসক্ত, ড্ৰাগছ আদি বস্তুত নিচাগ্ৰস্ত মানুহ মাত্ৰে খং-ৰাগ বেছি। আকৌ বিহ্বল। স্নায়বিক উন্মাদনাই তেওঁলোকক অস্থিৰ-অশান্ত কৰি ৰাখে সকলো সময়তে। তেওঁলোকৰ উচিত বা অনুচিত বুলি পাৰ্থক্য নিৰ্ণয় কৰাৰ ক্ষমতা নাথাকে। আত্মবিশ্বাস বুলিও কোনো কথা তেওঁলোকৰ ক্ষেত্ৰত থকাতো বিশ্বাসৰ বাহিৰত। কথা আৰু কামৰ ক্ষেত্ৰতো লক্ষ্যণীয় বিসংগতি দেখা যায়।

দৰাচলতে নিজৰ ওপৰত আস্থা, বিশ্বাস আৰু ভৰসা একেবাৰে নথকা লোকবোৰে নিজক ভাল পাব লাগে বুলিও নাভাবে বা নাজানে। হতোদ্দমৰ চিকাৰ হোৱাই অকল নহয় তেওঁলোকে আত্মবিলুপ্তিৰো চিকাৰ হয়। নিজে নিজৰ স্থান, মান আৰু অস্তিত্ব এখন এমাজত থাকিব পাৰে নতুবা থাকিব লাগে বুলিও ভাবিব নোৱাৰে।

বৰ্তমান সময়ৰ ঐহিক ভোগ-বিলাস আৰু অৰ্থ প্ৰাপ্তিৰ চিন্তাই মানুহৰ মনত যেতিয়া প্ৰাধান্য লাভ কৰি থাকে; সুখ সমুদ্ৰত বুৰি থাকিবলৈ শান্ত সাগৰৰ সন্ধানত থাকে; সম্পদৰ পাহাৰ গঢ়া বাসনাই মনৰ মাজত যেতিয়া ক্ৰিয়া কৰি থাকে তেনে মুহূৰ্তত আনৰ পৰা অহা হকা-বাধা, বিৰোধ বা প্ৰতিৰোধ সহ্য কৰাৰ ধৈৰ্য নাথাকে। তেনেকুৱা বাধা, বিৰোধৰ প্ৰত্যোত্তৰ দিয়ে হিংসা-হত্যাৰে সিও দিনৰ পোহৰতে মুঠতে স্বাৰ্থ সিদ্ধিৰ পথত বাধা হৈ দেখা দিয়া; বৃহৎ উদ্দেশ্য সাধনত হেঙাৰস্বৰূপ হোৱাজনক দুষ্ট দগাবাজ বা দালালে মৃত্যু উপহাৰ দিয়া নজিৰ বহুত আছে এই সমাজতে।

মানুহৰ মনৰ মাজত ইমান ঘৃণনীয় আৰু কদৰ্য ৰূপ থাকিব পাৰে বুলি বিশ্বাস তেতিয়া হয় যেতিয়া নিৰপৰাধী লোকবোৰ নিষ্ঠুৰতাৰ সহজ চিকাৰ হ'ব ধৰে। দলবদ্ধ আক্ৰমণত একোজন চফল ডেকাৰ প্ৰাণ বায়ু উৰি যোৱা সময়ত আমাৰ অনুভৱ হয় মানুহ কিমান নিষ্ঠুৰ বা নৃশংস হ'ব পাৰে।

আৰু এটা কথা— অন্যায়, অত্যাচাৰ, নৃশংসতাত লিপ্ত থকা মানুহে জ্ঞান-বুদ্ধি-যুক্তি, বিচাৰ ক্ষমতা আদি যে অকল হেৰুৱাই তেনে নহয় নিজৰো এদিন যে বিপদ-বিপত্তি আহিব পাৰে সেই চিন্তা শক্তিও হেৰুৱাই পেলায়। তেওঁলোকে সমাজত হিংসা-হত্যা, অন্যায়-অবিচাৰ হেলাৰঙে কৰি গৈ থাকি বিকৃত ৰুচিবোধৰ পৰিচয় দাঙি ধৰে আৰু বিকৃত আনন্দ লভি সন্তুষ্টিৰ শেতেলিত নিৰ্বিঘ্নে শয়ন কৰি থাকিব বিচাৰে। তেনে লোকৰ মন-মগজুত শুদ্ধ বা সৎ চিন্তাই প্ৰৱেশ কৰিব নোৱাৰে। সুস্থ মানসিকতাৰগৰাকী হ'বতো নোৱাৰেই। তেনে অসুস্থ মানসিকতাৰ গৰাকী এজনৰ পৰা ভাল কিবা আশা কৰাটো তেনেই অমূলক।

সেয়ে ক'বলৈ বাধ্য হৈ পৰিছো যে মানুহে যুগ যুগ ধৰি দুষ্ট দগাবাজৰ তীক্ষ্ণ হাতোৰৰ আঁচোৰ খাই আহিছে আৰু আঁচোৰ খায়েই বহু যুগ পাৰ কৰিব লাগিব। আক্ৰমণৰ বলি হ'বই লাগিব। তাৰ পৰা কেঁৰে নিস্তাৰ নাপায়।

পৰম উদ্বেগজনক কথাটো হ'ল অসম বুলিয়ে নহয় সমগ্ৰ দেশতে চৰম হতাশাজনক অৱস্থা এটা দিনে বৃদ্ধি হৈ যাব ধৰিছে। বিৰোধ-বিদ্বেষ-বৈষম্যই খণ্ড-বিখণ্ড কৰিব ধৰিছে সমাজৰ কাঠামো। মানুহে মানুহৰ ওপৰত বিশ্বাস হেৰুৱাই সন্দেহ ঘনীভূত মন এটাহে বহন কৰি ফুৰিছে। মনৰ বিকাৰ আৰু মানসিক ৰোগ-ব্যাধিয়ে বিষাক্ত কৰা সমাজখনত ৰাজনৈতিক ব্যক্তি আৰু নেতাবোৰে বিষবাষ্প বিয়পাব ধৰিছে সু-পৰিকল্পিতভাৱে সুস্থ মগজুৰে। ফলস্বৰূপে সমাজ জীৱনত মানুহৰ অন্তৰত ভয় কিছুমানে আহি থিতাপি লৈ বহিছে। মানুহৰ সেই ভয় নিৰাপত্তাহীনতাৰ ভয়। কৰি থকা বৃত্তি-ব্যৱসায় আৰু পাই থকা আশ্ৰয় হেৰুৱাৰ ভয় বহুতৰ। আন কিছুমানৰ ভয় আকৌ পৰ নিন্দা আৰু সমালোচনাৰ। প্ৰতিপত্তি, স্থান আৰু মান হেৰুৱাৰ ভয়তো আছেই। এনেধৰণৰ ভয়-শংকা কিছুমানে অন্তৰত খোপনি পুতি বহি মানুহক কৰি তুলিছে আক্ৰোহী,, হিংসুক নিৰ্দয়-নিষ্ঠুৰ আৰু অসহিষ্ণু।

ফোন : ৮৮২২১৮৮৬৭৯

# ডিব্ৰু নৈ আৰু দুয়োফালৰ গড়ৰ সমাহাৰেই

# ডিব্ৰুগড়! ডিব্ৰুগড়!

## ঐতিহ্যমণ্ডিত ডিব্ৰুগড় চহৰৰ অতীত আৰু বৰ্তমানৰ কিছু ছৰ্ট শ্বট স্নেপ

**জলপথেই** যিহেতু সেই সময়ত যাতায়াতৰ বাবে আটাইতকৈ সুচল পৰিবহণ ব্যৱস্থা আছিল, সেইবাবে ডিব্ৰুগড় অতি সোনকালেই এখন নগৰ হিচাপে ঠন ধৰি উঠিল; কিন্তু ব্ৰহ্মপুত্ৰ আৰু ডিবৰু— দুয়োখন নদীয়েই প্ৰতি বাৰিষা নগৰখনৰ এক বৃহৎ অঞ্চল ঢৌৱাই নিয়ে, সেয়েহে সন্ধান কৰা হ'ল ওখ ঠাইৰ। সেই মৰ্মেই সাজি উলিওৱা হ'ল 'সেন্দূৰী আলি'। সেন্দূৰীয়া ৰঙৰ ইটাৰে সজা সেন্দূৰী আলি বা ইংৰাজ চাহাবসকলৰ মুখৰ নাম 'ৰেড় ৰোড়'ত সৰ্বসাধাৰণৰ প্ৰৱেশ নিষেধ আছিল। কিয়নো এই পথৰ দুয়োকাষে সাজি উলিওৱা হৈছিল গিৰ্জাঘৰ, বৃহৎ বৃহৎ বঙলা, চাৰ্কুইট হাউছ, পলিটিকেল এড্‌ভাইজাৰৰ বঙলা, কমিছনাৰৰ বঙলা ইত্যাদি। এই পথৰ কাষতে আছিল আজিৰ বিগ বাজাৰ বা বিশাল মেগামাৰ্টৰ লেখিয়া ডিপাৰ্টমেন্টল ষ্ট'ৰ, প্লেন্টাৰ্ছ ষ্ট'ৰছ ইত্যাদি। এই অঞ্চলৰ নদীৰ পাৰতে আছিল তাহানিৰ অভিজাত পৰিয়ালৰ আপোন হৈ পৰা বিখ্যাত চেলুনগাড় চেভ্ৰলেট কাৰৰ শ্ব' ৰূম। সেয়া অৱশ্যে পাছলে। এই সেন্দূৰী আলিত অশিক্ষিত নেটিভৰ প্ৰৱেশ নিষেধ, ক'বতো নোৱাৰি তামোল খাই পিক পেলাব পাৰে! অসমীয়াৰ এই বদ্ অভ্যাস আজিও দূৰ নহ'ল।

কবিৰ কবিতাত মূৰ্ত হৈ উঠা সেইখন ডিব্ৰুগড় অৱশ্যে আজি নাই। ব্ৰিটিছে সাজি থৈ যোৱা সেন্দূৰী আলি, চাহাবী পট্টি, নাই বিশাল খেলপথাৰ, বৃহৎ বৃহৎ বঙলা, আৱৰ্ত ভৱন আদি। নাই গিৰ্জাঘৰ। ব্ৰহ্মপুত্ৰৰ কৰাল গ্ৰাসৰ পৰা সেই আপুৰুগীয়া সম্পত্তি স্বাধীন



দেশৰ চৰকাৰে ৰক্ষা কৰিব নোৱাৰিলে , নোৱাৰিলে পুনৰবাৰ নিৰ্মাণ কৰিব। বন্যাৰ গ্ৰাসত বিলুপ্ত হৈ গ'ল সেই অমূল্য সম্পদ। তথাপিও যেন জীয়াই আছিল মানুহৰ অন্তৰত, কবিৰ কবিতাত : আহা! কেনে সুকলমে, ডেকা ল'ৰাবোৰে/ ফুৰিছেহি ওভতাই চুৰিয়াৰ ঠোৰ/ নাই বাধা-বিঘিনি/ নাই গুৰুজন/ দেখি নিৰজন ঠাই/ উত্ৰাৱল মন। ব্ৰিটিছে এই সম্পদ আমাৰ হাতত চমজাই গুচি গ'ল; কিন্তু খাব নাজানি চোবাই নাশ কৰা জাতি আমি। কবিয়ে সেয়ে লিখিছে : ডিবৰু দাঁতিতে/ চাহাবী পট্টিতে/ আছে যি সেন্দূৰী আলি/ তাতেই এই পৰতে/ ভঙুৱা ভকতে/ চোৰাহি ধৰিছে চালি।

১৮৪৭ৰ পৰাই ডিব্ৰুগড় আৰু কলিকতাৰ মাজত পোনপটীয়া যাত্ৰীবাহী ষ্টিমাৰ চলিছিল। ১৮৫৬ত এই ষ্টিমাৰ পথৰে মেপত দেশৰ পূৰ্বদিশৰ সৰ্বশেষ ষ্টিমাৰ ঘাট মোহনাঘাটৰ নামটো সংযোজিত হ'ল। কলিকতা জাহাজঘাট আছিল সেই সময়ৰ পৰাই বিখ্যাত পৰ্ট। কলিকতা পৰ্টত মোহনাঘাটৰ নাম জিলিকি উঠিল। কলিকতাত উৎসাহী ডেকাই প্ৰশ্ন কৰিলে— হোৱেৰ ইজ মোহনাঘাট? ব্ৰিটিছ শাসকে ঘোষণা কৰিলে কোনো নেটিভ ডেকাই শিক্ষা গ্ৰহণৰ বাবে কলিকতা বা বিদেশলৈ যাব খোজে তেন্তে তেওঁৰ ভ্ৰমণ বিনামূলীয়া হ'ব। ১৮৫৭ত জেনেৰেল ষ্টিমাৰ নেভিগেছন কোম্পানীৰ শাখা কাৰ্যালয় ইয়াতে স্থাপন কৰা হ'ল। ডিব্ৰুগড় আৰু কলিকতাৰ মাজত আৰম্ভ হ'ল পোনপটীয়া ষ্টিমাৰ সেৱা। ডিব্ৰুগড়ৰ পৰা যোৱা ষ্টিমাৰ পাণ্ডুঘাটত লাগেগৈ আৰু পাণ্ডুঘাটতে ভ্ৰমণকাৰীয়ে জাহাজ সলাই অন্য এখন ডাঙৰ জাহাজত উঠি তিস্তা নদীয়েদি পাল তৰি দি তিনিদিনৰ ভিতৰতে পায়গৈ কলিকতা বন্দৰ। যি সময়ত ষ্টিমাৰ সেৱা আৰম্ভ কৰা হৈছিল, সেই সময়ত সংগঠিত ৰূপত চাহ বাগিচাই আৰম্ভ হোৱা নাছিল, খাৰুৱা তেল বা পেট্ৰ'লিয়ামতো পিছৰ কথা। তথাপি ইংৰাজ শাসকসকলে ডিব্ৰুগড়খন মন-প্ৰাণ সপি দি যেনেদৰে গঢ়ি তুলিছিল, আজিৰ দিল্লী বা দিছপুৰৰ দ্বাৰা প্ৰতাৰিত বুলি অনুভৱ কৰা এই অঞ্চলৰ জনগণে অতীতত ভুমুকি মাৰি কথাবোৰ ভাবিলে এক বিস্ময় বিমূঢ় ভাবহে মনলৈ আহে। সেয়েহে বহু বৃদ্ধ লোক লগ পালো, যি হুমুনিয়াহ কাঢ়ি কয় : তাহানিৰ দিনেই ভাল আছিল বোপাই।

এই কথা সত্য— ব্ৰিটিছে ইয়াত ঔপনিৱেশ স্থাপন কৰিবলৈহে আহিছিল। মণিৰাম দেৱানে ভাবিছিল ব্ৰিটিছে অসমত শান্তি স্থাপন কৰি ঘূৰি যাব। গৌৰীনাথ সিংহই ব্ৰিটিছ সিংহৰ সাহায্য ভিক্ষা কৰিছিল, অসমলৈ আহিছিল কেপ্টেইন ৱেলছ। অসমৰ বিদ্ৰোহ দমন কৰি বিনিময়ত হাতী-ঘোঁৰা আৰু বহু উপঢৌকন লৈ কেপ্টেইন ৱেলছ্ গুচি গৈছিল। ঠিক তেনে হ'ব বুলি দেৱান আৰু স্বৰ্গদেৱে ভাবি লৈছিল; কিন্তু দ্বিতীয়বাৰ আগমনত ব্ৰিটিছ শাসকসকলক অসমৰ মোহে পালে। তেওঁলোক এইবাৰ খলি পুতি বহি ল'লে। তথাপিও ক'ব লাগিব— সেই কালত বিদেশী শাসকসকলে এই অঞ্চলৰ জনগণক শিক্ষা-দীক্ষা, স্বাস্থ্যসেৱা আৰু ন্যায় প্ৰদানৰ ক্ষেত্ৰখনত যিখিনি কৰি গ'ল, সেইখিনি কৰ্মকুশলতাৰ অভাৱ পাছৰ পৰ্যায়ৰ শাসকসকলৰ মাজত দীৰ্ঘ সময়ৰ বাবে লক্ষ্য কৰা নগ'ল। যি সচেতনতাৰ অভাৱে এই অঞ্চলটোৰ উন্নয়ন একে গতিত ত্বৰান্বিত কৰি ৰাখিব নোৱাৰিলে। অঞ্চলটোৰ জনসাধাৰণৰ বাবে এয়া পৰম দুখজনক কথা। যুক্তিৰ খাটিৰত মানি ল'লো, ব্ৰিটিছে এই অঞ্চলত ভৰপূৰ হৈ থকা প্ৰাকৃতিক সম্পদ লুণ্ঠনৰ বাবেই অঞ্চলটোৰ ৰাস্তা-ঘাট সাজি উলিয়াইছিল, জলসেৱা প্ৰৱৰ্তন কৰিছিল, চাহবাগিচা স্থাপন কৰিছিল, আনকি খাৰুৱা তেল শোধনাগাৰো স্থাপন কৰিছিল। যদি সেয়াই হয়, তেন্তে এই প্ৰাকৃতিক সম্পদ লুণ্ঠনৰ বাবে বাট-পথকেইটা সুচল কৰি ল'লেই হ'লহেঁতেন। কি প্ৰয়োজন আছিল বৃহৎ বৃহৎ বঙলা সজাৰ, বৃহৎ কাছাৰী ঘৰ সজাৰ, বাট-পথ পকীকৰণ কৰি সুন্দৰভাৱে এখন পৰিকল্পিত চহৰ নিৰ্মাণ কৰাৰ? কি প্ৰয়োজন আছিল ইয়াত মেডিকেল স্থান পাতি স্বাস্থ্য-শিক্ষাৰ দ্বাৰ উন্মোচন কৰাৰ? কি প্ৰয়োজন আছিল যোৰহাটত প্ৰিন্স অৱ ৱেলছৰ নিচিনা কাৰিকৰী প্ৰতিষ্ঠান স্থাপন কৰাৰ? কি প্ৰয়োজন আছিল কলিকতাত নেটিভক আধুনিক শিক্ষা প্ৰদানৰ বিনামূলীয়া ব্যৱস্থা কৰাত?

প্ৰথিতযথা সাংবাদিক কনকসেন ডেকাৰ এটি সম্পাদকীয়ত পঢ়িছিলো : ইংৰাজৰ ঔপনিৱেশিক ব্যৱস্থাটোলৈ চকু দিলেই নাম ল'ব লাগিব দুজন হাকল্যুটৰ। ৰিচাৰ্ড হাকল্যুট আৰু তেওঁৰ ভতিজা জুনিয়ৰ হাকল্যুটে ১৫৭০ৰ পৰাই ইংলণ্ডৰ কাকত-পত্ৰত বিভিন্ন প্ৰৱন্ধ-পাতি লিখি ইংৰাজ জাতিত ঐশ্বৰ্য-শৌৰ্য-বীৰ্য বৃদ্ধিৰ বাবে ঔপনিৱেশক স্থাপন কৰাত গুৰুত্ব প্ৰদান কৰিবলৈ মহাৰাণীক আহ্বান জনাবলৈ লয়। হাকল্যুটদ্বয়ৰ আহ্বানৰ প্ৰতি সঁহাৰি জনাই



### বিশ্বজিৎ বৰুৱা

ৰাজকীয়ভাৱে সাগৰৰ উপকূল অঞ্চলত চৰকাৰীভাৱে ঔপনিৱেশ স্থাপনৰ ব্যৱস্থা লোৱা হৈছিল যদিও দেখা গৈছিল যে এই ঔপনিৱেশ স্থাপন ব্যৱস্থাটো মুঠেই লাভজনক নহয়। সেইবাবেই ঔপনিৱেশ স্থাপনৰ চৰকাৰী সাহায্য বন্ধ কৰি দি ৰাণী এলিজাবেথে ঘোষণা কৰিলে যে কোনো ব্যক্তি বা ব্যক্তি সমষ্টিয়ে যদি প্ৰচলিত আইনৰ অধীনত নিজাববীয়াকৈ ঔপনিৱেশ স্থাপনৰ বাবে আগবাঢ়ি আহে তেন্তে মহাৰাণীৰ আপত্তি নাই; কিন্তু তেনে কামৰ বাবে চৰকাৰীভাৱে কোনো পৰিমাণৰ ধনৰ যোগান ধৰা নহয়। এই কাৰণটোৰ বাবেই দীৰ্ঘসময়ৰ বাবে ভাৰতত শাসনভাৰ পৰিচালনা কৰিবলৈ সুযোগ পাইছিল ইষ্ট ইণ্ডিয়া কোম্পানীয়ে, অসমত যি জনপ্ৰিয় হৈছিল কোম্পানী বাহাদুৰ নামেৰে।

যদিও ঔপনিৱেশ স্থাপন আৰু পৰিচালনা ব্যক্তিগত ভিত্তিত নিয়োজিত হৈছিল, ইংৰাজ সমাজত কিন্তু আইনৰ শাসনক সদায় উৰ্দ্ধত ৰখা হয়; কিন্তু ইয়াৰ বিপৰীতে ভাৰতবৰ্ষৰ সৰু সৰু দেশীয় ৰাজ্যবিলাকত দেখা দিছিল শাসকৰ মুখৰ বচনেই আছিল আইন। ৰজা-মহাৰজাৰ ইচ্ছা-অনিচ্ছাই আছিল আইন। ৰজা-মহাৰজাৰ এবাৰ বাক্যবাণতে শিৰশ্ছেদ হৈছিল প্ৰজাৰ। সেয়েহে ক'ব পাৰি ভাৰতীয় জনগণে গণতন্ত্ৰৰ প্ৰথম স্বাদ লাভ কৰিছিল ইংৰাজৰৰ শাসন কালতহে। তাৰ আগলৈকে ভাৰতবাসীয়ে গণতন্ত্ৰৰ স্বাদ লাভ কৰিবলৈ কেতিয়াও সক্ষম হোৱা নাছিল। উদাহৰণস্বৰূপে ৱাৰেন হেষ্টিংছলৈকে আঙুলিয়াব পাৰি। ইষ্ট ইণ্ডিয়া কোম্পানীৰ ভাৰতত সৰ্বময় কৰ্তা আছিল ৱাৰেন হেষ্টিংছ কোম্পানী তথা ইংৰাজসকলৰ স্বাৰ্থতে কেতবোৰ জনবিৰোধী নীতি গ্ৰহণ কৰিছিল; কিন্তু ভাৰতীয় জনগণৰ ওপৰত দমন চলাই কোম্পানীৰ দুৰ্নাম কৰাৰ অপৰাধতে ৱাৰেন হেষ্টিংছৰ দৰে মুৰব্বীক পদবীৰ পৰা অপসাৰিত কৰাই নহয়, শাস্তিমূলক ব্যৱস্থাও গ্ৰহণ কৰিছিল। অথচ হেষ্টিংছৰ দমনমূলক নীতিৰ বাবেই ইষ্ট ইণ্ডিয়া কোম্পানীৰ বিভিন্ন উৎসৰ পৰা ৰাজহ বৃদ্ধি হৈছিল; কিন্তু কোম্পানীৰ পৰিচালনাৰ কঠোৰ নীতি এয়ে আছিল যে কোম্পানীৰ সুনামত চেকা পেলাই ৰাজহ বৃদ্ধি কৰিবলৈ কোম্পানীৰ মুৰব্বী বিষয়াসকলক নিৰুৎসাহ কৰা হৈছিল। ঠিক একে সময়তে অসমত কিন্তু ৰজাঘৰীয়া নিয়ম অনুযায়ী ৰাজতন্ত্ৰৰ সামান্য বিৰোধিতা কৰা বা সৰু কথাত মাত মতা সৰ্বসাধাৰণক নচছা শূলত দিয়া হৈছিল, সৰ্বসাধাৰণৰ কথাটো বাদেই, ৰাজপাটত বহিবৰ উপযুক্ত বুলি ভবা ৰাজকোঁৱৰৰো আঁঠুৰ ঘিলা অথবা চকু কাঢ়ি ৰাজদণ্ড প্ৰত্যাশী কাৰোবাৰ পথ নিষ্কন্টক কৰা হৈছিল। আজিৰ গণতান্ত্ৰিক ব্যৱস্থাতো শাসকৰ স্বাৰ্থত আইন পৰ্যন্ত সলনি হোৱাৰ অলেখ দৃষ্টান্ত আছে। নৱ প্ৰজন্মই সেইবোৰ অশুভ পৰম্পৰা আঁতৰাই আইনৰ শাসনক শীৰ্ষ স্থানত অধিষ্ঠিত কৰিব পাৰিলেহে আঞ্চলিক অসমতা দূৰ হোৱাৰ লগতে ৰাষ্ট্ৰৰ উন্নয়ন ত্বৰান্বিত হ'ব।

**টেইল পিচ**

অগ্ৰদূত কাকতৰ জনপ্ৰিয় শিতান 'ৰাইজ বনাম বুদ্ধিজীৱী'ৰ লেখক অতিজ্ঞানী ব্যক্তি হৰিণ মহন্ত আজি আমাৰ মাজত নাই। প্ৰয়াণৰ কেইদিনমান পূৰ্বে অৰ্ধসমাপ্ত এই নিৰন্ধলানিৰ পাণ্ডুলিপি পঢ়ি তেওঁ এটুকুৰা কাকতত মোলৈ লিখি পঠিয়াইছিল : 'এখন চহৰৰ বুৰঞ্জী আমনি নলগাকৈ পঢ়িবলৈ কেনেকৈ লিখিব লাগে সেই কথা শিকিবলৈ এই প্ৰবন্ধ লানি পঢ়ক। বহু ক্ষেত্ৰত ডিব্ৰুগড়ৰ ইতিহাস অসমৰো ইতিহাস। ৰজা-মহাৰজাৰ জীৱনীস্বৰূপ বুৰঞ্জীতকৈ এনে জাতীয় বুৰঞ্জীবোৰ মানুহক আগবাঢ়ি যাবলৈ অধিক প্ৰয়োজন।' নগাঁৱৰ অজিত দাসে এই লিখালানি পঢ়ি ভৱিষ্যতলৈও কাকতখন পঢ়ি যোৱাৰ প্ৰতিশ্ৰুতি দিছে। তেজপুৰৰ নবীন মহন্ত, লখিমপুৰৰ ৰাজেন সোণোৱাল, ধিঙৰ আলাউদ্দিন, গুৱাহাটীৰ ৰুমী আগৰৱালা বৰুৱা, বৰপেটাৰ সঞ্জয় দাস, গুৱাহাটীৰ সৰোজ কুমাৰ দাস আদি আমাৰ কাকতৰ তথা এই ৰচনালানিৰ একান্ত পঢ়ুৱৈ। নগাঁৱৰ বিৰিঞ্চি কুমাৰ ডেকাই এই লিখাখিনি এখন সুন্দৰ কিতাপ হ'ব বুলি আশা কৰিছে। সকলোটিলৈকে কৃতজ্ঞতা জনালো। (আগলৈ)

*ফোন : ৯৪৩৫০২৮০০৮*

## দক্ষিণ আফ্ৰিকাত চিকিৎসাধীন ক'ভিড ৰোগীৰ সংখ্যা এদিনতে দ্বিগুণ হ'ল



**নিউজ ব্যুৰ', জোহান্সবাৰ্গ, ৮ ডিচেম্বৰ ঃ** ক'ভিডৰ নতুন প্ৰজাতি অ'মিক্ৰনৰ প্ৰথম সংক্ৰমণ চিনাক্ত হোৱা দক্ষিণ আফ্ৰিকাৰ ক'ভিড পৰিস্থিতি অধিক উদ্বেগজনক হ'ল। সোমবাৰৰ তুলনাত দেশখনত মঙলবাৰে চিকিৎসালয়ত ভৰ্তি হোৱা ক'ভিড ৰোগীৰ সংখ্যা দুগুণ বৃদ্ধি পালে। নেচনেল ইনষ্টিটিউট হৈ কমিউনিকেবল ডিজিজৰ তথ্য অনুসৰি ২৪ ঘণ্টাত দক্ষিণ আফ্ৰিকাত ৩৮৩ জন ক'ভিড ৰোগীক চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছিল। আনহাতে, সোমবাৰে দেশখনত চিকিৎসাধীন হোৱা ক'ভিড ৰোগীৰ সংখ্যা আছিল ১৭৫ জন। যোৱা ২৪ ঘণ্টাত দেশখনৰ বিভিন্ন অঞ্চলত নতুনকৈ ১৩,১৪৭ জন ক'ভিড ৰোগীক চিনাক্ত কৰা হ'ল।



## দৰিদ্ৰক ম'বাইল ৰাজসাহায্য প্ৰদানৰ দাবী মুকেশ আম্বানীৰ

**নিউজ ব্যুৰ', নতুন দিল্লী, ৮ ডিচেম্বৰ ঃ** ৰিলায়েন্স জিঅ'ৰ স্বত্বাধিকাৰী মুকেশ আম্বানীয়ে কম মূল্যত ম'বাইল ক্ৰয়ৰ বাবে ৰাজসাহায্য প্ৰদানৰ দাবী উত্থাপন কৰিলে। আম্বানীয়ে ইণ্ডিয়া ম'বাইল কংগ্ৰেছ ২০২১ত অংশ লৈ ভাষণ প্ৰসংগত কয় যে চৰকাৰে দেশত ম'বাইল ফোনৰ ৰাজসাহায্য আৰম্ভ কৰা উচিত। আম্বানীয়ে কয় যে যদিহে দেশৰ সকলো নাগৰিক ডিজিটেল বিপ্লৱৰ অংশীদাৰ হ'ব লাগে, তেন্তে কম মূল্যত দেশবাসীক স্মাৰ্ট ফোন আৰু ইণ্টাৰনেট সেৱাৰ যোগান ধৰিব লাগিব। ইয়াৰ বাবে চৰকাৰে ৰাজসাহায্য প্ৰদান কৰাটো জৰুৰী বুলি আম্বানীয়ে মন্তব্য কৰে। দেশত অচিৰে ৫ জি ম'বাইল ইণ্টাৰনেট সেৱা জিঅ'ই প্ৰৱৰ্তন কৰিব বুলিও আম্বানীয়ে ঘোষণা কৰে।


## স্বেচ্ছাচাৰী কীমৰ স'তে কিয় তুলনা কৰিলে এলন মাস্কক ?

**নিউজ ব্যুৰ', টেক্সাছ, ৮ ডিচেম্বৰ ঃ** বিশ্বৰ সবাতোকৈ ধনাঢ্য ব্যক্তি তথা বৈদ্যুতিক গাড়ী নিৰ্মাতা কোম্পানী টেছলাৰ স্বত্বাধিকাৰী এলন মাস্ক টুইটাৰত বিশেষভাৱে চৰ্চিত হৈ আহিছে। শেহতীয়াভাৱে মাস্কে তেওঁৰ নতুন কেশবিন্যাসৰ এখন ফটোগ্ৰাফ টুইটাৰত আপলোড কৰিছিল। মাস্কৰ এই নতুন হেয়াৰ ষ্টাইল প্ৰত্যক্ষ কৰি টুইটাৰ ব্যৱহাৰকাৰীসকলে তেওঁক উত্তৰ কোৰিয়াৰ স্বেচ্ছাচাৰী শাসক কীম জং উনৰ স'তে তুলনা কৰিলে। উল্লেখ্য যে উত্তৰ কোৰিয়াৰ কমিউনিষ্ট শাসকজন নিজৰ বিতৰ্কিত কাম-কাজৰ লগতে হেয়াৰ ষ্টাইলৰ বাবেও বিশ্বপ্ৰসিদ্ধ। কীমৰ অনবদ্য কেশবিন্যাসে



বিশ্বজুৰি চৰ্চা লাভ কৰি আহিছে। উল্লেখ্য যে কীমৰ এই কেশবিন্যাস উত্তৰ কোৰিয়াত আন কোনো লোকে অনুকৰণ কৰিব নোৱাৰে। কিন্তু বিশ্বৰ সবাতোকৈ ধনাঢ্য ব্যক্তি হিচাপে কীমৰ কেশবিন্যাসকে হঠাতে আদৰি ল'লে মাস্কে। টুইটাৰত মাস্কৰ ৬.৫ কোটিৰো অধিক অনুৰাগী আছে। মাস্কৰ নতুন কেশবিন্যাস প্ৰত্যক্ষ কৰি অনুৰাগীসকলে তেওঁক উত্তৰ কোৰিয়াৰ শাসকৰ স'তে তুলনা কৰিছে। একাংশ সামাজিক মাধ্যম ব্যৱহাৰকাৰীয়ে মাস্ক আৰু কীমৰ একে কেশবিন্যাসৰ প্ৰমাণ দিবলৈ দুয়োৰে শেহতীয়াকৈ ফটোও টুইটাৰত আপলোড কৰিছে। ব্লুমবাৰ্গৰ তথ্য অনুসৰি মাস্কৰ সম্পত্তিৰ পৰিমাণ হৈছে ২৭৮ বিলিয়ন ডলাৰ।

## সংযুক্ত আৰব আমিৰশ্বাহিত কমিল কৰ্মৰ সময়, সলনি ছুটীৰ দিন



**নিউজ ব্যুৰ', ৰিয়াদ, ৮ ডিচেম্বৰ ঃ** সংযুক্ত আৰব আমিৰশ্বাহিৰ চৰকাৰে দেশখনত কৰ্মক্ষেত্ৰৰ সময় হ্ৰাস কৰিলে। এতিয়াৰে পৰা দেশখনৰ চৰকাৰী কৰ্মচাৰীয়ে সপ্তাহত পাঁচ দিন কৰ্মৰত হ'ব নালাগিব। চাৰে চাৰি দিন কৰ্মচাৰীসকলে কৰ্মৰত হ'ব লাগিব। তদুপৰি সাপ্তাহিক ছুটীৰ দিনো সলনি কৰিলে চৰকাৰে। শুকুৰবাৰৰ পৰিৱৰ্তে এতিয়াৰে পৰা দেশখনৰ চৰকাৰী কৰ্মচাৰীয়ে প্ৰতি শনি আৰু ৰবিবাৰে ছুটী লাভ কৰিব। ইমানদিনে দেশখনৰ চৰকাৰী কৰ্মচাৰীয়ে সপ্তাহত শুকুৰ আৰু শনিবাৰে ছুটীৰ লাভ কৰিছিল। আমিৰশ্বাহিৰ চৰকাৰে প্ৰকাশ কৰা অনুসৰি কৰ্মচাৰীসকলৰ কামৰ মানদণ্ড উন্নয়ন, কামৰ স'তে পাৰিবাৰিক জীৱনৰ ভাৰসাম্যতা বৰ্তাই ৰখাৰ লক্ষ্যৰে এই নতুন সিদ্ধান্ত গ্ৰহণ কৰা হৈছে।

### ইউৰোপ-মধ্য এছিয়াৰ ৫৩ খন দেশত দুমাহত কৰ'নাৰ সংক্ৰমণ-মৃত্যু হোৱা লোকৰ সংখ্যা দুগুণৰো অধিক হ'ল

# ইউৰোপত পাঁচ-১৪ বছৰীয়া শিশুৰ মাজত ক'ভিড সংক্ৰমণ সৰ্বাধিক

**নিউজ ব্যুৰ' জেনেভা, ৮ ডিচেম্বৰ ঃ** বিশ্ব স্বাস্থ্য সংস্থা (হু)ৰ তথ্য অনুসৰি ইউৰোপত সম্প্ৰতি পাঁচৰ পৰা ১৪ বছৰীয়া বয়সৰ শিশুৰ মাজত কৰ'নাৰ সংক্ৰমণ সৰ্বাধিক হৈছে। ইফালে, ডেনমাৰ্কত ক'ভিডৰ নতুন প্ৰজাতি অ'মিক্ৰনৰ সংক্ৰমণ ধৰা পৰাৰ পাছত এতিয়া দেশখনত এই প্ৰজাতিৰ ভাইৰাছৰ সামূহিক সংক্ৰমণ



আৰম্ভ হৈছে। হুৰ ইউৰোপৰ সঞ্চালক ডাঃ হন্স ক্লুজে অঞ্চলটোত শিশুসকলক ক'ভিডৰ সংক্ৰমণৰ পৰা সুৰক্ষিত ৰাখিবলৈ আহ্বান জনাইছে। ক্লুজে প্ৰকাশ কৰা অনুসৰি ইউৰোপত জনসংখ্যা হিচাপে যুৱ প্ৰজন্মৰ মাজত সম্প্ৰতি কৰ'নাৰ সংক্ৰমণ দুইৰ পৰা তিনিগুণ অধিক লাভ কৰা হৈছে। অৱশ্যে সৰহ সংখ্যক শিশুৰ মাজত ক'ভিড সংক্ৰমণৰ তেনে বিশেষ কোনো উপসৰ্গই দেখা দিয়া নাই। ক্লুজে লগতে কয় যে ইউৰোপ আৰু মধ্য এছিয়াৰ ৫৩ খন দেশত বিগত দুমাহত কৰ'নাৰ সংক্ৰমণৰ লগতে এই ভাইৰাছৰ সংক্ৰমণত মৃত্যু হোৱা লোকৰ সংখ্যা দুগুণৰো অধিক হ'ল। ৰাষ্ট্ৰসংঘৰ বিষয়াজনৰ মতে টিকাকৰণ বাধ্যতামূলক কৰাৰ বাহিৰে বিকল্প উপায় এতিয়া নাই। ইউৰোপ আৰু মধ্য এছিয়াৰ ২১ খন দেশত বৰ্তমানলৈকে ক'ভিডৰ নতুন প্ৰজাতি অ'মিক্ৰনত আক্ৰান্ত ৪৩২ জন ৰোগীক চিনাক্ত কৰা হৈছে।



## ছ'পিয়ানত সেনাৰে সংঘৰ্ষত নিহত এজন সন্ত্ৰাসবাদী

**নিউজ ব্যুৰ' শ্ৰীনগৰ, ৮ ডিচেম্বৰ ঃ** উত্তৰ কাশ্মীৰৰ ছ'পিয়ান জিলাৰ চেক চ'লেণ্ড অঞ্চলত আজি পুৱাতে নিৰাপত্তা বাহিনীৰ স'তে সন্ত্ৰাসবাদীৰ এক সংঘৰ্ষৰ ঘটনা সংঘটিত হ'ল। সেনা আৰু আৰক্ষীৰ যৌথ অভিযানত ধৰাশায়ী হ'ল এজন সন্ত্ৰাসবাদী। গোপন সূত্ৰৰ আধাৰত অঞ্চলটোত সন্ত্ৰাসবাদীয়ে বাহৰ পতাৰ বাতৰি লাভৰ পাছত বুধবাৰে পুৱা নিৰাপত্তা বাহিনীয়ে সন্ত্ৰাসবাদীৰ সন্ধানত অভিযান চলাইছিল। সেই সময়তে সেনালৈ সন্ত্ৰাসবাদীয়ে গুলিবৰ্ষৰ কৰাত উভয় পক্ষৰ মাজত সংঘৰ্ষৰ সৃষ্টি হৈছিল আৰু নিৰাপত্তা বাহিনীৰ গুলিত এজন সন্ত্ৰাসবাদী নিহত হয়। নিহত সন্ত্ৰাসবাদীজন লস্কৰ ই তৈবাৰ সদস্য আছিল বুলি আৰক্ষীয়ে তথ্য নিশ্চিত কৰিছে। অঞ্চলটোত আত্মগোপন কৰি থকা আন দুজন সন্ত্ৰাসবাদীৰ সন্ধানত নিৰাপত্তা বাহিনীয়ে অভিযান অব্যাহত ৰাখিছে।

## জাৰ্মানীৰ ক'ভিড পৰিস্থিতি জটিল ঃ এদিনতে মৃত্যু ৫২৭



**নিউজ ব্যুৰ', বাৰ্লিন, ৮ ডিচেম্বৰ ঃ ক'ভিডৰ নতুন প্ৰজাতিৰ সংক্ৰমণ বৃদ্ধিৰ লগে লগে জাৰ্মানীৰ ক'ভিড পৰিস্থিতি পুনৰ জটিল হ'ল। দেশখনত এদিনতে মৃত্যু হ'ল ৫২৭ জন ক'ভিড ৰোগীৰ। উল্লেখ্য যে যোৱা ১২ ফেব্ৰুৱাৰীৰ পাছত এয়ে সৰ্বাধিক সংখ্যক ক'ভিড ৰোগীয়ে দেশখনত মঙলবাৰে প্ৰাণ হেৰুৱালে। জাৰ্মানীত কৰ'নাৰ সংক্ৰমণৰ ফলত বৰ্তমানলৈকে ১.০৪ লাখৰো অধিক লোকৰ মৃত্যু হ'ল। যোৱা ২৪ ঘণ্টাত দেশখনত নতুনকৈ কৰ'নাত আক্ৰান্ত হ'ল ৬৯,৬০১ জন লোক। বৰ্তমানলৈকে জাৰ্মানীত ৬২.২৭ লাখৰো অধিক লোক ক'ভিড-১৯ত আক্ৰান্ত হৈছে আৰু ৫২.২৫ লাখ ৰোগী সুস্থ হৈ উঠিছে। দেশখনৰ ক'ভিড পৰিস্থিতি ক্ৰমে অধিক জটিল হোৱাৰ প্ৰতি লক্ষ্য ৰাখি জাৰ্মান চৰকাৰে কঠোৰ ক'ভিড বিধি জাৰি কৰিছে। নাগৰিকসকলক ক'ভিড বিধি পালন কৰাৰ লগতে প্ৰতিষেধক গ্ৰহণ কৰিবলৈ চৰকাৰে আহ্বান জনাইছে।**

## শৈশৱৰ বান্ধৱী ৰাজশ্ৰীৰে বিবাহ লালুপুত্ৰ তেজস্বীৰ

**নিউজ ব্যুৰ', পাটনা, ৮ ডিচেম্বৰ ঃ** আৰজেডিৰ মুৰব্বী লালুপ্ৰসাদ যাদৱৰ কনিষ্ঠ পুত্ৰ তথা বিহাৰ বিধানসভাৰ বিৰোধী দলৰ নেতা তেজস্বী যাদৱৰ বিবাহ স্থিৰ হ'ল। তেজস্বীয়ে তেওঁৰ শৈশৱৰ বান্ধৱী ৰাজশ্ৰীৰ স'তে বিবাহপাশত আৱদ্ধ হ'ব। ইতিমধ্যে দিল্লীত তেজস্বীৰ বিবাহৰ প্ৰস্তুতি অব্যাহত আছে। সূত্ৰৰ বাতৰি অনুসৰি তেজস্বীয়ে ৰাজশ্ৰীক আঙঠি পিন্ধোৱা অনুষ্ঠান সম্পন্ন কৰাৰ পাছত কাইলৈ আনুষ্ঠানিকভাৱে বিবাহপাশত আবদ্ধ হোৱাৰ সম্ভাৱনা আছে। লালু প্ৰসাদৰ পৰিয়ালৰ সূত্ৰই প্ৰকাশ কৰা অনুসৰি দিল্লীৰ এটা ফাৰ্ম হাউছত তেজস্বীৰ বিবাহৰ প্ৰস্তুতি অব্যাহত আছে। তেজস্বীয়ে জীৱনসংগী হিচাপে নিৰ্বাচন কৰা ৰাজশ্ৰীৰ স'তে দিল্লীৰ দিল্লী পাব্লিক স্কুলত একেলগে পঢ়িছিল। বৃহস্পতিবাৰে দিল্লীত তেজস্বীয়ে ৰাজশ্ৰীক আঙঠি পিন্ধাব।




# পাকিস্তানত আৰক্ষী সবাতোকৈ ভ্ৰষ্টাচাৰী, দ্বিতীয় স্থানত ন্যায়পালিকা

**নিউজ ব্যুৰ' ইছলামাবাদ, ৮ ডিচেম্বৰ ঃ** পাকিস্তানৰ ৯০ শতাংশৰো অধিক নাগৰিকৰ মতামত অনুসৰি দেশখনৰ পূৰ্বৰ চৰকাৰৰ তুলনাত ইমৰান খানৰ চৰকাৰৰ দিনত মূল্যবৃদ্ধি সৰ্বাধিক হ'ল। ট্ৰান্সপেৰেঞ্চি ইণ্টাৰনেচনেলৰ সমীক্ষাৰ তথ্যত উল্লেখ কৰা অনুসৰি পাকিস্তানত সৰহ সংখ্যক নাগৰিকে দেশখনৰ আৰক্ষী সবাতোকৈ অধিক ভ্ৰষ্টাচাৰী বুলি গণ্য কৰে। পাকিস্তানবাসীৰ মতে ন্যায়পালিকা হৈছে দেশখনৰ দ্বিতীয়টো সবাতোকৈ ভ্ৰষ্টাচাৰী বিভাগ। পাকিস্তানৰ নিউজ ৱেবছাইট 'ডন'ৰ প্ৰতিবেদনত উল্লেখ কৰা মতে, ৰাষ্ট্ৰীয় ভ্ৰষ্টাচাৰ ধাৰণা সমীক্ষাৰ তথ্য অনুসৰি ৯২.৯ শতাংশ



পাকিস্তানৰ নাগৰিকে পাকিস্তানৰ পূৰ্বৰ পি এম এল (এন)ৰ চৰকাৰৰ তুলনাত ইমৰান খানৰ চৰকাৰৰ দিনত দেশত মুদ্ৰাস্ফীতি সৰ্বাধিক হৈছে। একেটা সমীক্ষাত দেশখনৰ ৮৫.৯ শতাংশ নাগৰিকে প্ৰকাশ কৰা অনুসৰি বিগত তিনি বছৰত তেওঁলোকৰ উপাৰ্জন হ্ৰাস পালে। মুদ্ৰাস্ফীতি আৰু নিবনুৱা সমস্যা বৃদ্ধিৰ বাবে দেশখনৰ ৫০.৬ শতাংশ লোকে চৰকাৰী ব্যৰ্থতা, ২৩.৩ শতাংশ লোকে ভ্ৰষ্টাচাৰত, ১৬.৬ শতাংশ লোকে নীতিৰ অভাৱত আৰু ৯.৬ শতাংশ লোকে চৰকাৰী কাম-কাজত ৰাজনৈতিক নেতাৰ অবৈধ হস্তক্ষেপক জগৰীয়া কৰে। ৪১.৪ শতাংশ পাকিস্তানী নাগৰিকৰ মতে আৰক্ষী হৈছে দেশখনৰ সবাতোকৈ দুৰ্নীতিগ্ৰস্ত। আনহাতে, ১৭.৪ শতাংশ পাকিস্তানী নাগৰিকৰ মতে দেশখনৰ ন্যায়পালিকা হৈছে সবাতোকৈ অধিক দুৰ্নীতিগ্ৰস্ত। ভ্ৰষ্টাচাৰ নিয়ন্ত্ৰণৰ উপায় হিচাপে এই সমীক্ষাত ৪১ শতাংশ পাকিস্তানী নাগৰিকে অপৰাধীক কঠোৰ শাস্তি বিহাৰ পৰামৰ্শ দিয়ে।

## পাকিস্তানৰ ৩৭ শতাংশ মানুহ পুষ্টিহীনতাত আক্ৰান্ত, বিধানসভাত তথ্য



**নিউজ ব্যুৰ', লাহোৰ, ৮ ডিচেম্বৰ ঃ** ভয়াৱহ বিত্তীয় সংকটৰ সন্মুখীন হোৱা পাকিস্তানত ৩৭ শতাংশ লোক পুষ্টিহীনতাত আক্ৰান্ত হৈছে। সম্প্ৰতি প্ৰকাশিত এই প্ৰতিবেদনত এই চাঞ্চল্যকৰ তথ্য পোহৰলৈ আহিছে। বালুচিস্তান বিধানসভাত মহিলা বিধায়ক সংগঠনৰ মুৰব্বী ডাঃ ৰুবাবা খান বুলেৰিয়ে এই প্ৰতিবেদনৰ তথ্য দাঙি ধৰি উদ্বেগ প্ৰকাশ কৰিলে। ডাঃ বুলেৰিয়ে কয় যে দেশখনত এই অৱস্থা বাহাল থাকিলে অচিৰে পাকিস্তানৰ জনস্বাস্থ্যৰ অৱস্থা অতি ভয়াৱহ হ'ব। সামগ্ৰিকভাৱে পাকিস্তানৰ ৩৭ শতাংশ নাগৰিক পৰিপুষ্টিহীনতাত ভোগাৰ বিপৰীতে বালুচিস্তানত পুষ্টিহীন জনসংখ্যা ৫০ শতাংশৰো অধিক হৈছে বুলি প্ৰতিবেদনত দাবী কৰা হৈছে। 'এক্সপ্ৰেছ ডেইলী'ৰ প্ৰতিবেদন অনুসৰি পাকিস্তানৰ এক তৃতীয়াংশ শিশু অপুষ্টিত ভুগিছে। এই সকল পুষ্টিহীনতাত ভোগা শিশুৰ সৰহ সংখ্যকে হৈছে সিন্ধ আৰু বেলুচিস্তানত। ডাঃ বুলেৰিয়ে কয় যে পাকিস্তানত পুষ্টিহীনতাৰ মূল কাৰণ হৈছে দেশখনৰ নাগৰিকসকল সম্প্ৰতি কৰ্মহীন হোৱাটো। উপাৰ্জন নথকাৰ ফলত দেশবাসীয়ে প্ৰয়োজনীয় পুষ্টিকৰ আহাৰ গ্ৰহণৰ পৰা বঞ্চিত হৈছে।

# উত্তৰ প্ৰদেশত নিৰ্বাচনী প্ৰতিশ্ৰুতি প্ৰিয়ংকাৰ ঃ ৪০ শতাংশ চৰকাৰী চাকৰিত মহিলাক নিযুক্তি, চিলিণ্ডাৰ দিব বিনামূল্যে

**নিউজ ব্যুৰ' লক্ষ্ণৌ, ৮ ডিচেম্বৰ ঃ** ২০২২ৰ আৰম্ভণিতে উত্তৰ প্ৰদেশত অনুষ্ঠিত হ'ব লগা বিধানসভাৰ নিৰ্বাচনৰ পূৰ্বে ৰাজ্যবাসীক কংগ্ৰেছ দলে কেতবোৰ প্ৰতিশ্ৰুতি দিলে। কংগ্ৰেছৰ সাধাৰণ সম্পাদক তথা উত্তৰ প্ৰদেশৰ প্ৰভাৰী প্ৰিয়ংকা গান্ধী ভদ্ৰাই আজি লক্ষ্ণৌত উপস্থিত হৈ কংগ্ৰেছৰ এই প্ৰতিশ্ৰুতিসমূহ



ঘোষণা কৰে। উত্তৰ প্ৰদেশত কংগ্ৰেছে চৰকাৰ গঠন কৰিলে চৰকাৰী চাকৰিত ৪০ শতাংশ পদত মহিলাক নিযুক্তি দিয়া হ'ব বুলি প্ৰিয়ংকাই ঘোষণা কৰে। কংগ্ৰেছ নেত্ৰীগৰাকীয়ে লগতে ৰাজ্যখনত মহিলাসকলক বিনামূলীয়া বাছ যাত্ৰাৰ সুবিধা প্ৰদান কৰা হ'ব বুলিও প্ৰতিশ্ৰুতি দিয়ে। কংগ্ৰেছৰ চৰকাৰ গঠন হ'লে উত্তৰ প্ৰদেশবাসীয়ে তিনিটাকৈ ৰন্ধন গেছৰ চিলিণ্ডাৰ বিনামূল্যে লাভ কৰিব। উল্লেখ্য যে পূৰ্বে প্ৰিয়ংকাই প্ৰতিশ্ৰুতি দি কৈছিল যে উত্তৰ প্ৰদেশৰ বিধানসভাৰ নিৰ্বাচনত কংগ্ৰেছে ৪০ শতাংশ টিকট মহিলা প্ৰাৰ্থীক প্ৰদান কৰিব। আজি প্ৰিয়ংকাই ৰাজ্যখনৰ মহিলাসকলক লক্ষ্য হিচাপে লৈ পৃথক ঘোষণা পত্ৰ জাৰি কৰে। স্বাভিমান, স্বাৱলম্বন, শিক্ষা, সন্মান, সুৰক্ষা আৰু সুস্বাস্থ্যক লৈ প্ৰিয়ংকাই মহিলাৰ বাবে এই বিশেষ নিৰ্বাচনী ঘোষণা পত্ৰ যুগুত কৰিছে। কংগ্ৰেছে চৰকাৰ গঠন কৰিলে ২০ লাখ চৰকাৰী পদৰ আঠ লাখ পদত মহিলাক নিয়োগ কৰা হ'ব বুলি প্ৰিয়ংকাই ঘোষণা কৰিছে। তদুপৰি দ্বাদশ শ্ৰেণীৰ ছাত্ৰীক স্মাৰ্ট ফোন আৰু স্নাতকৰ ছাত্ৰীক স্কুটী প্ৰদানৰো প্ৰতিশ্ৰুতি নিৰ্বাচনী ঘোষণা পত্ৰত কংগ্ৰেছে উল্লেখ কৰিছে।

## বিত্তমন্ত্ৰী সীতাৰমণক দেশৰ সবাতোকৈ শক্তিশালী মহিলাৰ স্বীকৃতি

**নিউজ ব্যুৰ', নতুন দিল্লী, ৮ ডিচেম্বৰ ঃ কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণ আকৌ এবাৰ ভাৰতৰ সবাতোকৈ শক্তিশালী মহিলা হিচাপে স্বীকৃত হ'ল। বিশ্বখ্যাত আলোচনী 'ফ'ৰ্বছ'ৰ শেহতীয়া প্ৰকাশিত বিশ্বৰ সবাতোকৈ শক্তিশালী ১০০ মহিলাৰ তালিকাত ৩৭ সংখ্যক স্থান লাভ কৰিলে সীতাৰমণে। উল্লেখ্য যে ইয়াৰ পূৰ্বে ফৰচুন ইণ্ডিয়াই প্ৰকাশ কৰা শক্তিশালী মহিলাৰ আন এখন তালিকাত শীৰ্ষ স্থান লাভ কৰিছিল ভাৰতৰ বিত্তমন্ত্ৰীগৰাকীয়ে। 'ফ'ৰ্বছ'ৰ এশজনীয়া বিশ্বৰ সবাতোকৈ শক্তিশালী মহিলাৰ তালিকাত আন দুগৰাকী ভাৰতীয় মহিলাও স্থান লাভ কৰিছে।**



**সীতাৰমণৰ লগতে ৰৌচনী নাডৰে ৫২ সংখ্যক আৰু ফাল্গুনী নায়াৰে ৮৮ সংখ্যক স্থান লাভ কৰিছে। বিশ্বৰ শক্তিশালী মহিলাৰ এই তালিকাত শীৰ্ষ স্থান লাভ কৰিছে এমেজনৰ স্বত্বাধিকাৰী জেফ বেজ'ছৰ প্ৰাক্তন পত্নী মেকেঞ্জী ষ্টকে। আনহাতে, দ্বিতীয় স্থানত আছে ভাৰতীয় মূলৰ মাৰ্কিন উপ-ৰাষ্ট্ৰপতি কমলা হেৰিছ।**

# আন্দোলনকাৰী কৃষকেও দিব 'নৰেন্দ্ৰ মোদী জিন্দাবাদ' ধ্বনি, কিন্তু কিয় ?

**নিউজ ব্যুৰ' নতুন দিল্লী, ৮ ডিচেম্বৰ ঃ** উৎপাদিত কৃষিজাত সামগ্ৰীৰ ন্যূনতম সমৰ্থন মূল্য (এম এছ পি)ৰ সন্দৰ্ভত আইন প্ৰণয়নৰ লগতে ছটা দাবী পূৰণৰ লক্ষ্যৰে দিল্লী সীমান্তত দেশৰ কৃষকসকলে বিগত এবছৰ ধৰি আন্দোলন অব্যাহত ৰাখিছে। অৱশ্যে শেহতীয়াভাৱে চৰকাৰে তিনিখনকৈ বিতৰ্কিত কৃষি আইন প্ৰত্যাহাৰ কৰাৰ পাছত আন্দোলনকাৰী কৃষকৰ সংখ্যা অঞ্চলটোত হ্ৰাস হ'বলৈ ধৰিছে। বুধবাৰে যথেষ্ট কম সংখ্যক কৃষকে প্ৰতিবাদী স্থানত অৱস্থান গ্ৰহণ কৰিছিল। এনে পৰিস্থিতিৰ মাজতে ভাৰতীয় কিষাণ ইউনিয়নৰ ৰাষ্ট্ৰীয় মুখপাত্ৰ ৰাকেশ টিকাইতে ঘোষণা কৰি ক'লে যে দেশৰ আন্দোলনকাৰী কৃষকসকলে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ



মোদীৰ জিন্দাবাদ ধ্বনি দি নিজ নিজ ঘৰলৈ উভতি যাবলৈ প্ৰস্তুত আছে। টিকাইতে এই কথা ঘোষণা কৰি কয় যে প্ৰতিবাদী কৃষকে মোদীৰ জয়গান গাবলৈ সাজু আছে যদিহে প্ৰধানমন্ত্ৰীয়ে কৃষকসকলক একোখনকৈ নতুন ট্ৰেক্টৰ উপহাৰ দিয়ে। 'কংগ্ৰেছ চৰকাৰে কৃষকক ট্ৰেক্টৰ দিছিল। কংগ্ৰেছৰ প্ৰাক্তন মুখ্যমন্ত্ৰী নাৰায়ণ দত্ত তিৱাৰীয়ে কৃষকক ট্ৰেক্টৰ উপহাৰ দিছিল। সেয়েহে নৰেন্দ্ৰ মোদী চৰকাৰে বিশাল হৃদয়ৰ পৰিচয় দি কৃষকসকলক ট্ৰেক্টৰ উপহাৰ দিয়া উচিত। আন্দোলনকাৰী কৃষকে আন্দোলন সমাপ্ত কৰি নৰেন্দ্ৰ মোদী জিন্দাবাদ ধ্বনি দি ট্ৰেক্টৰ চলাই ঘৰলৈ উভতি যাব।' টিকাইতে লগতে কয় যে বিগত এবছৰত আন্দোলনৰ সময়ত কৃষকৰ ১৫০ খনৰো অধিক ট্ৰেক্টৰ বিকল হৈছে আৰু এইসকল দৰিদ্ৰ কৃষকক মোদী চৰকাৰে বিনামূল্যে ট্ৰেক্টৰ যোগান ধৰা উচিত।

## ৰাজস্থানত চৰকাৰী বিদ্যালয়ৰ অধ্যক্ষ-সহঃশিক্ষকৰ বিৰুদ্ধে চাৰি ছাত্ৰীক দলবদ্ধ ধৰ্ষণৰ অভিযোগ



**নিউজ ব্যুৰ', অলৱাৰ, ৮ ডিচেম্বৰ ঃ** ৰাজস্থানৰ অলৱাৰত চৰকাৰী বিদ্যালয়ৰ অধ্যক্ষসহ নজন শিক্ষকৰ বিৰুদ্ধে চাৰিগৰাকী ছাত্ৰীক দলবদ্ধ ধৰ্ষণৰ অভিযোগ উত্থাপিত হ'ল। কিছুদিন পূৰ্বে সংঘটিত হোৱা এই ঘটনা অলপতে পোহৰলৈ আহে। পীড়িতা এগৰাকী ছাত্ৰীয়ে বিদ্যালয়লৈ যাবলৈ নিবিচৰাত অভিভাৱকে উপৰ্যুপৰি প্ৰশ্ন কৰাত বিদ্যালয়ত সংঘটিত হোৱা দলবদ্ধ ধৰ্ষণৰ ঘটনা পোহৰলৈ আহে। ইতিমধ্যে ঘটনাৰ সন্দৰ্ভত পীড়িতাৰ পৰিয়ালৰ লোকে আৰক্ষীক গোচৰ দিছে। দশম শ্ৰেণীৰ ছাত্ৰীগৰাকীয়ে অভিযোগ কৰা অনুসৰি বিগত এবছৰৰো অধিক দিন ধৰি বিদ্যালয়ৰ অধ্যক্ষসহ তিনি শিক্ষকৰ যৌন নিৰ্যাতনৰ তেওঁ বলি হৈছিল। ঘটনাৰ সন্দৰ্ভত তদন্ত চলাই আৰক্ষীয়ে মুঠ চাৰিগৰাকী ছাত্ৰী বিদ্যালয়ৰ অধ্যক্ষ আৰু শিক্ষকৰ দ্বাৰা যৌন শোষণৰ বলি হোৱাৰ তথ্য নিশ্চিত কৰে। পীড়িতা আন তিনিগৰাকী ছাত্ৰী ষষ্ঠ, চতুৰ্থ আৰু তৃতীয় শ্ৰেণীৰ শিক্ষাৰ্থী।

## ২৪ ঘণ্টাত দেশত ২৩ শতাংশ ক'ভিড সংক্ৰমণ বৃদ্ধি, মৃত্যু ১৯৫



**নিউজ ব্যুৰ', নতুন দিল্লী, ৮ ডিচেম্বৰ ঃ** অ'মিক্ৰন আতংকৰ মাজতে বিগত ২৪ ঘণ্টাত দেশত কৰ'নাৰ সংক্ৰমণ ২৩ শতাংশ বৃদ্ধি পালে। অৱশ্যে মঙলবাৰৰ তুলনাত বুধবাৰে ক'ভিড ৰোগীৰ মৃত্যুৰ সংখ্যা হ্ৰাস পাইছে। কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰণালয়ৰ পৰিসংখ্যা অনুসৰি যোৱা ২৪ ঘণ্টাত ভাৰতত নতুনকৈ কৰ'নাত আক্ৰান্ত হ'ল ৮,৪৩৯ জন লোক। বৰ্তমানলৈকে ভাৰতত মুঠ তিনি কোটি ৪৬ লাখ ৫৬ হেজাৰ ৮২২ জন লোক কৰ'নাত সংক্ৰমিত হ'ল। আনহাতে, যোৱা ২৪ ঘণ্টাত এই মাৰাত্মক ভাইৰাছৰ সংক্ৰমণে দেশত প্ৰাণ কাঢ়িলে ১৯৫ জন লোকৰ। বৰ্তমানে ভাৰতত ৯৩,৭৩৩ জন সক্ৰিয় ক'ভিড ৰোগী আছে।

## তিনি বছৰত ডলাৰৰ বিপৰীতে ৩০ শতাংশ হ্ৰাস পাকিস্তানী টাকাৰ মূল্য



**নিউজ ব্যুৰ', ইছলামাবাদ, ৮ ডিচেম্বৰ ঃ পাকিস্তানত পুনৰ হ্ৰাস পালে টাকাৰ মূল্য। ইমৰান খানৰ চৰকাৰৰ আমোলত পাকিস্তানী মুদ্ৰাৰ মূল্য হ্ৰাসে নতুন ইতিহাস ৰচনা কৰিলে। বৰ্তমানে প্ৰতি ডলাৰৰ বিপৰীতে পাকিস্তানী টাকাৰ বিনিময় মূল্য ১৭৭ টকা হৈছে। ইমৰান চৰকাৰৰ শাসনত বিগত চাৰে তিনি বছৰত দেশখনৰ টাকাৰ মূল্য ৩০.৫ শতাংশ হ্ৰাস পালে। ২০১৮ৰ আগষ্টত এক ডলাৰৰ বিপৰীতে পাকিস্তানী টাকাৰ বিনিময় মূল্য আছিল ১২৩ টাকা।**



## জাৰ্মানীত অন্ত পৰিল ডেৰ দশকজোৰা মৰ্কেল যুগৰ

**নিউজ ব্যুৰ' বাৰ্লিন, ৮ ডিচেম্বৰ ঃ** জাৰ্মানীত ১৬ বছৰৰ পাছত এঞ্জেলা মৰ্কেল যুগৰ অন্ত পৰিল। এতিয়াৰে পৰা অ'লাফ ছলট্‌ছে জাৰ্মানীৰ নতুন চেঞ্চেলৰ হিচাপে কাৰ্যনিৰ্বাহ কৰিব। ২০০৫ৰ পৰা জাৰ্মানীৰ চেঞ্চেলৰ হিচাপে মৰ্কেলে সেৱা আগবঢ়াইছিল। মৰ্কেলৰ নেতৃত্বত দুৰ্দশাগ্ৰস্ত দিনৰ পৰা মুক্ত হৈ জাৰ্মানীয়ে নতুন পৰিচয় লাভ কৰিছিল।

# বালিকৰিয়াত আটকধুনীয়া ছহিদ বেদী নিৰ্মাণ

অগ্ৰদূত বাৰ্তা

**নলবাৰী, ৮ ডিচেম্বৰ ঃ** নলবাৰী আঞ্চলিক ছাত্ৰ সন্থাৰ অন্তৰ্গত বালিকৰিয়া শাখা ছাত্ৰ সন্থাই চহৰৰ বালিকৰিয়া উদ্যোগ পাম চকত এটি আটকধুনীয়া ছহিদ বেদী নিৰ্মাণ কৰি উলিয়াইছে। অহা ১০ ডিচেম্বৰৰ ছহিদ দিৱসৰ দিনা সদৌ অসম ছাত্ৰ সন্থাৰ মুখ্য উপদেষ্টা ড° সমুজ্জ্বল কুমাৰ ভট্টাচাৰ্য, সভাপতি দীপাংক কুমাৰ নাথ আৰু সাধাৰণ সম্পাদক শংকৰজ্যোতি বৰুৱাই আনুষ্ঠানিকভাৱে উদ্বোধন কৰিব। ৰাইজৰ দান-বৰঙণিৰে আটকধুনীয়াকৈ নিৰ্মাণ কৰি উলিওৱা ছহিদ বেদীটোৰ নক্সা অংকন কৰে বিশিষ্ট চিত্ৰশিল্পী অবিনাশ মজুমদাৰে। অঞ্চলটোত থকা শ্ৰীশ্ৰী লক্ষ্মীনাৰায়ণ মন্দিৰৰ প্ৰাংগণত নিৰ্মাণ কৰা উক্ত ছহিদ বেদীটোৱে সকলোকে আকৰ্ষণ কৰিবলৈ সক্ষম হৈছে। নলবাৰী আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি ৰুবুল বৰ্মনৰ তত্ত্বাৱধানত নিৰ্মাণ সম্পূৰ্ণ কৰা ছহিদ বেদীটোৰ নিৰ্মাণত আঢ়ৈ লাখ টকা ব্যয় কৰা হৈছে।

# নলবাৰীত গণিতজ্ঞ, অধ্যাপক সন্তৰাম কাকতিক স্মৰণ

অগ্ৰদূত বাৰ্তা

**নলবাৰী, ৮ ডিচেম্বৰ ঃ** নলবাৰী সাহিত্য সমাজৰ উদ্যোগত আৰু পৰিয়ালবৰ্গৰ সহযোগত আজি বিশিষ্ট শিক্ষাবিদ, গণিতজ্ঞ, অধ্যাপক সন্তৰাম কাকতিৰ স্মৃতিচাৰণ কৰা হয়। কাকতিৰ বিদ্যাপুৰৰ প্ৰফেছাৰ কল'নীৰ নিজা বাসভৱনত নলবাৰী সাহিত্য সমাজৰ সম্পাদক নৱ তালুকদাৰে আঁতধৰা আৰু সমাজৰ সভাপতি ড° লীনা ডেকাই সভাপতিত্ব কৰা উক্ত অনুষ্ঠানটোৰ আৰম্ভণিতেই প্ৰয়াত সন্তৰাম কাকতিৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন আৰু মাল্যাৰ্পণ কৰে ক্ৰমে কাকতিৰ সহধৰ্মিণী ধৰিত্ৰী কাকতি আৰু সাহিত্য সমাজৰ উপ-সভাপতি ড° বিনয় কুমাৰ মজুমদাৰে। ইয়াৰ পাছতে অনুষ্ঠিত হোৱা স্মৃতিচাৰণ সভাত নলবাৰীৰ অতিৰিক্ত উপায়ুক্ত কল্পনা ডেকা, নলবাৰী মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত মুৰব্বী অধ্যাপক ড° প্ৰমোদ বৈশ্য, কটন বিশ্ববিদ্যালয়ৰ গণিত বিভাগৰ অৱসৰপ্ৰাপ্ত মুৰব্বী অধ্যাপক ড° দিলীপ শৰ্মা, অসম সাহিত্য সভাৰ কাৰ্যনিৰ্বাহক সদস্য ডাঃ বিপিন চন্দ্ৰ কলিতা, একালৰ ঘনিষ্ঠ বন্ধু, ছাত্ৰ-ছাত্ৰী তথা আত্মীয়-স্বজনে শিক্ষাবিদজনৰ স্মৃতিচাৰণ কৰে।

# শালবাৰীত হিন্দু জাগৰণ মঞ্চৰ উত্তাল প্ৰতিবাদ

## বিধায়ক আমিনুল ইছলামৰ পুত্তলিকা দাহ

অগ্ৰদূত বাৰ্তা

**শালবাৰী, ৮ ডিচেম্বৰ ঃ** বিতৰ্কিত মন্তব্য কৰা বিধায়ক আমিনুল ইছলামৰ বিৰুদ্ধে বাগ্‌সাৰ শালবাৰীত হিন্দু জাগৰণ মঞ্চই আজি প্ৰতিবাদ সাব্যস্ত কৰে। ধিং সমষ্টিৰ বিধায়ক আমিনুল ইছলামৰ পুত্তলিকা দাহ কৰে গাতি আঞ্চলিক হিন্দু জাগৰণ মঞ্চই। শালবাৰীৰ আওহাটাৰ ৰাজপথত বাগ্‌সা জিলা হিন্দু জাগৰণ মঞ্চৰ উদ্যোগত গাতি আঞ্চলিক হিন্দু জাগৰণ মঞ্চৰ সহযোগত এই প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰা হয়। আমিনুল ইছলাম বাংলাদেশী, আমিনুল ইছলাম গ' বেক, আমিনুল ইছলাম মুৰ্দাবাদ, আমিনুল ইছলামক গ্ৰেপ্তাৰ কৰক আদি বিভিন্ন শ্ল'গানেৰে পৰিৱেশ উত্তাল কৰে হিন্দু জাগৰণ মঞ্চই। প্ৰতিবাদকাৰীসকলে বিতৰ্কিত মন্তব্য দিয়া বিধায়কজনক শীঘ্ৰে গ্ৰেপ্তাৰ কৰিবলৈ চৰকাৰক দাবী জনায়।

# তামুলপুৰৰ নাগ্ৰীজুলিত বৃহৎ পৰিমাণৰ গাঞ্জা জব্দ ঃ ধৃত তিনি

অগ্ৰদূত বাৰ্তা

**তামুলপুৰ, ৮ ডিচেম্বৰ ঃ** ৰাজ্যৰ বিভিন্ন ঠাইৰ লগতে বাগ্‌সা জিলাৰ তামুলপুৰ মহকুমাটো আৰক্ষী আৰু অৰ্ধ সামৰিক বাহিনীৰ ড্ৰাগছ আৰু নিচা জাতীয় দ্ৰব্যৰ বিৰুদ্ধে অভিযান অব্যাহত আছে। আজি নাগ্ৰীজুলি আৰক্ষী চকীৰ আৰক্ষীয়ে এছএছবিৰ ২৪ নম্বৰ বেটেলিয়নৰ সহযোগত নাগ্ৰীজুলি চাহ বাগিচাৰ ১৯ নম্বৰ শ্ৰমিক লাইনৰ সমীপত এএছ১৩-এল৮৫৫৫ নম্বৰৰ এখন বাহন জব্দ কৰে। আৰক্ষী আৰু এছএছবিৰ দলটোৱে বাহনখনত তালাচী চলাই বাহনখনৰ পৰা ৩৬.৮ কিলোগ্ৰাম গাঞ্জা জব্দ কৰাৰ লগতে তিনিজন যুৱকক গ্ৰেপ্তাৰ কৰে। ধৃত যুৱক কেইজন হ'ল নীতিশ দৈমাৰী, নিপুণ দৈমাৰী আৰু বীৰমল দৈমাৰী। আৰক্ষীয়ে সদৰী কৰা মতে, ধৃত যুৱক তিনিজনে ওদালগুৰিৰ পৰা পানেৰী-ডিমাকুছি হৈ এই গাঞ্জাখিনি নাগ্ৰীজুলিলৈ বিক্ৰীৰ বাবে আনিছিল।

# হাতীধূৰা সংহত শিশু উন্নয়ন প্ৰকল্পৰ অধীনত শ্ৰীৰামপুৰত সজাগতা সমদল

অগ্ৰদূত বাৰ্তা

**গোসাঁইগাঁও/শ্ৰীৰামপুৰ, ৮ ডিচেম্বৰ ঃ** কোকৰাঝাৰ জিলাৰ গোসাঁইগাঁও মহকুমাৰ অন্তৰ্গত হাতীধূৰা সংহত শিশু উন্নয়ন প্ৰকল্পৰ উদ্যোগত আজি পুৱা ১০ বজাত শ্ৰীৰামপুৰ হাইস্কুলৰ পৰা এক সজাগতামূলক সমদল উলিওৱা হয়। শ্ৰীৰামপুৰ হাইস্কুলৰ সহকাৰী প্ৰধান শিক্ষক উত্তম কুমাৰ ঘোষ আৰু শ্ৰীৰামপুৰ আৰ ষ্টুডেন্টছ ক্লাবৰ সাধাৰণ সম্পাদক চন্দন দাসে পতাকা জোকাৰি সমদলটোৰ মুকলি কৰে। ইয়াৰ পাছতে আয়োজিত মুকলি সভাখনত উদ্দেশ্য ব্যাখ্যা কৰে প্ৰকল্পৰ ছুপাৰ ভাইজাৰ এঞ্জেলা হাছদাই। সাম্প্ৰতিক সময়ত মহিলা আৰু ছোৱালীসকলৰ ওপৰত বৃদ্ধি পোৱা নিৰ্যাতন-অত্যাচাৰ হিংসামূলক আচৰণৰ অৱসান ঘটোৱাৰ উদ্দেশ্য আৰু ৰাইজক সজাগ সচেতন কৰাৰ লক্ষ্য আগত লৈ সমাজ কল্যাণ বিভাগৰ হাতীধূৰা সংহত শিশু উন্নয়ন প্ৰকল্পৰ উদ্যোগত আজি এই সজাগতামূলক সমদল উলিওৱা হয়। সমদলটো শ্ৰীৰামপুৰ হাইস্কুলৰ পৰা আৰম্ভ কৰি শ্ৰীৰামপুৰ ৩১ নম্বৰ (গ) ঘাইপথ সংলগ্ন শ্ৰীৰামপুৰ চাৰিআলি হৈ শ্ৰীৰামপুৰ বজাৰ আৰু ৰেল গেট পৰিভ্ৰমণ কৰাৰ অন্তত তিনি নম্বৰ শ্ৰীৰামপুৰ অংগনৱাড়ী কেন্দ্ৰত উপস্থিত হৈ অন্ত পৰে। সমদলটোত হাতীধূৰা সংহত শিশু উন্নয়ন প্ৰকল্পৰ এছ এ দেৱজিত নাৰ্জাৰী, পোষণ অভিযানৰ ব্ল'ক কোৰ্ডিনেটৰ বিজিত বসুমতাৰী, প্ৰজেক্ট সহকাৰী অমৃতা মৰ্মু, ছুপাৰভাইজৰ ক্ৰমে এঞ্জেলা হাছদা, ৰমণী বসুমতাৰী, ভাৰতী কলিতা আৰু বিনীতা ৰায়ে অংশগ্ৰহণ কৰে। তদুপৰি শ্ৰীৰামপুৰ হাইস্কুলৰ ছাত্ৰ-ছাত্ৰী স্থানীয় এমজিআৰ বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ লগতে প্ৰায় দুই শতাধিক অংগনৱাড়ী কৰ্মী-সহায়িকাই হাতে হাতে প্লেকাৰ্ড বেনাৰ প'ষ্টাৰ আদি লৈ নাৰীৰ ওপৰত অত্যাচাৰ বন্ধ কৰক, যৌতুক প্ৰথা বন্ধ কৰক' আদি বিভিন্ন ধৰণৰ শ্ল'গান দি সমদলটোত অংশগ্ৰহণ কৰে।

# মুখত ক'লা কাপোৰ বান্ধি উপায়ুক্ত কাৰ্যালয়ৰ সন্মুখত উত্তাল প্ৰতিবাদ



অগ্ৰদূত বাৰ্তা

**মৰিগাঁও, ৮ ডিচেম্বৰ ঃ** অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ আহ্বানত মৰিগাঁও জিলা সমিতিয়ে আজি জিলা উপায়ুক্ত কাৰ্যালয়ৰ সন্মুখত সামৰিক বাহিনী বিশেষ ক্ষমতা আইন চমুকৈ আফস্পা বাতিলৰ দাবীত মুখত ক'লা কাপোৰ বান্ধি অৱস্থান ধৰ্মঘট কাৰ্যসূচী ৰূপায়ণ কৰে। সংগঠনটোৰ জিলা সভাপতি দীপজ্যোতি বৈশ্য আৰু সাধাৰণ সম্পাদক মিৰ্জা আৰিফ আলমৰ নেতৃত্বত ৰূপায়ণ হোৱা কাৰ্যসূচীত জিলাখনৰ আঞ্চলিক সমিতিৰ সতীৰ্থসকলৰ লগতে বিভিন্ন বিদ্যালয়-মহাবিদ্যালয়ৰ শাখা সমিতিসমূহেও অংশগ্ৰহণ কৰে। সংগঠনটোৰ কেন্দ্ৰীয় সমিতিৰ কাৰ্যনিৰ্বাহক সদস্য মমিন চন্দ্ৰ দাসৰ লগতে অৰ্ধশতাধিক প্ৰতিবাদকাৰীয়ে অংশগ্ৰহণ কৰা প্ৰতিবাদী কাৰ্যসূচীৰ শেষত জিলা উপায়ুক্তৰে ৰাষ্ট্ৰপতিলৈ সংগঠনটোৰ জিলা সভাপতি আৰু সাধাৰণ সম্পাদকৰ স্বাক্ষৰিত এখন স্মাৰকপত্ৰ প্ৰেৰণ কৰে। সংগঠনটোৱে স্মাৰকপত্ৰত উল্লেখ কৰি কয় যে নগালেণ্ডৰ মন জিলাৰ অটিং বস্তিত যোৱা চাৰি ডিচেম্বৰৰ সন্ধিয়া ভাৰতীয় সেনাৰ নৃশংস বৰ্বৰোচিত আক্ৰমণত ১৩ জনকৈ নিৰীহ লোক নিহত হৈছে। সেনাৰ এই নৃশংসতাক তীব্ৰ গৰিহণা জনোৱাৰ লগতে হত্যাৰ বলি হোৱা প্ৰতিজন মৃতকৰ আত্মাৰ সদ্‌গতি কামনা কৰে। উত্তৰ পূৰ্বাঞ্চলত বিশেষকৈ অসম, নগালেণ্ড আৰু মণিপুৰত অটিং বস্তিৰ এই নৰমেধৰ ঘটনাই প্ৰথম নহয়। ইয়াৰ পূৰ্বে অসম আৰু মণিপুৰতো সেনাবাহিনীৰ এনে নৃশংসতাত বহু নিৰীহ নিৰপৰাধী লোকে প্ৰাণ দিব লগা হৈছে। বিগত তিনিটা দশক ধৰি উত্তৰ পূবৰ ৰাজ্য কেইখনত এনে যিমান ঘটনা হৈছে কোনো এটা ঘটনাত ভুক্তভোগী বা ভুক্তভোগীৰ পৰিয়ালে কেতিয়াও ন্যায় পোৱা নাই। ইয়াৰ মূল কাৰণ হ'ল অসমকে ধৰি উত্তৰ পূবৰ এই ৰাজ্য কেইখনত উগ্ৰপন্থী দমনৰ নামত কেন্দ্ৰীয় চৰকাৰে সেনা বাহিনীক 'সামৰিক বাহিনী বিশেষ ক্ষমতা আইন' নামৰ এখন কলা আইনৰ জৰিয়তে ক্ষমতা প্ৰদান কৰি ৰাখিছে। বিগত দুটা দশকত এই আইনৰ গইনা লৈ অজস্ৰ মানৱ অধিকাৰ উলংঘনৰ ঘটনা হৈছে। উত্তৰ পূৰ্বাঞ্চলৰ উগ্ৰপন্থী সমস্যা থকা ৰাজ্য নগালেণ্ড, অসম আৰু মণিপুৰত বিগত পাঁচ ছয় বছৰৰ পৰা উগ্ৰপন্থীৰ সমস্যাটো যথেষ্ট শাম কাটিছে। অসমতো বহুধা বিভক্ত হৈছে সংযুক্ত মুক্তি বাহিনী অসম চমুকৈ আলফা। আলফা স্বাধীনেও বিগত সময়ত বিশেষ কোনো বিক্ষিপ্ত সাংগঠনিক তৎপৰতা প্ৰদৰ্শন কৰা নাই যাৰ বাবে অসমত বৰ্তমান শান্তিৰ এক বাতাবৰণ গঢ় লৈ উঠিছে। এনে প্ৰেক্ষাপটত সামৰিক বাহিনী বিশেষ ক্ষমতা আইনৰ কি প্ৰয়োজন বুলি প্ৰশ্ন উত্থাপন কৰি সংগঠনটোৱে অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ মৰিগাঁও জিলা সমিতিয়ে অৱস্থান ধৰ্মঘট কাৰ্যসূচীৰ পৰা স্মাৰকপত্ৰৰ জৰিয়তে উক্ত অফিস্পা বাতিল কৰিবলৈ দাবী জনায়।

# বোকাজানত ৰেলৰ চেপাত এজন নিহত

বিশেষ সংবাদদাতা

**বকলীয়াঘাট, ৮ ডিচেম্বৰ ঃ** কাৰ্বি আংলং জিলাৰ খটখটিত ৰেলৰ চেপাত এজন লোক নিহত হয়। খটখটি আৰক্ষী থানাৰ অন্তৰ্গত বেংনাবিল গাঁৱৰ অন্তৰ্গত গেং কোৱাৰ্টাৰৰ ২৬৯/৫ নম্বৰ ৰেলৰে পকী খুঁটাৰ সমীপত উক্ত দুৰ্ঘটনা সংঘটিত হয়। নিহত লোকজনক বেঙেনাবিল গাঁৱৰ নিবাসী প্ৰফুল্ল বা বুলি চিনাক্ত কৰা হৈছে। আজি পুৱাৰ ভাগত স্থানীয় লোকসকলে ৰেল আলিৰ কাষত পৰি থকা অৱস্থাত মৃতদেহটো প্ৰত্যক্ষ কৰি ৰেল বিভাগক অৱগত কৰাত আৰক্ষীয়ে উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে ডিফুলৈ প্ৰেৰণ কৰে।

# ডাম্পাৰৰ খুন্দাত আহত বৃদ্ধ

অগ্ৰদূত বাৰ্তা

**শালবাৰী, ৮ ডিচেম্বৰ ঃ** বাগ্‌সাৰ শালবাৰীৰ মায়ংপাৰাত কালি সন্ধিয়া একে পথ দুৰ্ঘটনা সংঘটিত হয়। ডাম্পাৰৰ খুন্দাত আহত হয় এজন লোক। আহত লোকজন শালবাৰীৰ কাঁহিবাৰী গাঁৱৰ নৰেশ্বৰ খেৰকটাৰী। লোকজনক খুন্দিওৱাৰ পাছতে ডাম্পাৰসহ চালকক কৰায়ত্ত কৰিবলৈ সক্ষম হয় ৰাইজে। ডাম্পাৰখনৰ নম্বৰ এএছ-০১ এফচি-১৩১৯। ঘটনাস্থলীত বাঁহবাৰী আৰক্ষী উপস্থিত হৈ তদন্ত আৰম্ভ কৰাৰ লগতে আহত লোকজনক চিকিৎসালয়লৈ প্ৰেৰণ কৰে।

# নগালেণ্ডত প্ৰাণ হেৰুওৱাৰ স্মৃতিত এবছুৰ শ্ৰদ্ধাঞ্জলি

অগ্ৰদূত বাৰ্তা

**মুছলপুৰ, ৮ ডিচেম্বৰ ঃ** নগালেণ্ডৰ মন জিলাত যোৱা চাৰি ডিচেম্বৰত সেনা বাহিনীৰ গুলিচালনাত নিহত হোৱা ১৪ গৰাকীকৈ নিৰীহ লোকৰ আত্মাৰ সদগতি কামনা কৰি আজি সন্ধিয়া বাগ্‌সা জিলাৰ সদৰ মুছলপুৰত নিখিল বড়ো ছাত্ৰ সন্থাৰ বাগ্‌সা জিলা সমিতি আৰু মুছলপুৰ আঞ্চলিক সমিতিয়ে যৌথভাৱে এক শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰে। মুছলপুৰৰ চক্ৰ বিষয়াৰ কাৰ্যালয়ৰ খেলপথাৰত অনুষ্ঠিত শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত এবছুৰ কেন্দ্ৰীয় উপ-সভাপতি ৰৌমদৌন বসুমতাৰীয়ে বন্তি প্ৰজ্বলন কৰে। শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত অংশ লৈ এবছুৰ কেন্দ্ৰীয় নেতা গৰাকীয়ে জানিবলৈ দিয়ে যে ব্ৰিটিছে ভাৰতৰ স্বাধীনতা আন্দোলনক কঠোৰ হাতেৰে দমন কৰাৰ স্বাৰ্থত সেনা বাহিনীৰ বিশেষ ক্ষমতা আইন প্ৰণয়ন কৰা হৈছিল। কিন্তু স্বাধীনতাৰ পাছতো ভাৰত চৰকাৰে উত্তৰ-পূৰ্বাঞ্চলত তেনে এখন আইন জাপি দি আইনখনৰ অপপ্ৰয়োগ কৰি আহিছে। এবছুৱে নিৰীহ লোকক বৰ্বৰতাৰে সেনা বাহিনীয়ে গুলীয়াই হত্যা কৰা কাৰ্যক গৰিহণা দিয়াৰ লগতে সেনা বাহিনীৰ বিশেষ ক্ষমতা আইন উত্তৰ-পূৰ্বাঞ্চলৰ পৰা প্ৰত্যাহাৰৰ দাবীও উত্থাপন কৰা হয়। কাৰ্যসূচীত এবছুৰ বাগ্‌সা জিলা সমিতিৰ সভাপতি উমেশ দৈমাৰী, সাধাৰণ সম্পাদক নন্দেশ্বৰ বড়ো, মুছলপুৰ আঞ্চলিকৰ সভাপতি মঞ্জিত গয়াৰী আৰু সম্পাদক টনি বসুমতাৰীকে ধৰি কে'বাগৰাকীও ছাত্ৰ নেতা আৰু শতাধিক সদস্য উপস্থিত থাকে।

# সাহিত্য সাধনা মঞ্চ, অসমৰ কেন্দ্ৰীয় সমিতিৰ সম্প্ৰসাৰণ

অগ্ৰদূত বাৰ্তা

**জালাহ, ৬ ডিচেম্বৰ ঃ** সাহিত্য সাধনা মঞ্চ, অসমৰ মুখ্য কাৰ্যালয়ত যোৱা পাঁচ ডিচেম্বৰত অনুষ্ঠিত কৰ্ণধাৰ সমিতিৰ বৈঠকত সৰ্বসন্মত প্ৰস্তাৱ অনুসৰি নৱগঠিত সাহিত্য সাধনা মঞ্চ অসমৰ কেন্দ্ৰীয় সমিতিৰ সম্প্ৰসাৰণ কৰা হয়। সভাত অসমৰ বিভিন্ন জিলাৰ ১০গৰাকী ব্যক্তিক কেন্দ্ৰীয় সমিতিৰ দায়িত্ব অৰ্পণ কৰা হয়। সেই অনুসৰি ড° মুৰশেদুজ জামানক শিক্ষা সম্পাদক, কাকলি হাজৰিকাক সাহিত্য সম্পাদিকা, দেৱ বৰা, আনোৱাৰ হুছেইন, নিৰঞ্জন বৰা, মনোজ কুমাৰ নাথ, মাইনু গগৈক সহকাৰী সম্পাদক, চন্দন কলিতাক সাংগঠনিক সম্পাদক, ৰূপা ভূঞা আৰু হিমাশ্ৰী বায়ন দত্তক কাৰ্যনিৰ্বাহক সদস্যৰ দায়িত্ব অৰ্পণ কৰা হয়। লগতে চিন্ময় কলিতা আৰু আতিক আহমেদক ক্ৰমে তামুলপুৰ আৰু নগাঁও জিলা সমিতিৰ আহ্বায়ক হিচাপে দায়িত্ব দিয়া হয়। কেন্দ্ৰীয় সমিতিৰ সভাপতি দিলীপ মদাহীয়ে জানিব দিয়া মতে, পৰৱৰ্তী সময়ত পুনৰ কেন্দ্ৰীয় সমিতিৰ সম্প্ৰসাৰণ কৰা হ'ব।

# কবি দণ্ডীৰাম দাসলৈ গজালি কাব্য বঁটা

অগ্ৰদূত বাৰ্তা

**বাহাৰঘাট/বৰভাগ, ৮ ডিচেম্বৰ ঃ** নলবাৰীৰ বগলছ ৰোড চ'কৰ পৰা প্ৰায় এটা দশক ধৰি প্ৰকাশ হৈ থকা জেপ কাব্যালোচনী 'গজালি'ৰ তৰফৰ পৰা প্ৰদান কৰি অহা ধনেশ্বৰী দেৱী সোঁৱৰণী গজালি কাব্য বঁটা এইবেলি ২০২১ বৰ্ষৰ বাবে প্ৰদান কৰা হ'ব বিশিষ্ট কবি দণ্ডীৰাম দাসক। আজি এটা প্ৰেছ বিবৃতিত এই কথা ঘোষণা কৰে গজালিৰ সম্পাদক শংকৰ শৰ্মাই। বঁটাটোত নগদ ধন পাঁচ হেজাৰ টকাৰ উপৰি মানপত্ৰ, স্মাৰক, জাপি, গামোচা, কিতাপৰ টোপোলা আগবঢ়োৱা হ'ব। কাব্যালোচনী গজালিয়ে ২০১৩ বৰ্ষৰ পৰা প্ৰদান



কৰি অহা এই বঁটা ইতিমধ্যে লাভ কৰিছে ক্ৰমে অশ্বিনী কুমাৰ শৰ্মা, বিপুল কুমাৰ দত্ত, শান্তনু শৰ্মা, প্ৰণৱ কুমাৰ বৰ্মন, কমল কুমাৰ জৈন, বিনয় কুমাৰ মজুমদাৰ, প্ৰদীপ শইকীয়া আৰু ৰীতা বৰুৱাই। নলবাৰী জিলাৰ কোটালকুছিত ১৯৫৯ত জন্ম গ্ৰহণ কৰা কবি দণ্ডীৰাম দাসে ১৯৮০ৰ পৰাই অসমৰ আগশাৰীৰ কাকত-আলোচনীত কবিতা লিখি আহিছে। ইতিমধ্যে তেওঁৰ 'নিষিদ্ধ বেলি', 'পথাৰ আৰু মানুহ', 'কবিতাৰ বৰষুণ', 'তেজাল বেলি' আদি কাব্য গ্ৰন্থ প্ৰকাশ পাইছে। কবিতাৰ ক্ষেত্ৰত কে'বাটাও বঁটা লাভ কৰা দণ্ডীৰাম দাসে এসময়ত 'পৰাগ' নামৰ এখন কাব্যালোচনীৰো মুখ্য সম্পাদকৰ দায়িত্ব বহন কৰিছিল। অহা ফেব্ৰুৱাৰীৰ প্ৰথম ভাগত পাগলদিয়া নদীৰ বালিচাপৰিত অনুষ্ঠিতব্য গজালিৰ বৰ্ষপূৰ্তি অনুষ্ঠান আৰু কবি সন্মিলনত উক্ত বঁটা প্ৰদান কৰা হ'ব।

# তমাৰহাট আঞ্চলিক কৰ্মচাৰী পৰিষদৰ অধিবেশন সম্পন্ন


**তামাৰহাট, ৮ ডিচেম্বৰ ঃ** সদৌ অসম কৰ্মচাৰী পৰিষদৰ তামাৰহাট আঞ্চলিক কৰ্মচাৰী পৰিষদৰ দ্বি-বাৰ্ষিক অধিবেশন যোৱা পাঁচ ডিচেম্বৰত দিনজোৰা কাৰ্যসূচীৰে ধুবুৰী জিলাৰ আগমনী শিক্ষা খণ্ডৰ অন্তৰ্গত তামাৰহাট ছোৱালী এম ই স্কুল প্ৰাংগণত সম্পন্ন হয়। কাৰ্যসূচী অনুসৰি তামাৰহাট আঞ্চলিক কৰ্মচাৰী পৰিষদৰ সভাপতি জলধৰ ৰায়ে কৰ্মচাৰী পৰিষদৰ পতাকা উত্তোলনৰে কাৰ্যসূচী মুকলি কৰাৰ পাছত ছহিদ বেদীত মাল্যাৰ্পণ আৰু ৰাজহুৱা স্থানত গছপুলি ৰোপণ কাৰ্যসূচী ৰূপায়ণ কৰা হয়। বিষয় বাছনি সভাত কাৰ্যকাল উকলি যোৱাত পুৰণি কমিটীখন ভংগ কৰি জলধৰ ৰায়ক সভাপতি, শৌকত আহমেদ আৰু আজিজুল হকক উপ-সভাপতি, ৰফিকুল ইছলাম তালুকদাৰক সাধাৰণ সম্পাদক, ৰবিন ভকত আৰু আজিজুল হকক সহকাৰী সম্পাদক আৰু নূৰ ইছলাম শ্বেখক সাংগঠনিক সম্পাদক হিচাপে লৈ মুঠ ৪১জনীয়া সদস্যৰে তামাৰহাট আঞ্চলিক কৰ্মচাৰী পৰিষদখন নতুনকৈ গঠন কৰা হয়। তামাৰহাট ছোৱালী এম ই স্কুলৰ প্ৰধান শিক্ষক উত্তম কুমাৰ ৰায়ৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভাত অতিথিসকলৰ পৰিচয় আৰু সম্বৰ্ধনা পৰ্ব পৰিচালনা কৰে শিক্ষক ৰফিকুল ইছলাম তালুকদাৰে। মুকলি সভাত ভাষণ আগবঢ়ায় ক্ৰমে ধুবুৰী জিলা কৰ্মচাৰী পৰিষদৰ সভাপতি আৰু সাধাৰণ সম্পাদক ক্ৰমে আমজাদ হোছেন মজুমদাৰ আৰু দেৱজিৎ চক্ৰৱৰ্তী, অৱসৰপ্ৰাপ্ত শিক্ষক আবুল ফজল, শিক্ষক সহিদুৰ ৰহমান মণ্ডল আৰু দিলীপ কুমাৰ ৰায়। সভাত পৰ্যবেক্ষক হিচাপে উপস্থিত থাকে ধুবুৰী জিলা কৰ্মচাৰী পৰিষদৰ সভাপতি আমজাদ হোছেন মজুমদাৰ আৰু সাধাৰণ সম্পাদক দেৱজিৎ চক্ৰৱৰ্তী।

# ২৪-২৫ ডিচেম্বৰত মধুপুৰ মহোৎসৱৰ প্ৰস্তুতি

অগ্ৰদূত বাৰ্তা

**হাউলী, ৮ ডিচেম্বৰ ঃ** মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ মহাপ্ৰয়াণৰ পৱিত্ৰ তীৰ্থস্থান উত্তৰবংগৰ কোচবিহাৰ মধুপুৰ সত্ৰত অহা ২৪ আৰু ২৫ ডিচেম্বৰত মধুপুৰ মহোৎসৱ উদ্‌যাপন কৰাৰ বাবে প্ৰস্তুতি চলোৱা হৈছে। মধুপুৰ সত্ৰ সমিতিৰ সাধাৰণ সম্পাদক প্ৰাক্তন সাংসদ কুমাৰ দীপক দাস আৰু প্ৰচাৰ সম্পাদক যুগান্ত বায়নে জনোৱা মতে অসম চৰকাৰৰ পৰ্যটন বিভাগ আৰু সাংস্কৃতিক সঞ্চালকালয়ৰ সহযোগত উদ্‌যাপন কৰিবলগীয়া এই মধুপুৰ মহোৎসৱত সংগীত-নাটক একাডেমীৰ উদ্যোগত অংকীয়া ভাওনা প্ৰদৰ্শন কৰাৰ লগতে শংকৰী কলা-কৃষ্টি প্ৰদৰ্শন কৰা হ'ব। মহোৎসৱৰ দুয়োদিনৰ কাৰ্যসূচী অসমৰ উপৰি উত্তৰ বংগৰ কে'বাখনো সত্ৰৰ ভকত বৈষ্ণৱে অংশগ্ৰহণ কৰিব। দুয়ো ৰাজ্যৰ কে'বাটাও সাংস্কৃতিক দলে সত্ৰীয়া সংস্কৃতি পৰিবেশন কৰাৰ লগতে থিয়নাম প্ৰদৰ্শন কৰিব। মহোৎসৱৰ লগত সংগতি ৰাখি অসম আৰু বংগৰ বিশিষ্ট বুদ্ধিজীৱীৰ উপস্থিতিত আলোচনা চক্ৰ আৰু ধৰ্মালোচনী সভা অনুষ্ঠিত কৰা হ'ব। মহোৎসৱ উপলক্ষে 'মধুপুৰ' শীৰ্ষক এখন স্মৰণিকাও প্ৰকাশ কৰা হ'ব। স্মৰণিকাত লিখনি প্ৰকাশৰ বাবে ইচ্ছুক লোকক মধুপুৰ সত্ৰ সমিতিৰ সম্পাদক হৰিদেৱ দাসৰ ৯৮৭৮৭১৪৮২৭ নম্বৰত যোগাযোগ কৰিবলৈ অনুৰোধ জনোৱা হৈছে।

# ঘগ্ৰাপাৰৰ আল্লিয়াৰ বনগাঁৱত ভালুকৰ সন্ত্ৰাস



অগ্ৰদূত বাৰ্তা

**ঘগ্ৰাপাৰ, ৮ ডিচেম্বৰ ঃ** নলবাৰী জিলাৰ ঘগ্ৰাপাৰ আৰক্ষী থানাৰ অন্তৰ্গত আল্লিয়াৰ বনগাঁৱত কালি এজন যুৱকে আল্লিয়া বনগাঁৱৰ ঘন জংঘলত ভালুক এটা দেখা পোৱাৰ পাছত সমগ্ৰ গাঁওখনতে সৃষ্টি হয় আতংক। নলবাৰী বন বিভাগক খবৰ দিয়াত ইতিমধ্যে আজি বন বিভাগৰ দল আহি উপস্থিত হৈছে উক্ত অঞ্চলটোত। বন বিভাগৰ এটি দলে ইতিমধ্যে অনুসন্ধান চলাই আছে যদিও বৰ্তমানলৈ ভালুকটোৰ এতিয়াও সন্ধান লাভ কৰা নাই। জংঘলৰ মাজত ভালুকৰ ভৰিৰ খোজ পোৱা বুলি সন্দেহ যদিও বন বিভাগে এতিয়ালৈকে নৈৰ পাৰত অনুসন্ধান চলাই পোৱা ভালুকৰ নে আন জন্তুৰ খোজ সেই কথা এতিয়ালৈকে নিশ্চিত হোৱা নাই।

# ফকিৰাগ্ৰাম আঞ্চলিক আক্ৰাছুৰ মহিলা সমিতি গঠন ময়নাৰতলত

অগ্ৰদূত বাৰ্তা

**ফকিৰাগ্ৰাম, ৮ ডিচেম্বৰ ঃ** কোকৰাঝাৰ জিলাৰ ফকিৰাগ্ৰাম আঞ্চলিক আক্ৰাছু কাৰ্যালয় প্ৰাংগণত ফকিৰাগ্ৰাম আঞ্চলিক কোচ ৰাজবংশী মহিলাৰ এখন সাধাৰণ সভা অনুষ্ঠিত হয়। উক্ত সভাখন পৰিচালনা কৰে কোকৰাঝাৰ জিলা (পুঃ) কোচ ৰাজবংশী মহিলা সমিতিৰ সভানেত্ৰী ৰাধিকা বৰ্মনে। সভাখনত সভানেত্ৰী হিচাপে বিষয়া দাস আৰু সা-সম্পাদিকা হিচাপে সুমিত্ৰা ৰায়ক লৈ মুঠ ৩১ জনীয়া এখন পূৰ্ণাংগ ফকিৰাগ্ৰাম আঞ্চলিক কোচ ৰাজবংশী মহিলা সমিতি গঠন কৰে।

# অসম জাতীয় পৰিষদৰ জিলা সমিতিৰ সভাপতি পদৰ পৰা অব্যাহতি

অগ্ৰদূত ব্যুৰ'

**বঙাইগাঁও, ৮ ডিচেম্বৰ ঃ** অসম জাতীয় পৰিষদৰ বঙাইগাঁও জিলা সমিতিৰ সভাপতি কুসুম্বৰ ৰায়ে দলৰ জিলা সভাপতি পদৰ লগতে দলটোৰ সাধাৰণ সদস্য পদৰ পৰা অব্যাহতি লৈছে। আজি এক বিবৃতিত তেওঁ ব্যক্তিগত অসুবিধাৰ বাবে দলৰ জিলা সভাপতিৰ গুৰুদায়িত্বৰ লগতে দলটোৰ সাধাৰণ সদস্য পদৰ পৰা অব্যাহতি লোৱাৰ কথা উল্লেখ কৰিছে। ইতিমধ্যে দলৰ কেন্দ্ৰীয় সভাপতি আৰু সাধাৰণ সম্পাদকলৈ কুসুম্বৰ ৰায়ে অব্যাহতিপত্ৰ প্ৰেৰণ কৰিছে।

# মহিলা-কিশোৰীৰ নিৰ্যাতন বিৰোধী সজাগতা সভা

অগ্ৰদূত বাৰ্তা

**বেবেজীয়া, ৮ ডিচেম্বৰ ঃ** নগাঁও জিলাৰ বেবেজীয়াৰ সমীপৰ কুৰুৱাবাহীত অৱস্থিত দলংঘাট সংহত শিশু উন্নয়ন প্ৰকল্প বিষয়াৰ কাৰ্যালয় প্ৰাংগণত আজি মহিলা আৰু কিশোৰী নিৰ্যাতনৰ ওপৰত অংগনৱাড়ী কৰ্মী-সহায়িকা আৰু মহিলাসকলৰ দ্বাৰা এক সজাগতা সভা অনুষ্ঠিত হয়। পাছত মহিলাসকলে হাতত বিভিন্ন ধৰণৰ মহিলা আৰু কিশোৰী নিৰ্যাতন বিৰোধী প্লেকাৰ্ড লৈ অঞ্চলটোত এক সমদল উলিয়ায়। সমদলটো মুকলি কৰে নিজ হাতীচোং গাঁও পঞ্চায়তৰ সভাপতি অভিজিত মেধিয়ে। এই সভাখনত উপস্থিত থাকে দলংঘাট সংহত শিশু উন্নয়ন প্ৰকল্প বিষয়া ধৰিত্ৰী ৰংপী, বিষয়া পৱিত্ৰ কুমাৰ লস্কৰ আৰু পুষ্পেন্দ্ৰ শইকীয়া আদিৰ লগতে প্ৰকল্পটোৰ আন বিষয়া-কৰ্মচাৰীসকল।

# নগাঁও জিলা পুথিভঁৰাল প্ৰেক্ষাগৃহত প্ৰণৱ শৰ্মা সোঁৱৰণী 'ঘিনাই সাতোলা'ৰ সফল মঞ্চস্থ



বিশেষ সংবাদদাতা


**নগাঁও, ৮ ডিচেম্বৰ ঃ** নগাঁৱৰ অগ্ৰণী নাট্য চৰ্চা অনুষ্ঠান 'ৰংমহল'ৰ উদ্যোগত সাত আৰু আঠ ডিচেম্বৰত দুদিনীয়াকৈ নগাঁও জিলা পুথিভঁৰাল প্ৰেক্ষাগৃহত অনুষ্ঠিত হয় প্ৰণৱ শৰ্মা সোঁৱৰণী নাট্য সন্ধিয়া। অসমৰ মঞ্চ আৰু চলচ্চিত্ৰ জগতৰ এগৰাকী সুদক্ষ অভিনেতা উপকুল বৰদলৈৰ পৰিকল্পনা আৰু পৰিচালনাত দুয়োটা দিনৰে সন্ধিয়া ৫-৪৫ বজাত মঞ্চস্থ হয় নাট্যকাৰ তৰুণ শইকীয়াৰ নাটক 'ঘিনাই সাতোলা'। সাত ডিচেম্বৰৰ নাট্য সন্ধিয়াৰ প্ৰাৰম্ভতে নগাঁৱৰ প্ৰতিভাধৰ যুৱক তথা কানাড়া বেংকৰ জ্যেষ্ঠ বিষয়া প্ৰণৱ শৰ্মাৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন আৰু মাল্যাৰ্পণ কৰে স্থানীয় বিধায়ক ৰূপক শৰ্মা, সদ্যপ্ৰয়াত প্ৰণৱ শৰ্মাৰ মাতৃ প্ৰেমলতা শৰ্মা আৰু পত্নী ফুলু গোস্বামী শৰ্মাই। ইয়াৰ পাছতে ৰংমহলৰ সাধাৰণ সম্পাদক পৱিত্ৰপ্ৰাণ শৰ্মাই আঁত ধৰা অনুষ্ঠানত মঞ্চখন আনুষ্ঠানিকভাৱে মুকলি কৰে বিধায়ক ৰূপক শৰ্মা আৰু শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° হিতেশ ডেকাই। 'ঘিনাই সাতোলা' নাট্যকাৰ তৰুণ শইকীয়াৰ এখন অতি জনপ্ৰিয় নাটক। নাটকৰ মূল বস্তুৱেই হৈছে ন-পুৰণিৰ সংঘাত। ঘিনাই সাতোলা সমাজৰ এজন শিক্ষিত ব্যক্তি হৈয়ো পুৰণি ৰীতি-নীতিক খামুচি ধৰি থকা এজন আঁকোৰ-গোজ স্বভাৱৰ লোক। উচ্চ-নীচ, জাত-পাত, গাঁৱৰ আধুনিক কলঘৰ স্থাপন, খেতিত ৰাসায়নিক সাৰ প্ৰয়োগ আদি বিষয়ক লৈ ঘিনাইৰ দুই পুত্ৰৰ লগত মত বিৰোধ হয়। যাৰ ফলত এদিন মত বিৰোধেই সংঘাতৰ ৰূপ লয় আৰু দুই পুত্ৰ, কন্যাই ঘৰ এৰি গুচি যাব লগা হয়। আনকি ইয়াৰ পৰৱৰ্তী সময়ত ঘিনাইৰ পত্নী আৰু লগুৱা গেলায়ে ঘৰ ত্যাগ কৰিবলৈ বাধ্য হয়। অকলশৰীয়া ঘিনাইক তিলতিলকৈ নিঃসংগতাই আগুৰি ধৰে। নাটকখনৰ মূল বৈশিষ্ট্য হৈছে চৰিত্ৰ বিন্যাস আৰু ইয়াৰ সংলাপ। এই দুয়োটা ক্ষেত্ৰত নাট্যকাৰ শইকীয়া এশ শতাংশ সফল হোৱা বুলি ক'ব পাৰি। নাটকৰ মূল চৰিত্ৰত অভিনয় কৰা উপকূল বৰদলৈ (ঘিনাই সাতোলা)ৰ দুৰ্দান্ত অভিনয় প্ৰতিভা অন্যতম আকৰ্ষণৰূপে বিবেচিত হৈছে। তদুপৰি ৰিগেন শইকীয়া (গেলাই), মানসী বৰা (সাতোলানী), জিতেন্দ্ৰ নাথ বৰা (উমাকান্ত), প্ৰশান্ত শৰ্মা (কন্দৰ্প), মনোজ শৰ্মা (সৰুবাপু), পৱন শৰ্মা (চেনীৰাম), অংগনা বৰদলৈ (দুলু, বোৱাৰী), শিল্পী পৰাশৰ (ৰীণি), গৌতম জে বৰুৱা, অধৰ ঠাকুৰীয়া, প্ৰণৱ বৰদলৈৰ সাৱলীল অভিনয়ে নাটকখনক অনন্য মাত্ৰা প্ৰদান কৰিছে। ইয়াৰ উপৰি নাটকখনৰ সফলতাৰ আঁৰত আৱহ সংগীত ব্যৱস্থাপনাত আছে দীপক শৰ্মা, অজয় ৰাজবংশী আৰু অতুল মহন্ত। আনহাতে, পোহৰ ব্যৱস্থাপনাত থাকে ৰাজেন ফুকন।

## বিশ্বত নাৰী নিৰ্যাতন-নিগ্ৰহৰ ঘটনা বৃদ্ধি পাইছে

# পাঠশালাত নাৰী নিৰ্যাতনৰ বিৰুদ্ধে সমদল

বিশেষ সংবাদদাতা

**পাঠশালা, ৮ ডিচেম্বৰ ঃ** 'সংযুক্ত ৰাষ্ট্ৰসংঘই উদ্বেগেৰে লক্ষ্য কৰিছে যে পৃথিৱীখনত নাৰী নিৰ্যাতন আৰু নিগ্ৰহৰ ঘটনা প্ৰতিনিয়ত বৃদ্ধি হৈ গৈ আছে। এনে প্ৰেক্ষাপটত সংযুক্ত ৰাষ্ট্ৰসংঘই গ্ৰহণ কৰা পযেকজোৰা কাৰ্যসূচীৰ জৰিয়তে ব্যাপক ৰূপত জন সজাগতা সৃষ্টিৰ প্ৰয়াস কৰা হৈছে। উক্ত কাৰ্যসূচীৰ অংশ হিচাপে বজালী সংহত শিশু উন্নয়ন প্ৰকল্প কাৰ্যালয়ে আয়োজন কৰা এক সজাগতা সভাত আজি বজালীৰ উপায়ুক্ত ভাৰত ভূষণ দেৱ চৌধুৰীয়ে এইদৰে মন্তব্য কৰে।



উপায়ুক্ত দেৱ চৌধুৰীয়ে পুনৰ কয় যে নিৰ্যাতনৰ ঘটনা বৃদ্ধিৰ প্ৰাবল্যই সমাজৰ সচেতন আৰু শুভচিন্তকসকলক আচুৰি যায়। আমাৰ অসমতো এনে ঘটনা মাজে সময়ে হৈ থাকে। উদ্বেগজনকভাৱে হৈ থকা এই ঘটনাবোৰে আমাক ব্যথিত কৰে। আমি হতচকিত হও। সৰ্বদিশৰ দ্বাৰা গৌৰৱ সমৃদ্ধি অসমত এনে ঘটনাৱলী নিৰ্মূল কৰাৰ বাবে সকলোৱে তৎপৰ হ'ব লাগিব। সতৰ্ক হ'ব লাগিব। 'প্ৰসংগক্ৰমে তেওঁ কয় যে নাৰী নিৰ্যাতন বিৰোধী আন্দোলনৰ নেতৃত্ব পুৰুষেই দিব লাগিব আৰু ইয়াৰ বিৰুদ্ধে পুৰুষ আগুৱাই আহিব লাগিব। পাঠশালাৰ আজাদ ভৱনত আয়োজিত আৰু বজালীৰ সংহত শিশু উন্নয়ন প্ৰকল্প বিষয়া কানন তালুকদাৰে উদ্দেশ্য ব্যাখ্যা কৰা সভাত উপায়ুক্তই আৰু কয় যে শিক্ষাৰ উদ্দেশ্য হ'ব লাগে লিংগ সমতা সুনিশ্চিত কৰাটো। উল্লেখ্য যে এই উদ্দেশ্যত উলিওৱা শোভাযাত্ৰাৰ ফ্লেগ অফ কৰে উপায়ুক্ত দেৱ চৌধুৰীয়ে। আজাদ ভৱনৰ পৰা পাঠশালা চহৰৰ মাজেৰে উলিওৱা নাৰী নিৰ্যাতন বিৰোধী সমদলত নাৰী শক্তিকেন্দ্ৰৰ সদস্যা, স্বেচ্ছাসেৱক, অংগনৱাড়ী কৰ্মী আৰু সহায়িকাসকল, পোষণৰ কৰ্মচাৰীসকলে ভাগ লোৱাৰ উপৰি উপায়ুক্ত দেৱচৌধুৰী উপস্থিত থাকে যি সমদলত উপায়ুক্তই আছিল একমাত্ৰ পুৰুষ। তেওঁ ভাষণত পুৰুষক এই দিশত আগভাগ ল'বলৈ অকল কোৱাই নহয়, শোভাযাত্ৰাত মহিলাসকলৰ স'তে তেওঁ খোজ কাঢ়ি কাৰ্যসূচী সফল কৰি তোলাত মহিলাসকলক উৎসাহ যোগায়।

# ক্ষেত্ৰীত পুনৰ দাওদাওঁকৈ জ্বলি উঠিল খেৰভৰ্তি বাহন

**অগ্ৰদূত বাৰ্তা**



**সোণাপুৰ, ৮ ডিচেম্বৰ ঃ** ক্ষেত্ৰীত আজি সন্ধিয়া ৭.৩০ বজাত ক্ষেত্ৰীৰ সেনাবৰত পুনৰ দাওদাওকৈ জ্বলি উঠিল এখন খেৰভৰ্তি ডি আই বাহন। এ এছ ০১ এফ চি ৫৯৬১ নম্বৰৰ খেৰভৰ্তি বাহনখন ৩৭ নম্বৰ ঘাইপথৰ দাঁতিত গুৱাহাটী অভিমুখে বৈ থকা অৱস্থাত হঠাতে দাওদাওকৈ জ্বলি উঠে। জুইৰ লেলিহান শিখাই নিমিষতে আগচি ধৰাত ক্ষেত্ৰী আৰক্ষী আৰু অগ্নিনিৰ্বাপক বাহিনী ঘটনাস্থলীত উপস্থিত হৈ জুই নিৰ্বাপণ কৰে। অগ্নিকাণ্ডৰ কাৰণ জানিব পৰা হোৱা নাই।

# জুৰীয়াৰ আলিটাঙনীত ড্ৰাগছসহ ধৃত দুই

**অগ্ৰদূত বাৰ্তা**

**জুৰীয়া, ৮ ডিচেম্বৰ ঃ** নগাঁও জিলাৰ জুৰীয়া আৰক্ষী থানাৰ অন্তৰ্গত আলিটাঙানীৰ পৰা আৰক্ষীয়ে আজি বিয়লি ড্ৰাগছসহ দুজন সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰে। নগাঁও জিলাৰ অতিৰিক্ত আৰক্ষী অধীক্ষক ধ্ৰুৱ বৰা নেতৃত্বত অহা আৰক্ষীৰ দলটোৱে ড্ৰাগছ সৰবৰাহকাৰী গুলজাৰ হুছেইন আৰু মিৰ হুছেইনক গ্ৰেপ্তাৰ কৰাৰ লগতে দুটা চাবোনৰ বাকচত থকা বৃহৎ পৰিমাণৰ ড্ৰাগছ জব্দ কৰে।

# অপ্ৰাদেশীকৃত বিদ্যালয় প্ৰাদেশিকীকৰণৰ আলোচনাৰ সময়সীমা নিৰ্ধাৰণৰ দাবী

**অগ্ৰদূত বাৰ্তা**

**কাজলগাঁও, ৮ ডিচেম্বৰ ঃ** আগন্তুক ১১ ডিচেম্বৰৰ ভিতৰত বিটিআৰৰ অপ্ৰাদেশীকৃত বিদ্যালয় প্ৰাদেশীকৰণৰ বাবে চৰকাৰে কোনো আলোচনাৰ ব্যৱস্থা নকৰিলে ১২ ডিচেম্বৰৰ পৰা ধাৰাবাহিক আন্দোলনৰ হুংকাৰ দিব বুলি সদৰী কৰে সদৌ বিটিআৰ অপ্ৰাদেশীকৃত প্ৰাথমিক আৰু উচ্চ প্ৰাথমিক বিদ্যালয়ৰ শিক্ষক সন্থাই। আজি চিৰাং জিলা সমিতিৰ তৰফৰ পৰা সংবাদ মাধ্যমক জনোৱা মতে কোকৰাঝাৰ পশ্চিম সমষ্টিৰ বিধায়ক লৰেঞ্চ ইছলাৰীয়ে সন্থাৰ কেন্দ্ৰীয় সমিতিৰ স'তে ডিচেম্বৰৰ প্ৰথম সপ্তাহতে চৰকাৰৰ স'তে আলোচনা কৰাৰ প্ৰতিশ্ৰুতি প্ৰদান কৰিছিল যদিও আজি আঠ ডিচেম্বৰলৈ আলোচনা নোহোৱাত জাঙুৰ খাই উঠিছে সন্থা। যাৰ বাবে অহা ১১ ডিচেম্বৰৰ ভিতৰত কোনো আলোচনা নহলে ১২ ডিচেম্বৰৰ পৰা ধাৰবাহিক আন্দোলনৰ হুংকাৰ দিয়ে সন্থাই।



কাকতলৈ প্ৰেৰণ কৰা এক বিবৃতিত চিৰাং জিলা সমিতি সদৌ বিটিআৰ অপ্ৰাদেশীকৃত বিদ্যালয় শিক্ষক সন্থাৰ সভাপতি ভৱৰঞ্জন বসুমতাৰীয়ে জনায় যে আগন্তুক বিধানসভা অধিৱেশনত বিটিআৰ চুক্তিৰ ৬.৩ নম্বৰ দফা কাৰ্যকৰী কৰি অপ্ৰাদেশীকৃত বিদ্যালয় প্ৰাদেশীকৰণ কৰিব লাগে। ডাইচকোড থকা সকলো বিদ্যালয় বিনা চৰ্তে প্ৰাদেশীকৰণৰ দাবী, মধ্য ইংৰাজী বিদ্যালয়সমূহত ৫+১ আৰু ৬+১ শিক্ষকলৈ প্ৰাদেশীকৰণৰ দাবী কৰে। বিনা বেতনে অৱসৰ লোৱা শিক্ষকসকলক এককালীন আৰ্থিক অনুদানৰ দাবী। বিটিআৰত পূৰ্বৰ এনৰোলমেণ্ট ৩০ জনৰ ছাত্ৰ-ছাত্ৰীৰ সলনি ২০ কৰাৰ দাবী, সকলো অপ্ৰাদেশীকৃত বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীক প্ৰাদেশীকৰণ হোৱা বিদ্যালয়ৰ দৰে সুবিধা প্ৰদানৰ দাবী জনায় কাৰণ বিদ্যালয়হে অপ্ৰাদেশীকৃত ছাত্ৰ-ছাত্ৰী নহয় বুলি দাবী কৰে।

# নগাঁৱত গাঁওৰক্ষী বাহিনী-ৰাইজে কৰায়ত্ত কৰিলে ড্ৰাগছ সৰবৰাহকাৰীক

**বিশেষ সংবাদদাতা**

**নগাঁও, ৮ ডিচেম্বৰ ঃ** নগাঁৱত আৰক্ষীৰ সমান্তৰালভাৱে নগএগ্ৰা ৰাইজেও ড্ৰাগছৰ বিৰুদ্ধে মাৰ বান্ধি থিয় দিছে। যোৱা ছয় ডিচেম্বৰত নগাঁও চহৰৰ সমীপৰ আজাদ নগৰত দুৰ্ধৰ্ষ ড্ৰাগছ মাফিয়া আবুল বাচেত ওৰফে ইফুসহ আন সাতজন লোকক গ্ৰেপ্তাৰ কৰাৰ পাছত যোৱা নিশা আজাদ নগৰৰ স্থানীয় ৰাইজৰ সহযোগত গাঁওৰক্ষী বাহিনীয়ে ড্ৰাগছৰ বিৰুদ্ধে অভিযান চলায়। গাঁওৰক্ষী বাহিনী আৰু ৰাইজে ৰূপজ্যোতি বৰা, চৰিফুল ইছলাম, আৰিফুল ইছলাম, মহিদুল ইছলাম নামৰ ড্ৰাগছ সৰবৰাহকাৰীকেইজনক কৰায়ত্ত কৰি নগাঁও সদৰ আৰক্ষীক গতাই দিয়ে। এই চাৰি ড্ৰাগছ সৰবৰাহকাৰীৰ পৰা গাঁওৰক্ষী বাহিনীয়ে বৃহৎ পৰিমাণৰ হেৰ'ইন জব্দ কৰে। ইপিনে, ড্ৰাগছ সৰবৰাহকাৰীৰ এজনে দিয়া স্বীকাৰোক্তি অনুসৰি তেওঁৰ ১২ বছৰীয়া ভ্ৰাতৃয়েও ড্ৰাগছ সেৱন কৰে। অৱশ্যে আজাদ নগৰৰ ড্ৰাগছ সৰবৰাহকাৰী তথা কুখ্যাত মটৰ চাইকেল চোৰ হিবজুৰ ৰহমানে পলাই যাবলৈ সক্ষম হয়।

# ফকিৰাগ্ৰামত কমতাপুৰী কোচ ৰাজবংশী শিল্পী সমাজৰ প্ৰতিষ্ঠা দিৱসৰ আয়োজন

## কমতা ফেষ্টিভেল পালনৰ প্ৰস্তুতি

**অগ্ৰদূত বাৰ্তা**



**ফকিৰাগ্ৰাম, ৮ ডিচেম্বৰ ঃ** কমতাপুৰী কোচ ৰাজবংশী শিল্পী সমাজৰ চতুৰ্থ সংখ্যক প্ৰতিষ্ঠা দিৱস আৰু কমতা ফেষ্টিভেল এইবাৰ কোকৰাঝাৰ জিলাৰ ফকিৰাগ্ৰামৰ ময়নাৰতল বাখাৰাত অনুষ্ঠিত হ'ব। অহা পাঁচ আৰু ছয় জানুৱাৰীত অনুষ্ঠিত কাৰ্যসূচী সূচাৰুৰূপে সম্পন্ন কৰাৰ বাবে আজি ময়নাৰতল বাখাৰাত আদৰণি সমিতিৰ এখন সভা অনুষ্ঠিত হয়। আদৰণি সমিতিৰ সভাপতি তথা কে ই চিৰ কাৰ্যবাহী সদস্য কৰ্মেশ্বৰ ৰায়ৰ সভাপতিত্বত অনুষ্ঠিত সভাত কোচ ৰাজবংশী জনগোষ্ঠীৰ গীত-মাত, কৃষ্টি-সংস্কৃতি, কোচ ৰাজবংশী লোক-সংস্কৃতি প্ৰতিফলিত হোৱাকৈ বা কোচ ৰাজবংশী জনগোষ্ঠীৰ মাটিৰ গোন্ধ থকাকৈ অনুষ্ঠানটো উদ্‌যাপন কৰা সন্দৰ্ভত আলোচনা কৰা হয়। আদৰণি সমিতিৰ সম্পাদক তথা আক্ৰাছুৰ প্ৰাক্তন নেতা কংকন ৰায়ে আঁতধৰা অনুষ্ঠানত কমতাপুৰী কোচ ৰাজবংশী শিল্পী সমাজৰ সম্পাদনা দেৱজিৎ ৰায়, কোকৰাঝাৰ জিলা আক্ৰাছুৰ উপদেষ্টা বিষ্ণুজ্যোতি ৰায়, কমতাপুৰী কোচ ৰাজবংশী শিল্পী সমাজৰ সভাপতি শ্ৰীমন্ত মণ্ডল, উপদেষ্টা ভৃগু মুনি ৰায় আদিয়ে বিভিন্ন দিহা-পৰামৰ্শৰে বক্তব্য দাঙি ধৰে। বিটিআৰৰ স্বাস্থ্য আৰু পৰিয়াল কল্যাণ পৰিষদৰ কাৰ্যবাহী সদস্য তথা কমতাপুৰী কোচ ৰাজবংশী শিল্পী সমাজৰ প্ৰতিষ্ঠা দিৱস আৰু মিউজিক ফেষ্টিভেল আদৰণি সমিতিৰ পৃষ্ঠপোষক অৰূপ দাসৰ উপস্থিত থাকি অনুষ্ঠান সাফল্যমণ্ডিত কৰি তোলাৰ বাবে সকলো প্ৰকাৰ সহায়-সহযোগিতাৰ আশ্বাস দিয়ে।

# তামাৰহাটত শ্ৰেণীকোঠাৰ অভাৱত গছৰ তল-বাৰাণ্ডাত পাঠ গ্ৰহণ শিক্ষাৰ্থীৰ

## ২০১৫ ত ধুমুহাত বিধ্বস্ত স্কুল গৃহ আজিও নহ'ল মেৰামতি



**তামাৰহাট, ৮ ডিচেম্বৰ ঃ** কোকৰাঝাৰ জিলাৰ গোসাঁইগাঁও শিক্ষাখণ্ডৰ অন্তৰ্গত মল্লিকাপুৰ নিম্ন প্ৰাথমিক বিদ্যালয়ৰ বিধ্বস্তৰূপে ৰাইজক চিন্তান্বিৰ কৰিছে। প্ৰাথমিক শিক্ষা ব্যৱস্থাৰ পৰিকাঠা মোৰ উন্নতি কৰিবলৈ চৰকাৰে কোটি কোটি টকা খৰচ কৰিছে যদিও প্ৰয়োজনীয় শ্ৰেণীকোঠাৰ অভাৱত উপযুক্ত শিক্ষা আহৰণৰ পৰা বঞ্চিত হৈ আহিছে শিক্ষাৰ্থীসকলে। তেনে এখন প্ৰাথমিক বিদ্যালয় হৈছে গোসাঁইগাঁও শিক্ষাখণ্ডৰ মল্লিকাপুৰ নিম্ন প্ৰাথমিক বিদ্যালয়। বিদ্যালয়খনৰ দুটা আহল-বহল শ্ৰেণীকোঠালি আছিল যদিও ২০১৬ত ধুমুহাৰ ফলত গছ ঘৰৰ ওপৰত বাগৰি পৰাত বিদ্যালয় গৃহটো বিধ্বস্ত হৈ পৰে। তেতিয়াৰ পৰাই এটা কোঠালিৰ ভিতৰত ছটা শ্ৰেণীৰে পাঠদান চলি আহিছে। অকল সেয়াই নহয় শ্ৰেণী কোঠাৰ অভাৱত শিক্ষাত ব্যাঘাত সৃষ্টি হোৱাত গছৰ তলত আৰু বাৰাণ্ডাত শিক্ষকে পাঠদান কৰিবলগীয়া হৈছে। ৭০ গৰাকী শিক্ষাৰ্থী বহিবলৈ নাই শ্ৰেণীকোঠা। স্থানীয় ৰাইজে এই ক্ষেত্ৰত ব্যৱস্থা গ্ৰহণ কৰিবলৈ সংশ্লিষ্ট কৰ্তৃপক্ষক দাবী জনাইছে।

# তামুলপুৰত বিয়াৰ দিনাই ৰোপণ কৰিলে মূল্যৱান গছ-পুলি

**অগ্ৰদূত বাৰ্তা**



**তামুলপুৰ, ৮ ডিচেম্বৰ ঃ** তামুলপুৰ মহকুমাৰ অন্তৰ্গত ঘোগমাৰী গাঁৱত আজি অনুষ্ঠিত হয় এখন ব্যতিক্ৰমী বিয়া। গাঁওখনৰ ডিম্বেশ্বৰ ৰাভাৰ সন্তান অঞ্জনজ্যোতি ৰাভা ওৰফে লাটুৰ আজি শুভ পৰিণয়ৰ দিন। কম্পিউটাৰ ইঞ্জিনীয়াৰ অঞ্জনজ্যোতি ৰাভাৰ পৰিণয়ৰ দিনা পৰিলক্ষিত হ'ল এখন ব্যতিক্ৰমী ছবি। শুভ পৰিণয়ৰ দিনা অঞ্জনজ্যোতিয়ে গ্ৰহণ কৰে এক ব্যতিক্ৰমী পদক্ষেপ। অঞ্জনজ্যোতিয়ে তেওঁলোকৰ ককাক প্ৰয়াত সমাজকৰ্মী চন্দ্ৰকান্ত ৰাভাৰ নামেৰে নামকৰণ কৰা গ্ৰাম পথটোৰ দুয়োকাষে নাহৰ, কৃষ্ণচূড়া আদি অতি মূল্যৱান গছপুলি ৰোপণ কৰে। যুৱকজনৰ এনে কাৰ্যত অঞ্চলটোৰ পুৰুষ-মহিলাসকলেও সহযোগিতা আগবঢ়ায়। অতি মূল্যবান গছ পুলি ৰোপণেৰে অঞ্জনজ্যোতিয়ে অঞ্চলটোত প্ৰাকৃতিক ভাৰসাম্য ৰক্ষা কৰাৰ বাবে চেষ্টা চলায়। নিজৰ শুভ পৰিণয়ৰ দিনা পথটোৰ দুয়োকাষে ৫০ টাকৈ মূল্যবান গছপুলি ৰোপণ কৰি অঞ্জনজ্যোতিয়ে কয়, 'অবাধ প্ৰকৃতি ধ্বংসৰ ফলত সৰ্বত্ৰে এতিয়া প্ৰাকৃতিক ভাৰসাম্য নোহোৱা হৈছে। গাঁও অঞ্চলতো এতিয়া গছ-গছনি নোহোৱা হৈছে। পথটোৰ দুয়োকাষে আজিৰ বিশেষ দিনটোত গছপুলি ৰোপণ কৰি এই বিশেষ দিনটো সজীৱ কৰি ৰাখিব বিচাৰিছো।' আজি ৰোপণ কৰা গছপুলিকেইটাৰ ভালদৰে শ্ৰীবৃদ্ধি হোৱাৰ ক্ষেত্ৰতো বাঁহৰ খোৰাৰ দিয়াৰো ব্যৱস্থা গ্ৰহণ কৰিছে অঞ্জনজ্যোতিয়ে। উল্লেখ্য যে চৰকাৰী চাকৰিৰ আশা বাদ দি নিজ গৃহতেই গাহৰি পালন, মৎস্য পালন আৰু ব্ৰইলাৰৰ ফাৰ্ম খুলি স্বাৱলম্বিতাৰ অনন্য নিদৰ্শন দেখুৱাইছে অঞ্জনজ্যোতিয়ে।






### এদিনীয়াৰ নেতৃত্বৰ পৰা বিৰাটক আঁতৰাই ৰোহিতক দায়িত্ব নিৰ্বাচকৰ

# দক্ষিণ আফ্ৰিকা ভ্ৰমণৰ ভাৰতীয় দল ঘোষণা




**মুম্বাই, ৮ ডিচেম্বৰ ঃ** চলিত মাহতে দক্ষিণ আফ্ৰিকা ভ্ৰমণ কৰিব লগা ভাৰতীয় টেষ্ট দলটো আজি ঘোষণা কৰিছে বি চি চি আয়ে। উল্লেখ্য যে দক্ষিণ আফ্ৰিকাত ভাৰতীয় দলে তিনিখন টেষ্টৰ এক শৃংখলা খেলিব। আই চি চি বিশ্ব টেষ্ট চেম্পিয়নশ্বিপৰ অন্তৰ্গত দক্ষিণ আফ্ৰিকা আৰু ভাৰতীয় ক্ৰিকেট দলৰ মাজৰ এই তিনিখনীয়া টেষ্ট শৃংখলা। টীম ইণ্ডিয়াৰ এদিনীয়া আৰু টি-20 ৰ অধিনায়ক ৰোহিত শৰ্মাক এইবাৰ টেষ্ট দলৰ সহঃঅধিনায়কৰ দায়িত্ব দিয়া হৈছে পূৰ্বৰ অজিংক্য ৰাহানেৰ স্থানত। ইফালে, আঘাতৰ বাবে বিৰাট কোহলিৰ নেতৃত্বত ঘোষিত দক্ষিণ আফ্ৰিকা ভ্ৰমণ কৰিব লগা ভাৰতীয় টেষ্ট দলটোত স্থান নাপালে ৰবীন্দ্ৰ জাডেজা, শুভমন গিল আৰু অক্ষৰ পেটেলে। ঘোষিত দলটো হ'ল ঃ বিৰাট কোহলি, ৰোহিত শৰ্মা, লোকেছ ৰাহুল, মায়ংক আগৰৱাল, চেতেশ্বৰ পূজাৰা, অজিংক্য ৰাহানে, শ্ৰেয়াছ আয়াৰ, হনুমা বিহাৰী, ঋষভ পণ্ট, ঋদ্ধিমান সাহা, ৰবিচন্দ্ৰন অশ্বিন, জয়ন্ত যাদব, ঈশান্ত শৰ্মা, মহম্মদ ছামি, উমেশ যাদব, যশপ্ৰীত বুমৰাহ, ছাৰ্দুল ঠাকুৰ আৰু মহম্মদ চিৰাজ। উল্লেখ্য যে আই চি চি বিশ্ব টেষ্ট চেম্পিয়নশ্বিপৰ অন্তৰ্গত দক্ষিণ আফ্ৰিকা আৰু ভাৰতীয় ক্ৰিকেট দলৰ মাজৰ এই তিনিখনীয়া টেষ্ট শৃংখলাৰ প্ৰথম টেষ্ট 26-30 ডিচেম্বৰত, দ্বিতীয় টেষ্ট তিনিৰ পৰা সাত জানুৱাৰী আৰু তৃতীয় টেষ্ট 11-15 জানুৱাৰীত অনুষ্ঠিত হ'ব। ইফালে, আজি বি চি চি আইৰ নিৰ্বাচকে ভাৰতীয় দলৰ এদিনীয়াৰ নেতৃত্বৰ পৰা বিৰাট কোহলিক আঁতৰাই নতুন অধিনায়কৰূপে ৰোহিত শৰ্মাৰ নাম ঘোষণা কৰিছে।

## ফাইনেলত মাছাল ক্লাবৰ বিৰুদ্ধে বড়ো স্পৰ্টছ ক্লাব

**অগ্ৰদূত বাৰ্তা**

**দলগাঁও, ৮ ডিচেম্বৰ ঃ** দলগাঁও ক্ৰীড়া সন্থাৰ উদ্যোগত চলি থকা মাৰাডোনা ট্ৰফী ফুটবল প্ৰতিযোগিতাৰ অহা শনিবাৰে হ'বলগা ফাইনেলত মুখামুখি হ'ব দলগাঁও মাছাল ক্লাব আৰু ভকতপাৰা বড়ো স্পৰ্টছ ক্লাব। উল্লেখ্য যে দলগাঁও টাউন খেলপথাৰত হোৱা মাৰাডোনা ট্ৰফী ফুটবল প্ৰতিযোগিতাৰ প্ৰথম ছেমিফাইনেলত ভকতপাৰা বড়ো স্পৰ্টছ ক্লাবে আয়োজক দলক। আনহাতে, দ্বিতীয়খন ছেমিফাইনেলত দলগাঁও মাছাল ক্লাবে পৰাস্ত কৰে গাৰো গাঁও এফ চিক।




### এছেজ শৃংখলা আৰম্ভ

## ১৪৭ ৰাণতে প্ৰথম ইনিংছ সামৰিলে ইংলণ্ডে

**ব্ৰীজবেন, ৮ ডিচেম্বৰ ঃ** আজিৰে পৰা আৰম্ভ হৈছে অষ্ট্ৰেলিয়া আৰু ইংলণ্ডৰ মাজৰ এছেজ শৃংখলাৰ প্ৰথম টেষ্ট। আজি প্ৰথম দিনা পোনতে বেটিং কৰি ইংলণ্ডে মাত্ৰ 147 ৰাণতে প্ৰথম ইনিংছ সামৰে। জ'ছ বাটলাৰে 39 ৰাণ কৰাৰ বিপৰীতে প'পে 35 ৰাণ কৰে। কিন্তু ব্যৰ্থ হয় ইংলণ্ডৰ অধিনায়ক জ' ৰুট (0] আৰু দীৰ্ঘ সময়ৰ পাছত প্ৰত্যাৱৰ্তন কৰা অলৰাউণ্ডাৰ বেন ষ্টকছ (5]¼ ইংলণ্ডৰ প্ৰথম ইনিংছত এই বেটিং বিপৰ্যয়ৰ মূলতে হ'ল অষ্ট্ৰেলিয়াৰ নতুন টেষ্ট অধিনায়ক পাট কামিনছৰ অনন্য বলিং। 38 ৰাণত পাঁচটা উইকেট পায় কামিনছে।

### বিজয় হাজাৰে ট্ৰফী ৰাষ্ট্ৰীয় এদিনীয়া ক্ৰিকেট

## প্ৰথম মেচত গোৱাৰ বিৰুদ্ধে পাঁচ উইকেটত পৰাস্ত অসম

**গুৱাহাটী, ৮ ডিচেম্বৰ ঃ** অসম ক্ৰিকেট দলে বিজয় হাজাৰে ট্ৰফী ৰাষ্ট্ৰীয় এদিনীয়া ক্ৰিকেট প্ৰতিযোগিতাৰ প্ৰথম মেচতে পৰাজয়ৰ সন্মুখীন হৈছে। আজি গোৱাই পাঁচ উইকেটত পৰাস্ত কৰে অসমক। পোনতে বেটিং কৰি অসমে 50 অভাৰত ন উইকেট হেৰুৱাই 215 ৰাণ কৰে। দলৰ হৈ স্বৰূপম পুৰকায়স্থই 45, ৰিয়ান পৰাগে 40, ছাহিল জৈনে 34, মুখতাৰ হুছেইনে 29 আৰু ডেনিছ দাসে 27 ৰাণ কৰে। প্ৰত্যুত্তৰত, গোৱাই 48.3 অভাৰত পাঁচ উইকেট হেৰুৱাই 219 ৰাণ কৰি জয় অৰ্জন কৰে। একনাথে 61 আৰু স্নেহালে 49 ৰাণ কৰে। অসমৰ হৈ ৰ'শ্বন আলমে দুটা উইকেট পায়। অসমে কাইলৈ ছাৰ্ভিচেজৰ বিৰুদ্ধে খেলিব। উল্লেখ্য যে অসম ক্ৰিকেট সন্থাই বিজয় হাজাৰে ট্ৰফী ৰাষ্ট্ৰীয় এদিনীয়া ক্ৰিকেট প্ৰতিযোগিতাৰ বাবে ঘোষিত দলটো হ'ল ঃ কুনাল শইকীয়া (অধিনায়ক), ছাহিল জৈন, শিৱ শংকৰ ৰয়, ডেনিছ দাস, ৰ'শ্বন আলম, অম্লানজ্যোতি দাস, মুখতাৰ হুছেইন, ৰিয়ান পৰাগ, ঋষভ দাস, প্ৰীতম দাস, ৰনজিত মালী, ৰাহুল সিং, ৰেজাকুদ্দিন আহমেদ, স্বৰূপম পুৰকায়স্থ, অৰূপ দাস আৰু ৰাছিকুৰ ৰহমান।

### ডিগবৈত বড়ৌচা কাপ ফুটবল

## ডিবিডি ক্লাবৰ জয়লাভ



**ডিগবৈ, ৮ ডিচেম্বৰ ঃ** চলিত বড়ৌচা কাপ ফুটবল প্ৰতিযোগিতাৰ আজি ডিগবৈ হোৱা মেচত ডিবিডি ফুটবল ক্লাবে জয় অৰ্জন কৰে। মোলুকগাওঁ খেলপথাৰত হোৱা মেচত ডিবিডি ফুটবল ক্লাব মুখামুখি হয় নৱজ্যোতি ফুটবল ক্লাবৰ। মেচখনত ডিবিডি ফুটবল ক্লাবে 5-2 গ'লত পৰাস্ত কৰে নৱজ্যোতি ফুটবল ক্লাবক। উল্লেখ্য যে এয়া নৱজ্যোতি ফুটবল ক্লাবৰ দ্বিতীয় পৰাজয়। মোলুকগাওঁ খেলপথাৰত হোৱা পূৰ্বৰ মেচত সঞ্জীৱ বাৰ্মা ফুটবল ক্লাবে 2-0 গ'লত পৰাস্ত কৰিছিল নৱজ্যোতি এ চিক।



### স্বাধীনতা দিৱস কাপ ফুটবল প্ৰতিযোগিতা

## অসম পুলিচ ব্লুজক হৰুৱাই ফাইনেলত কেৰালা ইউনাইটেড

**অগ্ৰদূত বাৰ্তা**

**বেবেজীয়া, ৮ ডিচেম্বৰ ঃ** চলিত 73 সংখ্যক স্বাধীনতা দিৱস কাপ ফুটবল প্ৰতিযোগিতাৰ ফাইনেল মেচখন বিদ্যুৎ পৰিষদ আৰু কেৰালা ইউনাইটেড ফুটবল ক্লাবৰ মাজত অনুষ্ঠিত হ'ব। উল্লেখ্য যে নগাঁও ক্ৰীড়া সন্থাৰ উদ্যোগত চলি থকা স্বাধীনতা দিৱস কাপ ফুটবল প্ৰতিযোগিতাৰ আজি অনুষ্ঠিত হোৱা দ্বিতীয় খন ছেমিফাইনেলত অসম পুলিচ ব্লুজ দলে খেলে কেৰালা ইউনাইটেড ফুটবল ক্লাবৰ বিৰুদ্ধে। নুৰুল আমিন ষ্টেডিয়ামত হোৱা মেচখনত কেৰালা ইউনাইটেড ফুটবল ক্লাবে 2-1 গ'লত পৰাস্ত কৰে অসম পুলিচ ব্লুজক। উল্লেখ্য যে কোৱাৰ্টাৰ ফাইনেলত অসম পুলিচ ব্লুজ দলে টাইব্ৰেকাৰত 4-2 [0-0] গ'লত বদৌছা স্পৰ্টছ ক্লাবক পৰাস্ত কৰি দ্বিতীয় দলৰূপে প্ৰতিযোগিতাৰ ছেমিফাইনেলত প্ৰৱেশ কৰিছিল। আনহাতে, অন্তিম কোৱাৰ্টাৰ ফাইনেলত কেৰালা ইউনাইটেড ফুটবল ক্লাব দলে টাইব্ৰেকাৰত 4-1 গ'লত বঙাইগাঁৱৰ ইলেভেন ষ্টাৰ এফ চিক পৰাস্ত কৰি ছেমিফাইনেলত প্ৰৱেশ কৰিছিল। ইয়াৰপূৰ্বে বিদ্যুৎ পৰিষদ দলে চলিত 73 সংখ্যক স্বাধীনতা দিৱস কাপ ফুটবল প্ৰতিযোগিতাৰ ফাইনেলত প্ৰৱেশ কৰিবলৈ সক্ষম হয়। নগাঁও ক্ৰীড়া সন্থাৰ উদ্যোগত চলি থকা স্বাধীনতা দিৱস কাপ ফুটবল প্ৰতিযোগিতাৰ প্ৰথমখন ছেমিফাইনেলত অইল ইণ্ডিয়াৰ মুখামুখি হয় বিদ্যুৎ পৰিষদ। অইল দলক 3-0 গ'লত বিধ্বস্ত কৰি ফাইনেলত প্ৰৱেশ কৰিছে বিদ্যুৎ পৰিষদে। উল্লেখ্য যে কোৱাৰ্টাৰ ফাইনেলত বিদ্যুৎ পৰিষদ দলে 8-0 গ'লত পৰাস্ত কৰিছিল কাৰচাং ফুটবল ক্লাবক। আনহাতে, অইল ইণ্ডিয়া ফুটবল দলে কোৱাৰ্টাৰ ফাইনেলত 3-1 গ'লত জয়লাভ কৰিছিল আপাৰ আসাম ফুটবল ক্লাবৰ বিৰুদ্ধে। অহা শুকুৰবাৰে অনুষ্ঠিত হ'ব ফাইনেল।




ইংলণ্ডৰ প্ৰথম ইনিংছত পাঁচটা উইকেট লাভ কৰা কামিনছ।

### দ্বিতীয় টেষ্টত এক ইনিংছ আৰু আঠ ৰাণত জয়লাভ

## বাংলাদেশৰ বিৰুদ্ধে দুখনীয়া শৃংখলা ২-০ ত দখল পাকিস্তানৰ



**ঢাকা, ৮ ডিচেম্বৰ ঃ** পাকিস্তানে বাংলাদেশৰ বিৰুদ্ধে খেলা দুখনীয়া টেষ্ট শৃংখলাটো 2-0 ত দখল কৰিছে। চলিত দ্বিতীয়খন টেষ্টৰ আজি অন্তিম দিনা পাকিস্তানে এক ইনিংছ আৰু আঠ ৰাণত জয়লাভ কৰে। উল্লেখ্য যে টেষ্টখনৰ প্ৰথম তিনি দিন বতৰে বিঘিনি দিয়াৰ পাছত চতুৰ্থদিনা পাকিস্তানে চাৰি উইকেটত 300 ৰাণ কৰি প্ৰথম ইনিংছ ঘোষণা কৰিছিল। প্ৰত্যুত্তৰত, চতুৰ্থ দিনাৰ খেলৰ অন্তত বাংলাদেশে প্ৰথম ইনিংছ আৰম্ভ কৰি সাতটা উইকেট হেৰুৱাই 76 ৰাণ কৰাৰ পাছত আজি পূৰা 87 ৰাণত অলআউট হয়। বাংলাদেশৰ হৈ ছাকিব আলা হাছানে 33 ৰাণ কৰাৰ বিপৰীতে পাকিস্তানৰ হৈ আঠটা উইকেট পায় ছাজিদ খানে। ফল'অনৰ সন্মুখীন হৈ পুনৰ বেটিং কৰা বাংলাদেশে দ্বিতীয় ইনিংছত 205 ৰাণত অলআউট হৈ পৰাজয় স্বীকাৰ কৰে। ঘৰুৱা দলৰ হৈ ছাকিবে 63, লিটন দাসে 45 আৰু মুছফিকুৰ ৰহিমে 48 ৰাণ কৰাৰ বিপৰীতে পাকিস্তানৰ হৈ চাৰিটা উইকেট পায় ছাজিদে। উল্লেখ্য যে চলিত দ্বিতীয়খন টেষ্টৰ প্ৰথমদিনা 57 অভাৰৰ খেল হোৱাৰ পাছত দ্বিতীয় দিনা মাত্ৰ ছয় অভাৰৰ খেল সম্ভৱ হয়। কিন্তু তৃতীয় দিনা এটাও বল নপৰিল। পকিস্তানৰ হৈ আজাহাৰ আলিয়ে 56 আৰু বাবৰ আজমে 76 ৰাণ কৰাৰ লগতে অপৰাজিত হৈ থাকে ফাহিদ (50] আৰু ৰিজৱান (53]। উল্লেখ্য যে পোনতে বেটিং কৰা পাকিস্তানে প্ৰথমদিনা প্ৰথম ইনিংছত দুই অপেনাৰ আবিদ আলী (39] আৰু ছফিক (25] ৰ উইকেট দুটা হেৰুৱাই 161 ৰাণ কৰিছিল। পাকিস্তানে বাংলাদেশৰ বিৰুদ্ধে খেলা দুখনীয়া টেষ্ট শৃংখলাৰ প্ৰথমখন টেষ্টত আঠ উইকেটত জয়লাভ কৰিছিল।

## লখিমপুৰত ছাব-জুনিয়ৰ আন্তঃজিলা আৰ্চাৰীৰ প্ৰস্তুতি

**গুৱাহাটী, ৮ ডিচেম্বৰ ঃ** অসম আৰ্চাৰী সন্থাৰ সহযোগত অহা 10-12 ডিচেম্বৰত লখিমপুৰত অনুষ্ঠিত হ'ব ছাব-জুনিয়ৰ আন্তঃজিলা আৰ্চাৰী প্ৰতিযোগিতা। লখিমপুৰ আৰ্চাৰী সন্থাই আয়োজন কৰা এই ছাব-জুনিয়ৰ আন্তঃজিলা আৰ্চাৰী প্ৰতিযোগিতাত 15 খন জিলা আৰু আঠটা আৰ্চাৰী গোটে অংশ ল'ব। অসম আৰ্চাৰী সন্থাই জনোৱা অনুসৰি প্ৰতিযোগিতাত 85 ল'ৰা আৰু 69 ছোৱালীয়ে যোগদান নিশ্চিত কৰিছে লখিমপুৰত অনুষ্ঠিত হ'বলগা ছাব-জুনিয়ৰ আন্তঃজিলা আৰ্চাৰী প্ৰতিযোগিতাত। উল্লেখ্য যে অসম আৰ্চাৰী সন্থাই অলপতে আসন্ন ছিজনৰ বাবে বিভিন্ন ৰাজ্যিক প্ৰতিযোগিতাৰ স্থানসমূহ নিশ্চিত কৰিছে। সেই অনুসৰি নৱগঠিত জিলা গোট দৰঙত অনুষ্ঠিত হ'ব পুৰুষ-মহিলাৰ ছিনিয়ৰ আন্তঃজিলা আৰ্চাৰী প্ৰতিযোগিতা। এইবাৰ জুনিয়ৰ আন্তঃজিলা আৰ্চাৰী প্ৰতিযোগিতাখন বঙাইগাঁৱত অনুষ্ঠিত হ'ব। ইফালে, কামৰূপ জিলাই আয়োজন কৰিব ল'ৰা-ছোৱালীৰ মিনি আন্তঃজিলা আৰ্চাৰী প্ৰতিযোগিতা। উল্লেখ্য যে কৰ'নাৰ বাবে অসম আৰ্চাৰী সন্থাই এবছৰ ধৰি আয়োজন কৰিব পৰা নাছিল ৰাজ্যিক প্ৰতিযোগিতা।

## সদৌ অসম জুনিয়ৰ ৰেংকিং টেনিছৰ প্ৰস্তুতি



**গুৱাহাটী, ৮ ডিচেম্বৰ ঃ** অহা 14-19 ডিচেম্বৰলৈ গুৱাহাটীৰ উত্তৰ-পূৰ টেনিছ ফাউণ্ডেছনত অনুষ্ঠিত হ'ব 31 সংখ্যক সদৌ অসম জুনিয়ৰ ৰেংকিং টেনিছ প্ৰতিযোগিতা। উল্লেখ্য যে অসম টেনিছ সন্থাই ইতিমধ্যে নতুন ছিজনৰ বিভিন্ন প্ৰতিযোগিতাৰ দিন আৰু স্থান নিশ্চিত কৰি সূচী ঘোষণা কৰিছে। অসম টেনিছ সন্থাৰ সম্পাদক অংকুশ দত্তই জনোৱা অনুসৰি উত্তৰ-পূৰ টেনিছ ফাউণ্ডেছনত অনুষ্ঠিত হ'বলগা 31 সংখ্যক সদৌ অসম জুনিয়ৰ ৰেংকিং টেনিছ প্ৰতিযোগিতাত ল'ৰাৰ বয়স শাখা তিনিটা হ'ল 12, 14 আৰু 18 বছৰ অনূৰ্ধ তথা ছোৱালীৰ শাখা দুটা হ'ল 12 আৰু 18 বছৰ অনূৰ্ধ। কেবল একক শাখাৰহে খেল অনুষ্ঠিত হ'ব সদৌ অসম জুনিয়ৰ ৰেংকিং টেনিছ প্ৰতিযোগিতাত। ইফালে, অহা 25 আৰু 26 ডিচেম্বৰত নৰ্থ ইষ্ট টেনিছ ফাউণ্ডেছনৰ ক'ৰ্টত অনুষ্ঠিত হ'ব প্ৰসন্ন কুমাৰ শৰ্মা সোঁৱৰণি সদৌ অসম প্ৰবীন ডাবলছ শাখাৰ টেনিছ প্ৰতিযোগিতা। পুৰুষ আৰু মহিলাৰ উক্ত ৰাজ্যিক প্ৰবীন ডাবলছ শাখাৰ টেনিছ প্ৰতিযোগিতাৰ পুৰুষৰ বয়স শাখা তিনিটা হ'ল 35, 45 আৰু 55 বছৰ উৰ্দ্ধৰ তথা মহিলাৰ একমাত্ৰ শাখাতো হ'ল 55 বছৰ উৰ্দ্ধৰ। যোগদানৰ অন্তিম তাৰিখ 23 ডিচেম্বৰ।

### জি এছ এৰ মহাবীৰ প্ৰসাদ আগৰৱালা আন্তঃপ্ৰশিক্ষণ কেন্দ্ৰ ক্ৰিকেটৰ সামৰণি

## ৰেৰ নৰ্থ ইষ্ট ক্ৰিকেট কেন্দ্ৰ চেম্পিয়ন



**গুৱাহাটী, ৮ ডিচেম্বৰ ঃ** গুৱাহাটী ক্ৰীড়া সন্থাৰ উদ্যোগত জজ খেলপথাৰত অনুষ্ঠিত হোৱা মহাবীৰ প্ৰসাদ আগৰৱালা 16 বছৰ অনূৰ্ধ্ব আন্তঃপ্ৰশিক্ষণ কেন্দ্ৰ ক্ৰিকেট প্ৰতিযোগিতাত চেম্পিয়ন হৈছে ৰেৰ নৰ্থ ইষ্ট ক্ৰিকেট কেন্দ্ৰ। উল্লেখ্য যে আজি অনুষ্ঠিত হোৱা খিতাপৰ যুঁজত নৱজ্যোতি ক্ৰিকেট প্ৰশিক্ষণ কেন্দ্ৰই খেলে ৰেৰ নৰ্থ ইষ্ট ক্ৰিকেট কেন্দ্ৰৰ বিৰুদ্ধে। 22 ৰাণত জয়লাভ কৰি চেম্পিয়ন হয় ৰেৰ নৰ্থ ইষ্ট ক্ৰিকেট কেন্দ্ৰ। উল্লেখ্য যে পূৰ্বৰ সকলো মেচ 40 অভাৰৰ হৈছিল যদিও আজিৰ ফাইনেল মেচখন 50 অভাৰৰ হয়। পোনতে বেটিং কৰি ৰেৰ নৰ্থ ইষ্ট ক্ৰিকেট কেন্দ্ৰই 41.3 অভাৰত 160 ৰাণ কৰে। প্ৰত্যুত্তৰত, নৱজ্যোতি ক্ৰিকেট প্ৰশিক্ষণ কেন্দ্ৰই 43 অভাৰত 138 ৰাণ কৰি পৰাজয় স্বীকাৰ কৰে। উল্লেখ্য যে প্ৰতিযোগিতাৰ দ্বিতীয় ছেমিফাইনেলত নুনমাটি ক্ৰিকেট প্ৰশিক্ষণ একাডেমীয়ে খেলে ৰেৰ নৰ্থ ইষ্ট ক্ৰিকেট কেন্দ্ৰৰ বিৰুদ্ধে। মেচখনত ৰেৰ নৰ্থ ইষ্ট ক্ৰিকেট কেন্দ্ৰই আঠ উইকেটত জয়লাভ কৰে। আনহাতে, প্ৰথম ছেমিফাইনেলত ৰয়েল গ্লোবেল ক্ৰিকেট একাডেমীৰ বিৰুদ্ধে তিনি ৰাণত জয়লাভ কৰি নৱজ্যোতি ক্ৰিকেট প্ৰশিক্ষণ কেন্দ্ৰই ফাইনেলত প্ৰৱেশ কৰিছিল।

### আৰ জি বৰুৱা সোঁৱৰণি আন্তঃজিলা ক্ৰিকেট

## ৰঙিয়াক হৰুৱাই প্লেট গ্ৰুপৰ চেম্পিয়ন এ চি এ সভাপতি একাদশ

**গুৱাহাটী, ৮ ডিচেম্বৰ ঃ** চলিত আৰ জি বৰুৱা সোঁৱৰণি 16 বছৰ অনূৰ্ধ আন্তঃজিলা ক্ৰিকেট প্ৰতিযোগিতাৰ প্লেট গ্ৰুপৰ চেম্পিয়ন হৈছে এ চি এ সভাপতি একাদশ দল। আজি বৰ্ষাপাৰা ষ্টেডিয়ামত হোৱা মেচত এ চি এ সভাপতি একাদশ দলে পাঁচ উইকেটত পৰাস্ত কৰে ৰঙিয়া জিলা দলক। পোনতে বেটিং কৰি ৰঙিয়া জিলা দলে 154-10 ৰাণ কৰাৰ প্ৰত্যুত্তৰত, এ চি এ সভাপতি একাদশে 156-5 ৰাণ কৰি জয় অৰ্জন কৰে। উল্লেখ্য যে ৰঙিয়াৰ লগতে এ চি এ সভাপতি একাদশে আৰ জি বৰুৱা সোঁৱৰণি 16 বছৰ অনূৰ্ধ আন্তঃজিলা ক্ৰিকেট প্ৰতিযোগিতাৰ প্লেট গ্ৰুপৰ পৰা এলিট গ্ৰুপলৈ যোগ্যতা অৰ্জন কৰিছে। এইবাৰৰ প্ৰতিযোগিতাখনৰ সূচী অনুসৰি এলিট আৰু প্লেট দুটা ভাগত 41 টা দলক ভাগ কৰা হৈছিল। এতিয়া আৰম্ভ হ'ব এলিট গ্ৰুপৰ মেচ। উল্লেখ্য যে প্ৰতিযোগিতাখন সামৰণি পৰিব অহা 21 ডিচেম্বৰত। এই প্ৰতিযোগিতাৰ পাছতে অসম ক্ৰিকেট সন্থাই বিজয় মাৰ্চেণ্ট ট্ৰফীৰ বাবে অসম দলটো নিৰ্বাচন কৰিব।

## বিলাসনন্দন চ'ৰা




# নট ব্লেক মানি, ইয়েল' মানি

**এটা** সময় আছিল যি সময়ত বেছিভাগ মানুহেই বৰ্ণবাদী আছিল। মানে ক'লা আৰু বগাক লৈ বৈষম্য কৰা ৰেচিয়েল আছিল। এই ৰেচিজমৰ বিৰুদ্ধে কম আন্দোলন হৈছিলনে? মাৰ্টিন লুথাৰ কিঙৰ পৰা আৰম্ভ কৰি নেলছন মেণ্ডেলালৈকে কত ডাঙৰ ডাঙৰ লিডাৰে এই ক'লা মানুহৰ অধিকাৰ বিচাৰি বিপ্লৱ কৰিছিল। লাহে লাহে বগাৰ সমানে সমানে ক'লাসকলেও অধিকাৰ পোৱা হ'ল, সমগ্ৰ বিশ্বই আজি ৰেচিজমৰ পৰা মুক্ত হোৱা বুলি ভাবি লোৱা হ'ল; কিন্তু সঁচাই জানো মুক্ত হৈছে? ল'ৰাঘৰে চাই অহাৰ পাছত আত্মীয়-স্বজনে প্ৰথম প্ৰশ্ন এইটোৱে কৰে যে ছোৱালীজনী ক'লা নে বগা! তাৰ মাজতে ফেছনৰ পৃথিৱীখনত ব্লেক বিউটী বুলি এচাম বিশেষ সুন্দৰীৰো সৃষ্টি কৰা হৈছে, যিসকলক বাকী বগা সুন্দৰীবোৰতকৈ অলপ আছুতীয়াকৈ ৰখা হয়। আমাৰ দৈনন্দিন জীৱনতো আমি প্ৰত্যেকে ইমান বেছি ৰেচিয়েল হৈ চলো নহয় যে আমি নিজেও ক'ব নোৱাৰো আমি ইমান ৰেচিয়েল বুলি। যেতিয়া কিবা বেয়া বস্তু হয়, তাক চিধাই বিশেষণ দি দিও ক'লা বুলি। যেন সব বেয়া বস্তুৱে ক'লা বা সব ক'লা বস্তুৱে বেয়া! যদি আমি ৰেচিয়েল নহয়েই, তেন্তে কিবা এখন বেয়া আইন ওলালেই কিয় ক'বলৈ ধৰো যে এইখন ক'লা আইন। কা এখন ক'লা আইন। সশস্ত্ৰ বিশেষ আইন এখন ক'লা আইন। টাডা এখন ক'লা আইন আছিল। সৌ সিদিনা নাগাভূমিত ১৫ জন নিৰীহক গুলীয়াই মাৰিলে। তাৰ বাবে জগৰীয়া কোন? এখন আইন। এই আইনখনৰ আণ্ডাৰত বেয়া কাম হ'ল, গতিকে এইখন ক'লা আইন হৈ গ'ল। এই আইনখন যিসকলে লাগু কৰিছে, তেৰাসৱে আকৌ দিল্লীৰ পল্যুছনৰ মাজত থাকিও বগা হৈয়ে আছে। পাকঘৰৰ দুৱাৰৰ ফাঁকেদি মেকুৰীয়ে গাখীৰ চুৰ কৰি খাইছে। তথাপি কোনো খং-ৰাগ নাই। বৰঞ্চ মাছৰ কাঁইট-চাইটবোৰ থাল এখনত নি বাহিৰত থৈ দিয়া হয় মেকুৰীটোৱে খাওক বুলি। ইমান আদৰ-মৰমৰ কাৰণ? কাৰণ এটাই— মেকুৰীটো বগা। একেবাৰে বগা নহ'লেও, মুগা বৰণৰ। অন্নপূৰ্ণাই পঠিয়াইছে। ৰংটো বগা বা মুগা যে! কিন্তু যদি গাৰ ৰংটো ক'লা হ'লহেঁতেন আৰু গাড়ীৰ আগেদি পাৰ হৈ গ'লহেঁতেন, গাড়ীখনৰ ষ্টাৰ্ট পৰ্যন্ত বন্ধ কৰি দিবলগীয়া হয়। সেই মেকুৰীটো অমংগলীয়া বোলে? কাৰণ মেকুৰীটোৰ গাৰ ৰং ক'লা। ক'লা মেকুৰী অমংগলৰ চিম্বল বুলি নভবা মানুহ খুউব কমেইহে ওলাব। মেকুৰীটো বগা হ'লে অন্নপূৰ্ণা আৰু ক'লা হ'লে কুফা! ইয়াতকৈ ৰেচিয়েল থিংকিং আৰু বেলেগ কিবা হ'ব পাৰেনে? কোনোবা এটা শুকুৰবাৰে মুম্বাইত ধাৰাসাৰে ব্লাষ্ট হৈছিল, বহু মানুহ মৰিছিল। লগে লগে শুকুৰবাৰটো হৈ গ'ল ব্লেক ফ্ৰাইডে। কিয়? হোৱাইট ফ্ৰাইডে কিয় নহ'ল? বোমা থ'বলৈ অনা কে'বাখনো গাড়ীৰ কালাৰ দেখোন হোৱাইট আছিল। ৰেড ফ্ৰাইডে কিয় নহ'ল? ৰাস্তা-ঘাট তেজেই তেজ হৈ গৈছিল দেখোন! নাই, ব্লেকেই হ'ব। কিবা বেয়া কাম ঘটিল নে? লগে লগে ব্লেক কালাৰ আহি গ'ল! ৩০ অক্টোবৰত গণেশগুৰিত বোমা ফুটিছিল। গতিকে ব্লেক অক্টোবৰ। ক'ৰবাত কিবা বেয়া কাম হৈছে, তাৰ প্ৰতিবাদত চিধাই ক'লা বেজ পৰিধান। কিয় বগা বা ৰঙা বেজ পিন্ধিব নোৱাৰি? বিপ্লৱৰ নাম শুনিলেই আটায়ে দেখোন ৰঙা নিচান উৰুৱায়। কামটো বেয়া হৈছে বুলি বুজাবলৈহে ক'লা বেজ কিয় পিন্ধিব লাগে?

আমাৰ পলিটিক্সতো এই ৰেচিয়েল কাৰবাৰবোৰ কম নচলে। চোৰাং বজাৰৰ অফিচিয়েল নাম হৈছে ব্লেক মাৰ্কেট। সৌ সিদিনা পঞ্জাৱত অলপ খোপনি পোতা দেখি দিল্লীৰ চিয়েমক কোনোবাই কৈ দিছে যে এজন ক'লা মানুহে একো কৰিব নোৱাৰে। দিল্লীৰ চিয়েমেও লগে লগে এনচাৰ দি দিছে—'কালে হু তো কয়া হুৱা, দিলৱালে হে!' দিল্লীৰ বাদশ্বাহ কিন্তু একেবাৰে ৰেচিয়েল নহয় দেই। অনবৰতে ক'লা-বগা কৰি থকা কথাবোৰ বাদশ্বাহৰ মুঠেই পছন্দ নহয়। সেই কাৰণে দিল্লীৰ দৰবাৰত সোমায়ে তেওঁ ক'লা টকাবোৰ নাইকিয়া কৰি সব বগা কৰি পেলাব খুজিলে, যাতে ক'লা টকা বুলি কোনেও জোকাব নোৱাৰে। তেওঁ ইয়াৰ চৰকাৰী নাম দিছিল বিমুদ্ৰাকৰণ। আচল নামটো হ'ল বগাকৰণ। কিহৰ বগাকৰণ? ক'লা টকাৰ বগাকৰণ। তাৰ বাবে তেওঁ সব ক'লা টকাই বেংকত জমা থৈ বগা কৰি পেলাব ক'লে। সেইমতে সব ক'লা টকা বেংকত জমা কৰি দিয়া হ'ল। সব ক'লা টকা বেংকৰ পৰা গৈ ৰিজাৰ্ভ বেংক পালে। ৰিজাৰ্ভ বেংকৰ পৰা বগা টকাবোৰ পুনৰ মাৰ্কেটলৈ ওলাই আহিল। ওলাই অহাৰ লগে লগে মাৰ্কেটত ঘূৰি ঘূৰি সেই বগা টকাবোৰ পুনৰ ক'লা হৈ গ'ল। এতিয়া বজাৰত সেইখিনি ক'লা টকাই আছে যিমানখিনি আগেয়ে আছিল। কিন্তু বাদশ্বাহে বুজাই দিছে যে এতিয়া থকাখিনি ব্লেক মানি নহয়, ইয়েল' মানি। কেনেকৈ ইয়েল' হ'ল? বাদশ্বাহৰ পাৰ্টিৰ হাতত ইমান টকা থকা দেখিলে বাকী পাৰ্টিৰ মানুহে বোলে চকুৰে সৰিয়হ ফুল দেখি যায়। সৰিয়হ ফুলৰ ৰংটো ইয়েল'ৰে হয়!

*(বিলাসনন্দন চ'ৰাৰ উদ্দেশ্য ব্যংগ ৰস সৃষ্টিহে, কোনো ব্যক্তি বিশেষৰ মনত আঘাত দিয়াটো নহয়।)*



# বড়ো ভাষাক বিশ্বৰ দৰবাৰলৈ লৈ যাবলৈ সাহিত্য সভাই কাম কৰিছে


**অগ্ৰদূত বাৰ্তা**
**তামুলপুৰ, ৮ ডিচেম্বৰ ঃ** বড়ো সাহিত্য সভাৰ ৬১ সংখ্যক অধিবেশন এইবেলি ভিন্ন জাতি-জনগোষ্ঠীৰ সমন্বয়স্থলী তামুলপুৰত তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে অহা ১১, ১২ আৰু ১৩ ফেব্ৰুৱাৰীত অনুষ্ঠিত হ'ব। তামুলপুৰ মহকুমা সদৰৰ গৌজন ফৌথাৰত (শান্তি পথাৰ) অনুষ্ঠিত হ'ব লগা উক্ত অধিবেশনৰ আজি লাইখুঁটা স্থাপন কৰা হয়। এক মাংগলিক পৰিৱেশত অধিবেশনৰ লাইখুঁটা স্থাপন কৰে বিটিআৰৰ মুৰব্বী প্ৰমোদ বড়োৱে। লাইখুঁটা স্থাপন কৰি আগবঢ়োৱা ভাষণত তেওঁ অধিবেশনখন সাফল্যমণ্ডিত কৰি তুলিবলৈ সৰ্বস্তৰৰ ৰাইজক আহ্বান জনাই কয়, 'তামুলপুৰত বড়ো সাহিত্য সভাৰ ৬১ সংখ্যক অধিবেশন অনুষ্ঠিত কৰিবলৈ তামুলপুৰবাসী সম্পূৰ্ণ প্ৰস্তুত হৈ আছে। তামুলপুৰত ইয়াৰ বিভিন্ন জাতি-জনগোষ্ঠীয়ে ঐক্যবদ্ধ হৈ বিভিন্ন সামাজিক, সাংস্কৃতিক কাৰ্যসূচী সফলভাৱে ৰূপায়ণ কৰি আহিছে। বিগত দুটা বছৰ ক'ভিডসৃষ্ট পৰিৱেশে সাধাৰণ জীৱন ব্যাহত কৰি তুলিছিল যদিও সম্প্ৰতি পৰিৱেশ যথেষ্ট উন্নত হৈছে। মই আশা কৰিছো অধিবেশন অনুষ্ঠিত হোৱাৰ দিনলৈ পৰিৱেশ আৰু অধিক উন্নত হ'ব।'

## তামুলপুৰত বড়ো সাহিত্য সভাৰ ৬১ সংখ্যক অধিবেশনৰ লাইখুঁটা স্থাপনত তৰেণ বড়ো

আজিৰ অনুষ্ঠানত বড়ো সাহিত্য সভাৰ সভাপতি তৰেন বড়োৱে সংবাদ মাধ্যমৰ আগত কয়, 'সাম্প্ৰতিক বিশ্বায়নৰ যুগত বড়ো ভাষাক বিশ্ব দৰবাৰলৈ লৈ যাবলৈ বড়ো সাহিত্য সভাই অহৰহ প্ৰচেষ্টা অব্যাহত ৰাখিছে। যিহেতু বড়ো ভাষা ভাৰতীয় সংবিধানৰ অষ্টম অনুসূচীত অন্তৰ্ভুক্ত আৰু অসমৰ এটা ৰাজ্যিক ভাষা সেয়েহে ভাষাটোৰ বিকাশ আৰু উত্তৰণৰ বাবে বড়ো সাহিত্য সভাৰ কৰণীয় যথেষ্ট আছে।' তেওঁ পুনৰ কয় যে বড়ো সাহিত্য সভাই অসম সাহিত্য সভাকে ধৰি অসমৰ বিভিন্ন জাতি-জনগোষ্ঠীৰ লগত সমন্বয় সৃষ্টি কৰি অসমৰ ঐক্য, শান্তি-সম্প্ৰীতি অটুট ৰখাৰ উপৰি বিভিন্ন জাতি-জনগোষ্ঠীৰ বিকাশৰ বাবে মাত মাতি আহিছে। বড়োৱে লগতে কয়, 'উগ্ৰপন্থীৰ কাৰ্যকলাপ ৰোধৰ ক্ষেত্ৰতো বড়ো সাহিত্য সভাই মাত মাতি আহিছে। কিয়নো দেশত শান্তি বিৰাজ কৰিব লাগে। শান্তি বিৰাজ নকৰিলে দেশৰ উন্নতি নহয়। বড়ো সাহিত্য সভাই অকল ভাষা কিম্বা সাহিত্যৰ বাবেই কাম কৰি থকা নাই। বড়ো সাহিত্য সভাই বিভিন্ন সামাজিক কামৰ লগত জড়িত থাকি সামাজিক দায়বদ্ধতাৰ পৰিচয় দি আহিছে।' বড়ো সাহিত্য সভাৰ ৬১ সংখ্যক তামুলপুৰ অধিবেশনলৈ অসম সাহিত্য সভাৰ লগতে বিভিন্ন জনগোষ্ঠীয় সাহিত্য সভাৰ সভাপতি, সম্পাদক, স্বনামধন্য লেখক-লেখিকাসকলক আমন্ত্ৰণ জনোৱাৰ উপৰি বাংলাদেশ, নেপাল, মেঘালয়, ত্ৰিপুৰাত বসবাস কৰা বড়ো জনগোষ্ঠীৰ প্ৰতিনিধি উপস্থিত থাকিব বুলি সদৰী কৰে সভাপতি বড়োৱে। আনহাতে, তামুলপুৰ অধিবেশনত ৰাষ্ট্ৰীয় সংহতি আৰু এটা শান্তিৰ বতৰা দিয়াৰ লক্ষ্যৰে ৰাষ্ট্ৰপতিক আমন্ত্ৰণৰ প্ৰচেষ্টা চলাই থকা হৈছে বুলিও তেওঁ সদৰী কৰে। আজিৰ অনুষ্ঠানত বড়ো সাহিত্য সভাৰ সাধাৰণ সম্পাদক প্ৰশান্ত বড়ো, বিটিআৰৰ কাৰ্যবাহী সদস্য ধৰ্ম নাৰায়ণ দাস, ৰণেন্দ্ৰ নাৰ্জাৰী, দাওবৈছা বড়ো, তামুলপুৰৰ বিধায়ক জলেন দৈমাৰী, এমচিএলএ হেমন্ত কুমাৰ ৰাভা, বিটিআৰৰ মুৰব্বী প্ৰমোদ বড়োৰ পত্নী পাৰুল ভৰালী বড়ো, প্ৰাক্তন বিধায়ক চণ্ডী বসুমতাৰী, বিটিচিৰ প্ৰাক্তন কাৰ্যবাহী সদস্য দেৰেন বড়ো আদিকে ধৰি বহু গণ্য-মান্য ব্যক্তি আৰু স্থানীয় ৰাইজ উপস্থিত থাকে।

# মই ভালে আছো, কোনো সমস্যা নাই

## মৌনতা ভংগ কৰি আশাৰ কথা শুনালে দেশৰ প্ৰথম অ'মিক্ৰন আক্ৰান্তই



**নিউজ ব্যুৰ'**
**নতুন দিল্লী, ৮ ডিচেম্বৰ ঃ** দেশত অ'মিক্ৰন প্ৰজাতিৰ দ্বাৰা সংক্ৰমিত হোৱা প্ৰথম দুজন লোকৰ ভিতৰত আছিল এজন চিকিৎসক। বাংগালুৰুৰ ৪৬ বছৰীয়া চিকিৎসকজনৰ কৰ'না পৰীক্ষাৰ ফলাফল সাতদিনৰ ভিতৰত দ্বিতীয়বাৰ পজিটিভ অহাত স্বাভাৱিকতে চিন্তা বাঢ়িছিল কৰ্ণাটকৰ স্বাস্থ্য বিভাগৰ। অৱশ্যে বিগত কিছুদিনৰ নীৰৱতা ভংগ কৰি এক সংবাদ মাধ্যমক ফোনযোগে দিয়া সাক্ষাৎকাৰত আক্ৰান্ত চিকিৎসকজনে শুনালে আশাৰ বতৰা। চিকিৎসকজনে জনাইছে যে তেওঁ একেবাৰে ভালে আছে আৰু চিন্তাৰ কোনো থল নাই।

চিকিৎসকজনে জনাইছে যে প্ৰথমবাৰ ক'ভিড ধৰা পৰাৰ পাছত নিগেটিভ প্ৰতিবেদন আহিবলৈ সচৰাচৰ দুসপ্তাহ লাগে। ফলত আগন্তুক দুই-তিনি দিনৰ ভিতৰত তেওঁ ক'ভিড নিগেটিভ হৈ পৰিব পাৰে। অৱশ্যে চিকিৎসকজনে নিজৰ পৰিচয় দিয়াৰ পৰা বিৰত থাকে।

যোৱা ২১ নৱেম্বৰত চিকিৎসকজনৰ শৰীৰত ক'ভিডৰ উপসৰ্গই দেখা দিয়ে। তেওঁৰ শৰীৰত আছিল পাতল জ্বৰ, কঁপনি আৰু গাৰ সামান্য বিষ। পাছদিনা তেওঁৰ কৰ'না পজিটিভৰ ফলাফল আহে। সামান্য মূৰ ঘূৰোৱাৰ সমস্যাই দেখা দিয়াত ২৫ নৱেম্বৰত হাস্পতাললৈ অনা হয়। সেই নিশাই তেওঁৰ মন'ক্লনেল এণ্টিব'ডী চিকিৎসা হয়। পাছদিনা পুৱাৰ পৰা তেওঁৰ শৰীৰত কোনো উপসৰ্গ নাছিল বুলিও চিকিৎসকজনে দাবী কৰে। চিকিৎসকজনে লগতে জনায় যে কৰ'না ভাইৰাছৰ আনবোৰ ৰূপত আক্ৰান্তসকলৰ দৰে তেওঁৰ শ্বাস-প্ৰশ্বাসত কোনো জটিল সমস্যা হোৱা নাছিল, আনকি চৰ্দি-কাহো নাছিল। শৰীৰত অক্সিজেনৰ মাত্ৰাও স্বাভাৱিক (৯৬-৯৭) আছিল। চিকিৎসকজনে সদৰী কৰে যে তেওঁ বিদেশলৈ যোৱা নাছিল। হাস্পতালত কাম কৰাৰ সময়ত বিদেশৰ পৰা অহা কোনো ৰোগীৰ সংস্পৰ্শলৈ আহিব পাৰে বুলি তেওঁ সন্দেহ প্ৰকাশ কৰে।

**বৰপেটাৰোড পৌৰসভা পাণবজাৰ ৰাজহুৱা শ্ৰীশ্ৰীশনি মন্দিৰ কমিটী পক্ষৰ পৰা মন্দিৰ শুভাকাংক্ষীলৈ**

**জাননী**

যোৱা ২৩/০৩/২০২০ ইং তাৰিখ মন্দিৰ উন্নয়ন কল্পে যিখন উপহাৰ কুপন খেল পতা হৈছিল উক্ত খেলখন লকডাউনৰ বাবে অনুষ্ঠিত কৰা সম্ভৱ নহ'ল। গতিকে কমিটীয়ে শুভাকাংক্ষীসকলৰ কুপন মূল্য ঘূৰাই দিয়াৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰিছে।

আপোনালোকৰ প্ৰাপ্য পাওনা লোৱাৰ বাবে অনুৰোধ জনোৱা হ'ল, আপোনাৰ প্ৰাপ্যখিনি আপুনি মন্দিৰৰ অনুদান হিচাপেও দান কৰিব পাৰে।

প্ৰাপ্য ঘূৰাই দিয়াৰ সময় ঃ ২৩/১২/২০২১ ইং তাৰিখৰ পৰা ৩০/১২/২০২১ ইং তাৰিখ পৰ্যন্ত।

প্ৰতিদিনে দিনৰ ১২ বজাৰ পৰা আবেলি ৩ বজালৈকে আদায় দিয়া হ'ব।

**ইতি**
**বিনীত**
**বৰপেটাৰোড পৌৰসভা পাণবজাৰ ৰাজহুৱা**
**শ্ৰীশ্ৰীশনি মন্দিৰ পৰিচালনা সমিতি**
**পাণবজাৰ, বৰপেটাৰোড**




অগ্ৰদূত পাব্লিচাৰ্ছ প্ৰাইভেট লিমিটেড, গুৱাহাটী-৬ৰ হৈ বি এছ ডেকাৰ দ্বাৰা অগ্ৰদূত ভৱন, দিছপুৰ, গুৱাহাটী-৬, তৰাজান, যোৰহাট আৰু দোলাবাৰী, তেজপুৰত মুদ্ৰিত আৰু প্ৰকাশিত। সম্পাদক ঃ প্ৰাঞ্জলসেন ডেকা। মুখ্য সম্পাদক ঃ কনকসেন ডেকা।
ফোন ঃ (গুৱাহাটী) সম্পাদনা ঃ (০৩৬১) ২২৬১৯২৩, ২২২৪৯৩৩, চাৰ্কুলেচন- ২২৩৪২০৯ ফেক্স ঃ (০৩৬১) ২২৬০৬৫৫, ২২৬৯১৪৭, আৰু বিজ্ঞাপন - ৯৮৬৪৮৯৭১৭৫। ফোন (যোৰহাট) ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯।
E-MAIL : agradoot@gmail.com, editor.agradoot@gmail.com